● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

## দিগ্‌দৰ্শন

সদায়ে মনত নৰখাকৈ দান কৰিব আৰু কেতিয়াও নাপাহৰাকৈ গ্ৰহণ কৰিব।

ব্ৰায়ান ট্ৰেচি
*আমেৰিকাৰ লেখক*




৭ নতুন সংসদত অশোক স্তম্ভক লৈ বিতৰ্ক
১৫ ১১০ ৰাণতে ইনিংছ সামৰিলে ইংলণ্ডে
৪ বিভাজনেৰে শাসন কৰা ইংৰাজৰ নীতি অব্যাহত


RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৭৩তম সংখ্যা ● গুৱাহাটী ● বুধবাৰ ২৮ আহাৰ ১৪২৯ ভাস্কৰাব্দ ১৩ জুলাই ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Wednesday 13 July 2022 মূল্য ঃ ৯.০০ টকা

■ বিচাৰৰ নামত আছু নেতাৰ নিৰ্যাতনত কিশোৰ ছাত্ৰৰ আত্মহত্যাৰ প্ৰতিক্ৰিয়া অব্যাহত ■ বৰ্ষীয়ান আছু নেতা সমুজ্জ্বল ভট্টাচাৰ্য এতিয়া ক'ত? ঃ দুৰ্ভগীয়া পিতৃৰ প্ৰশ্ন ■ উচিত শাস্তি হ'বনে দোষীৰ?

# আছুৰ গুণ্ডাকৰ-উদ্দণ্ডালিত ক্ষোভৰ সৃষ্টি



*আছু নেতাৰ আতিশয্যত আত্মহত্যা কৰা কিশোৰ ৰাজীৱ কুমাৰৰ দুৰ্ভগীয়া পিতৃ-মাতৃ, সোমবাৰে।*

■ ছাত্ৰ সন্থাৰ দুষ্কাৰ্যৰ বাবেই হেৰুৱালো একমাত্ৰ পুত্ৰক ঃ কান্দি কান্দি ক'লে মাতৃয়ে

■ দীপাংকৰ দাস

**গোৰেশ্বৰ, ১২ জুলাই ঃ** তামুলপুৰ জিলাৰ নাওকাটাত পূব ডেফেলী আঞ্চলিক আছুৰ একাংশ নেতা-কৰ্মীৰ নিৰ্যাতনত কিশোৰ ছাত্ৰ ৰাজীৱ কুমাৰ ওৰফে মিঠুন কুমাৰৰ আত্মহত্যাৰ ঘটনাৰ তীব্ৰ প্ৰতিক্ৰিয়া অব্যাহত আছে। এই চাঞ্চল্যকৰ ঘটনা সন্দৰ্ভত ১১ জন অভিযুক্তৰ চাৰিজনক আজি পৰ্যন্ত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। যোৱা ন জুলাইতে আত্মহত্যাৰ ঘটনা সংঘটিত হোৱাৰ আজি চাৰি দিনৰ পাছতো আছুৰ কেন্দ্ৰীয় নেতৃবৰ্গই দুৰ্ভগীয়া পৰিয়ালটোৰ খবৰ নোলোৱাক লৈও ক্ষোভৰ সৃষ্টি হৈছে। ঘটনা সন্দৰ্ভত সুৱাগপুৰ আৰক্ষীয়ে পূব-ডেফেলী আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক উৎপল কুমাৰ, স্থানীয় ব্যৱসায়ী অম্বিকা নাথ, বাঁহীৰাম কুমাৰ আৰু সঞ্জীৱ শৰ্মাক ইতিমধ্যে গ্ৰেপ্তাৰ কৰিছে। উল্লেখ্য যে ন জুলাইত পূব ডেফেলী আঞ্চলিক ছাত্ৰ সন্থাৰ কাৰ্যালয়লৈ গুটখাৰ পেকেট চুৰিৰ এটা ঘটনাৰ সন্দৰ্ভত নৱম শ্ৰেণীৰ ছাত্ৰ ৰাজীৱ কুমাৰক মাতি অনা হৈছিল। তেওঁৰ স'তে আছিল পিতৃও। তাত একাংশ আছু কৰ্মী আৰু স্থানীয় ব্যৱসায়ীয়ে ছাত্ৰজনক জগৰীয়া কৰি ১০ হেজাৰ টকাৰ জৰিমনা দাবী কৰে। সাধাৰণ পাণ দোকান দি কোনোমতে পৰিয়াল পোহপাল দিয়া ৰাজীৱৰ পিতৃ তৰুণ কুমাৰে আছুৰ এই দাবী মানি ল'ব পৰা নাছিল। *১০ পৃষ্ঠাত চাওক*

■ ডিব্ৰুগড়ৰ বিনীত বাগাৰীয়াৰ আত্মহত্যাৰ ঘটনা ■ পুত্ৰৰ কুকাৰ্যৰ বাবে ক্ষমা বিচাৰিলে পিতৃ-মাতৃয়ে ■ বাৰে বাৰে অভিযোগ দিয়াৰ পাছতো কিয় আৰক্ষীয়ে ব্যৱস্থা লোৱা নাছিল

# বাইদুল্লাৰ গৃহত চলিল বুলড'জাৰ অভিযান

দাদাগিৰি সহ্য নকৰো! এইবাৰ সৰৱ ডিজিপি

ধ্বংসস্তূপত পৰিণত দুটি বাসগৃহ ঃ শুংসূত্ৰ নাই দুই পলাতক অভিযুক্ত ইজাজ খান-সঞ্জয় শৰ্মাৰ



**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ১২ জুলাই ঃ** ডিব্ৰুগড়ৰ প্ৰকৃতিপ্ৰেমী যুৱক বিনীত বাগাৰীয়াৰ আত্মহত্যাৰ ঘটনাৰ অন্যতম অভিযুক্ত বাইদ্দুলা খানৰ বাসগৃহত আজি চলিল আৰক্ষী প্ৰশাসনৰ উচ্ছেদ অভিযান। ডিব্ৰুগড় জিলা প্ৰশাসন আৰু আৰক্ষীৰ এটা বৃহৎ দলে আজি পুৱাতে লাহোৱাল আৰক্ষী থানাৰ অন্তৰ্গত ঘোঁৰামাৰাত অৱস্থিত অভিযুক্ত বাইদ্দুলা খান আৰু ছামছুল্লা খানৰ বাসগৃহত বুলড'জাৰেৰে উচ্ছেদ অভিযান চলায়। ডিব্ৰুগড়ৰ উদীয়মান যুৱক বিনীতৰ আত্মহত্যাৰ অন্যতম অভিযুক্ত বাইদুল্লাৰ উপৰিপুৰুষ আফগানিস্তানৰ কাবুলৰ বুলি সম্প্ৰতি তথ্য প্ৰকাশিত কৰিছে। তেওঁৰ চুবুৰীয়াই জনোৱা মতে, বাইদুল্লা ভাৰতীয় নাগৰিক নহয়। আশ্চৰ্যকৰ যে *১০ পৃষ্ঠাত চাওক*

একাধিক বিভাগীয় শীৰ্ষ পদতো সালসলনি

## কামৰূপ-নগাঁও বৰপেটাসহ আঠ জিলাৰ উপায়ুক্ত বদলি

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১২ জুলাই ঃ** অসম চৰকাৰে আজি ৰাজ্যৰ কে'বাখনো জিলাৰ উপায়ুক্ত সলনি কৰে। কে'বাজনো উপায়ুক্তক আন জিলালৈ বদলি কৰাৰ বিপৰীতে আন কে'বাজনক আন বিভাগীয় পদত নিযুক্তি দিয়ে। কাছাৰৰ উপায়ুক্ত জে *১০ পৃষ্ঠাত চাওক*

বৰপেটাৰোডত পূৰ্বৰ সিদ্ধান্ত সলনিৰ চেষ্টা


## গোপনে নতুন সুৰা বিপণীৰ অনুজ্ঞা নিদিবলৈ পত্ৰ

**অগ্ৰদূত বাৰ্তা**
**বৰপেটাৰোড, ১২ জুলাই ঃ** সৰভোগৰ বিধায়ক মনোৰঞ্জন তালুকদাৰে তেওঁৰ সমষ্টিত নতুনকৈ বিলাতী সুৰাৰ দোকানৰ অনুজ্ঞাপত্ৰ নিদিবলৈ আবকাৰী মন্ত্ৰীলৈ এক পত্ৰ প্ৰেৰণ কৰিছে। পিছে বিধায়কৰ এই পত্ৰ প্ৰদানৰ মাজতে সৰভোগ *১০ পৃষ্ঠাত চাওক*



*বিশেষভাৱে সক্ষম প্ৰাৰ্থীক প্ৰাথমিক বিদ্যালয়ত শিক্ষক পদত নিযুক্তিপত্ৰ প্ৰদান শিক্ষামন্ত্ৰীৰ।*

## শ্ৰীৰামপুৰত পুনৰ জ্বলালে গাঞ্জা কঢ়িয়াই অনা ট্ৰাক



**অগ্ৰদূত বাৰ্তা**
**শ্ৰীৰামপুৰ, ১২ জুলাই ঃ** গোসাঁইগাঁৱৰ শিমুলটাপু আৰক্ষী চকীৰ চৌহদত চাৰিদিনৰ ভিতৰত দুখন গাঞ্জা *১০ পৃষ্ঠাত চাওক*

■ বঙাইগাঁও-চিৰাঙৰ বান-খহনীয়া পৰিস্থিতিৰ বুজ ল'লে ড° শৰ্মাই ■ হেলিকপ্টাৰেৰে উপস্থিত হৈ ক্ষতিগ্ৰস্ত পৰিয়ালৰেও মত বিনিময়

# এবছৰৰ ভিতৰত ভূটানৰ পৰা অহা পানী নিয়ন্ত্ৰণৰ প্ৰতিশ্ৰুতি মুখ্যমন্ত্ৰীৰ

অহা আগষ্টৰ ভিতৰতে খহনীয়াগ্ৰস্তক ক্ষতিপূৰণ



**অগ্ৰদূত বাৰ্তা**
**কাজলগাঁও, ১২ জুলাই ঃ** ভূটানৰ পৰা নামি অহা পানীৰ গতিপথ এবছৰৰ ভিতৰত নিয়ন্ত্ৰণাধীন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি আজি ঘোষণা কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। চিৰাঙৰ ভূটান সীমান্তৱৰ্তী লাউক্ৰিগুৰিত হেলিকপ্টাৰেৰে উপস্থিত হোৱা মুখ্যমন্ত্ৰী শৰ্মাই আজি বিয়লি শেহতীয়া বানত *১০ পৃষ্ঠাত চাওক*

■ শিশু-মহিলাসহ ১৫০ জনৰ পলায়ন বিভিন্ন স্থানলৈ ■ আৰছুৰ কাৰ্যালয়ত আশ্ৰয়

# ভ্ৰাতৃঘাতী সংঘৰ্ষত মেঘালয় সীমান্তৰ পৰা পলায়ন অসমৰ সমৰ্থনকাৰীৰ



**অগ্ৰদূত বাৰ্তা**
**বকো, ১২ জুলাই ঃ** অসম-মেঘালয় সীমান্তৱৰ্তী বকোৰ আপাৰ তাৰাবাৰীত তীব্ৰ উত্তেজনা বিৰাজ কৰিছে। অসমবিদ্বেষী তথা মেঘালয়ৰ সমৰ্থনকাৰীয়ে আজি সীমান্তৰ পৰা খেদি পঠিয়ায় অসমৰ ডেৰ শতাধিক সমৰ্থকক। অসমৰ ভূমিৰ পৰাই বিতাড়িত কৰা হৈছে অসমৰ লোকক। এনে একাংশই জাৰিহাটৰ আৰছুৰ কাৰ্যালয়ত আশ্ৰয় লৈছে। শিশু-মহিলাসহ আৰছুৰ কাৰ্যালয়ত আশ্ৰয় গ্ৰহণ কৰিছে আতংকিত ৪৭ জনকৈ লোকে। আন একাংশই জংঘলতো আশ্ৰয় লৈছে তথা *১০ পৃষ্ঠাত চাওক*


পুনৰ এদিনত ১৭ জন আক্ৰান্ত- তিনিজনৰ মৃত্যু

## ৰাজ্যত ১২ দিনত ১১৫ জন আক্ৰান্ত জাপানীজ এনকেফেলাইটিছত

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১২ জুলাই ঃ** অসমত অব্যাহত থকা জাপানীজ এনকেফেলাইটিছৰ সংক্ৰমণে আজি চলিত মাহৰ ভিতৰতে শতকৰ ঘৰ অতিক্ৰম কৰে। আজিৰ দিনটোত ৰাজ্যৰ সাতখন জিলাত ১৭ জন লোক নতুনকৈ আক্ৰান্ত হোৱাত চলিত মাহতে জাপানীজ এনকেফেলাইটিছত আক্ৰান্তৰ সংখ্যা ১১৫ জনলৈ বৃদ্ধি হয়। আজি তিনিজন ৰোগীৰ মৃত্যুও হয়। আজি নতুনকৈ *১০ পৃষ্ঠাত চাওক*

■ ম্যানমাৰ সেনাৰে বুজাবুজিৰ পাছতে টাগাৰ শিবিৰলৈ স্থানান্তৰিত আলফা ■ চৰকাৰৰ সিদ্ধান্তত ব্যৰ্থ একাংশৰ প্ৰত্যাৱৰ্তনৰ কৌশল

# নতুনকৈ আলফা (স্বা)ত ভৰ্তি সদস্যই উভতিলেও নাপাব সংস্থাপনৰ সুবিধা



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১২ জুলাই ঃ** ৰাজ্যত বিগত এটা বছৰৰ ভিতৰতে আঢ়ৈশৰো অধিক যুৱক-যুৱতীয়ে আলফা (স্বাধীন)ত যোগদান কৰিছে। যিকোনো কাৰণতে নহওক কিয়, এক সম্পূৰ্ণ অনিশ্চিত জীৱন আগত লৈ কম বয়সীয়া যুৱক-যুৱতীসকলে উগ্ৰপন্থী সংগঠনত যোগদান কৰা বিষয়টোৱে গভীৰ উদ্বেগৰ সৃষ্টি কৰিছে। ইয়াৰ মাজৰে অতি নগণ্য সংখ্যক সদস্য মূলসুঁতিলৈ উভতিও আহিছে। সম্প্ৰতি ৰাজ্য চৰকাৰে সিদ্ধান্ত লৈছে যে নতুনকৈ সংগঠনত ভৰ্তি হৈ উভতি অহা সকলক কোনো ধৰণৰ চৰকাৰী আঁচনিত অন্তৰ্ভুক্ত কৰা নহ'ব। উগ্ৰপন্থী সংগঠনলৈ গৈ মূলসুঁতিলৈ উভতি অহা সকলৰ বাবে কে'বা দশক ধৰি অসম চৰকাৰৰ পুনৰ সংস্থাপন নীতি আছে; কিন্তু চৰকাৰে শেহতীয়াকৈ সিদ্ধান্ত লৈছে যে নতুনকৈ যোগদান কৰা সকলৰ ক্ষেত্ৰত এই *১০ পৃষ্ঠাত চাওক*

## কৃষ্ণাই নৈৰ সোঁতে উটুৱাই নিলে শিশুক

**অগ্ৰদূত বাৰ্তা**
**কৃষ্ণাই, ১২ জুলাই ঃ** আজি পুনৰ গোৱালপাৰা জিলাৰ কৃষ্ণাই নৈত সলিল সমাধি ঘটে এটি শিশুৰ। নুৰ আহমেদৰ সন্তান ছামিম আহমেদ নামৰ মৃত শিশুটিৰ বয়স ন বছৰ। আজি আবেলি উমলি থাকোতে কৃষ্ণাই নৈৰ সোঁতে উটুৱাই নিয়ে মাজগাঁও চোকাপাৰা অঞ্চলৰ শিশুটিক। ঘটনাৰ বাতৰি পাই ঘটনাস্থলীত আৰক্ষী আৰু এছডিআৰএফে অভিযান চলায়।

আত্মগোপনকাৰী ৰাষ্ট্ৰপতিক সুৰক্ষিত স্থানলৈ আঁতৰাই নিবলৈ তৎপৰ ঘনিষ্ঠ সেনা বিষয়া


■ সমুদ্ৰ পথেৰে ভাৰত বা মালদ্বীপলৈ গৈ ডুবাইত উপস্থিত হোৱাৰ পৰিকল্পনা ৰাজাপক্ষৰ
■ প্ৰাক্তন মন্ত্ৰী ভ্ৰাতৃ বাচিলক ডুবাইমুখী বিমান অৱতৰণত বাধা প্ৰদান কলম্বো বিমানকোঠত

# আকাশীপথেৰে দেশত্যাগত বাধাৰ সন্মুখীন





■ **নিউজ ব্যুৰ'**
**কলম্বো, ১২ জুলাই ঃ** দেশত অভূতপূৰ্ব গণ বিক্ষোভৰ সন্মুখীন হোৱা শ্ৰীলংকাৰ পলাতক ৰাষ্ট্ৰপতি গোটাবায়া ৰাজপক্ষই ভাৰত অথবা মালদ্বীপলৈ গৈ ডুবাইত আত্মগোপন কৰাৰ চৰ্চা আৰম্ভ হোৱাৰ মাজতে তেওঁৰ ভ্ৰাতৃ আবদ্ধ হ'ল কলম্বো বিমানকোঠত। বিমানৰে বিদেশলৈ পলায়নৰ চেষ্টা ব্যৰ্থ হোৱাৰ পাছত তেওঁ এইবাৰ সাগৰীয় পথেৰে পলায়নৰ কৌশল ৰচনা কৰিছে। জনৰোষৰ পৰা প্ৰাণ বচাবলৈ গোটাবায়াৰ লগতে তেওঁৰ ভ্ৰাতৃ তথা দেশৰ প্ৰাক্তন বিত্তমন্ত্ৰী বাচিল ৰাজাপক্ষও সন্ধানহীন হৈ আছিল। দুই ভ্ৰাতৃয়ে কালি সন্ধিয়া শ্ৰীলংকা ত্যাগ কৰি পলায়নৰ পৰিকল্পনা কৰিছিল। স্থানীয় সংবাদ মাধ্যমৰ দাবী অনুসৰি বাচিলক বিমানত আৰোহণ কৰিবলৈ দিয়া নহ'ল। বাচিলক দেখা পোৱাৰ লগে লগে কলম্বো বিমানকোঠত থকা আন যাত্ৰীসকলে বিক্ষোভ কৰিবলৈ ধৰে। অৱশেষত বিমানকোঠৰ বিষয়াই তেওঁক বিমানত আৰোহণ কৰিবলৈ অনুমতি নিদিলে। ডুবাইলৈ যাবলৈ চেষ্টা কৰিছিল গোটাবায়াৰ ভ্ৰাতৃয়ে। প্ৰতিবাদৰ ফলত বাধাৰ সন্মুখীন হৈ বিমানকোঠ ত্যাগ কৰি তেওঁ *১০ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৪° | ২৭° |
| ডিব্ৰুগড় | ৩৪° | ২৭° |
| দিল্লী | ৩২° | ২৯° |
| কলকাতা | ৩১° | ২৭° |
| মুম্বাই | ২৮° | ২৬° |
| চেন্নাই | ৩৬° | ২৮° |
| বাংগালুৰু | ২৭° | ১৯° |
| শ্বিলং | ২৬° | ১৯° |

*১২ জুলাই, ২০২২*

## চেঙা তেল



*মাস্ক পিন্ধিব লাগে যদি মই কোৱা সেই ডিজাইনৰ লৈ আহক, নহ'লে সন্মুখৰ পৰা আঁতৰ হওক!*

বহিঃৰাজ্যৰ মহিলা গেঙৰ সন্ত্ৰাস ■ মলিয়ন পোছাক-উদং দেহাৰে শাৰীৰিক অত্যাচাৰ চলাই ভিক্ষা মাগিবলৈ বাধ্য কৰিছে বাটে-পথে

# মহানগৰীত নিচাযুক্ত দ্ৰব্য সেৱন কৰাই শিশুক নিয়োজিত কৰিছে ভিক্ষা বৃত্তিত

শিশু সুৰক্ষা আয়োগে লাভ কৰিছে তথ্য



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১২ জুলাই ঃ** গুৱাহাটী মহানগৰীত বৃহৎসংখ্যক শিশুক শাৰীৰিক নিৰ্যাতন চলাই ভিক্ষা বৃত্তিত নিয়োজিত কৰাৰ তথ্য লাভ কৰিছে শিশু সুৰক্ষা আয়োগে। দেশত ১৪ বছৰলৈ প্ৰতিটো শিশুৰ বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ প্ৰদান কৰা হৈছে যদিও শিশুক *১০ পৃষ্ঠাত চাওক*

## সাংসদ গৌৰৱ গগৈক জবাবদিহি কৰিলে ক্ষুব্ধ বানাক্ৰান্তই

**অগ্ৰদূত বাৰ্তা**
**ভূৰাগাঁও, ১২ জুলাই ঃ** সাংসদ গৌৰৱ গগৈক আজি মৰিগাঁও আৰু নগাঁও জিলাৰ সীমামূৰীয়া মোৰামাৰীৰ খহনীয়াগ্ৰস্ত ৰাইজে জবাবদিহি কৰে। সাংসদ গগৈ অহা বাবেই মথাউৰিত শ্ৰমদান কৰা ৰাইজে কাম বন্ধ কৰি ঘৰা-ঘৰি গৈ মৌন প্ৰতিবাদ জনায়। তাৰ মাজতে শ্ৰমদান কৰা একাংশ খহনীয়াগ্ৰস্ত যুৱকে সাংসদক *ছয় পৃষ্ঠাত চাওক*

■ বৰপেটাত স্থাপন কৰা প্ৰশিক্ষণ শিবিৰৰ সন্ধানত তৎপৰ হৈছে অনুসন্ধানকাৰী দল

## এবিটিৰ সন্ধানত কে'বাখন জিলাত চলিছে এনআইএৰ ব্যাপক অভিযান

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১২ জুলাই ঃ** অল কায়দাৰ নীতিক সমৰ্থন কৰা জেহাদী সংগঠন আনছাৰুল্লাহ বাংলা টীম (এবিটি)ৰ বিৰুদ্ধে ৰাজ্যৰ কে'বাখনো জিলাত আৰম্ভ হৈছে ব্যাপক অভিযান। যোৱা মাৰ্চত এজন বাংলাদেশী নাগৰিকসহ বৰপেটা আৰু বঙাইগাঁৱত সংগঠনটোৰ কে'বাজনো সদস্য গ্ৰেপ্তাৰ হয়। আৰক্ষী আৰু এনআইএৰ হাতত থকা তথ্য অনুসৰি বৰপেটা, বঙাইগাঁৱৰ লগতে আন কে'বাখনো জিলাত সংগঠনটোৰ বহু সদস্য আৰু সমৰ্থক আছে। এনআইএ আৰু আৰক্ষীৰ ধাৰাবাহিক অভিযানত অতি কমদিনৰ ভিতৰত সংগঠনটোৰ কে'বাজনো জেহাদী জালত পৰে। তাৰ পাছতে সংগঠনটোৰ সদস্যসকলে গ্ৰহণ কৰে তীব্ৰ সতৰ্কতা। এই প্ৰসংগতে *১০ পৃষ্ঠাত চাওক*

## গুৱাহাটীৰ দুই যুৱকৰ মৃতদেহ আঙাৰধোৱা পুখুৰীত উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**
**বাগানপাৰা, ১২ জুলাই ঃ** বাগ্‌সা জিলাৰ বাগানপাৰা ৰাজহ চক্ৰৰ অন্তৰ্গত আংগাৰধোৱাত পুখুৰীৰ পানীত ওপঙি থকা অৱস্থাত দুই যুৱকৰ মৃতদেহ উদ্ধাৰক লৈ চাঞ্চল্যৰ সৃষ্টি হৈছে। আংগাৰধোৱাৰ চতেৰা চুবুৰীত এই ঘটনা সংঘটিত হয়। দুদিন পূৰ্বে গুৱাহাটীৰ নুনমাটি অঞ্চলৰ পৰা গোপাল বড়ো আৰু ৰূপম বড়ো নামৰ যুৱক দুজনে আত্মীয়ৰ ঘৰলৈ আহিছিল। কালি *১০ পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত

গুৱাহাটী , ১৩ জুলাই, ২০২২ বুধবাৰ পৃষ্ঠা তিনি

## গোৱালপাৰাত ১৭ খন হাট বজাৰৰ পুনৰ নিবিদা আহ্বানৰ নিৰ্দেশ

■ ২৫৩ গৰাকী নিবিদাকাৰীৰ মাজত হাহাকাৰ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১২ জুলাই ঃ** হাট বজাৰ পট্টনৰ নামত সম্প্ৰতি গোৱালপাৰা জিলা পৰিষদ অৰু মাটিয়া আঞ্চলিক পঞ্চায়তৰ মাজত তীব্ৰ সংঘাত চলিছে। ইপিনে, জিলা পৰিষদৰ অনুমোদন অবিহনেই মাটিয়া আঞ্চলিক পঞ্চায়তে আঠখনকৈ হাট বজাৰত দ্বিখণ্ডিত কৰি নিবিদা আহ্বান কৰে। কিন্তু গোৱালপাৰা জিলা পৰিষদ কৰ্তৃপক্ষই দ্বিখণ্ডিত হাট বজাৰসমূহৰ পট্টন নিদি পূৰ্বৰ মতেই পুনৰ নিবিদা আহ্বানৰ বাবে মাটিয়া আঞ্চলিক ছয় পৃষ্ঠাত চাওক

## তেজপুৰত গাঞ্জাসহ কৰায়ত্ত এজন



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ১২ জুলাই ঃ** তেজপুৰত ক্ৰমশঃ বৃদ্ধি পাইছে ড্ৰাগছ, গাঞ্জাৰ প্ৰচলন। বিশেষকৈ তেজপুৰ পূৰ্বাঞ্চলত একাংশই এনে মাৰাত্মক ব্যৱসায় ৰমৰমীয়াভাৱে চলাই আহিছে। শেহতীয়াকৈ শোণিতপুৰ তথা তেজপুৰ আৰক্ষীয়ে এনে ভালেসংখ্যক ড্ৰাগছ আৰু গাঞ্জা সৰবৰাহকাৰী আৰু ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰিছে যদিও বৰ্তমানেও একাংশই এই বেহা অব্যাহত ৰাখিছে। আজি পুৱা স্থানীয় বৰঘাট আৰক্ষীয়ে এক বিশেষ খবৰৰ ভিত্তিত ভোজখোৱা চাপৰিত মজুত কৰি ৰখা বৃহৎ পৰিমাণৰ গাঞ্জা জব্দ কৰিবলৈ সক্ষম হৈছে। আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি, ভোজখোৱা চাপৰিৰ নুৰ ইছলাম নামৰ লোকজনে দীৰ্ঘদিন ধৰি নিজ গৃহতে গোপনে পৰিমাণৰ যথেষ্ট পৰিমাণৰ গাঞ্জা মজুত কৰি ব্যৱসায় চলাই আহিছিল। আজি আৰক্ষীৰ অভিযানত নুৰৰ বাসগৃহৰ পৰা প্ৰায় সাত কিলোগ্ৰাম গাঞ্জা আৰক্ষীয়ে জব্দ কৰিবলৈ সক্ষম হয়। আনহাতে, ঘটনা সন্দৰ্ভত আৰক্ষীয়ে নুৰক কৰায়ত্ত কৰিবলৈ সক্ষম হৈছে। আৰক্ষীয়ে লোকজনৰ বিৰুদ্ধে প্ৰয়োজনীয় আইনগত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি প্ৰকাশ কৰিছে।

■ কৃষকে উত্তাল কৰিলে কলিয়াবৰ মহকুমাধিপতিৰ কাৰ্যালয়

# কলিয়াবৰত উচ্ছেদৰ বিৰুদ্ধে সংস্থাপনৰ দাবীত প্ৰতিবাদ



*গুৱাহাটীত ৰেলৱে আৰক্ষীয়ে জব্দ কৰা বৃহৎ পৰিমাণৰ বিদেশী চিগাৰেট, মঙলবাৰে।*

অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ১২ জুলাই ঃ** জনাঞ্চলক বনাঞ্চাল ঘোষণাৰ বিৰুদ্ধে কলিয়াবৰত অব্যাহত আছে প্ৰতিবাদ। হাতীমুৰা, দেওচুৰ চাঙৰ পাছত এইবাৰ প্ৰতিবাদী জনতাই আজি প্ৰতিবাদেৰে উত্তাল কৰিলে কলিয়াবৰ মহকুমাধিপতিৰ কাৰ্যালয়। 'সংৰক্ষিত বনাঞ্চলৰ প্ৰস্তাৱ প্ৰত্যাহাৰ কৰক, প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চল কেতিয়া কেনেকৈ কৰিলে তাৰ সকলো তথ্য ৰাজহুৱা কৰক, বন অধিকাৰ আইন প্ৰয়োগ কৰক, সকলো লোকক মাটিৰ পট্টা দিয়ক' আদি শ্ল'গানেৰে আজি কলিয়াবৰ মহকুমাধিপতিৰ কাৰ্যালয়ৰ চৌহদ উত্তাল কৰি তোলে প্ৰতিবাদী জনতাই। কলিয়াবৰ ৰাজহ চক্ৰৰ অন্তৰ্গত চকুৰঙা, কঠালগুৰি, লালপাহাৰ, ধন পাহাৰ, বৰজুৰি, লেংটেং, শালবাৰী, হাতীমুৰা আৰু দেউচুঁৰ গাঁও প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চলৰ পৰা সংৰক্ষিত বনাঞ্চল কৰাৰ চৰকাৰী সিদ্ধান্ত প্ৰত্যাহাৰ কৰাৰ দাবীত আজি প্ৰতিবাদী কৃষকৰ প্ৰতিবাদত উত্তাল হৈ পৰে কলিবায়ৰ মহকুমা কাৰ্যালয়। উল্লেখ্য যে এই গাঁওসমূহত বসবাস কৰা লোকসকলৰ বেছি ভাগৰে মাটিৰ ম্যাদী পট্টা মজুত আছে। আনকি বহু গাঁৱৰ মাটি চিলিং কৰাও আছে। সবাতোকৈ গুৰুত্বপূৰ্ণ কথা হৈছে এই গাঁওসমূহ কেতিয়া আৰু কেনেকৈ প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চল কৰা হ'ল বহু যুগৰ পৰা বসবাস কৰা ৰাইজ সেই সম্পৰ্কে অজ্ঞ। আনহাতে, সংৰক্ষিত বনাঞ্চলৰ বাবে যি শুনানি গ্ৰহণ কৰা হৈছিল তাত চৰকাৰী কোনো নিৰ্দেশনা দেখুওৱা হোৱা নাই আৰু কোনো সীমা নিৰ্ধাৰণ কৰাও হোৱা নাই। সেয়ে এই সমস্ত ঘটনা ষড়যন্ত্ৰমূলক বুলি ৰাইজে অভিহিত কৰিছে। প্ৰতিবাদী কাৰ্যসূচীৰ নেতৃত্ব প্ৰদান কৰা ছয় পৃষ্ঠাত চাওক

## ডিগবৈত চোৰে মুখ ঢাকিবলৈ বস্তা পিন্ধি হাত চাফাই চলালে ব্যৱসায়িক প্ৰতিষ্ঠানত

**ডিগবৈ, ১২ জুলাই ঃ** তিনিচুকীয়া জিলাৰ তৈলনগৰী ডিগবৈ চহৰৰ লগতে পাৰ্শ্বৱৰ্তী অঞ্চলত দিনক দিনে ক্ৰমান্বয়ে বৃদ্ধি পাইছে চোৰৰ সন্ত্ৰাস। চোৰৰ সন্ত্ৰাসত বিনিদ্ৰ ৰজনী কটাব লগাত পৰিছে ডিগবৈবাসী। বিশেষকৈ যোৱা কিছুমাহৰ পৰা চোৰে ডিগবৈ চহৰৰ লগতে পাৰ্শ্বৱৰ্তী অঞ্চলত লেঠাৰিকৈ হাত চাফাই অভিযান চলাই যোৱা পৰিলক্ষিত হৈছে। যোৱা নিশাও তৈলনগৰী ডিগবৈ চহৰৰ পৰা নাতিদূৰৈত অৱস্থিত বালিজানৰ এখন পাইকাৰী গেলামালৰ ব্যৱসায়িক প্ৰতিষ্ঠানত চোৰে নিজৰ বুদ্ধিমত্তাৰে এক চুৰিকাণ্ড সংঘটিত কৰে। জানিব পৰা অনুসৰি, বিমল উপাধ্যায় নামৰ ব্যৱসায়ীজনৰ পাইকাৰী গেলামাল দোকানত নিশা চোৰে লুটপাট চলাই নগদ প্ৰায় লাখ টকা লৈ উধাও হয়। স্মাৰ্ট চোৰে চুৰিকাণ্ড সংঘটিত কৰা সমগ্ৰ বিৱৰণ ব্যৱসায়িক প্ৰতিষ্ঠানখনত সংলগ্ন থকা চি চি টিভি কেমেৰাত আবদ্ধ হয়। চি চি টিভি কেমেৰাত আবদ্ধ হোৱা বিৱৰণ অনুসৰি স্মাৰ্ট চোৰজনে চি চি টিভি কেমেৰাৰ পৰা মুখমণ্ডল ঢাকিবলৈ এটা বস্তা পৰিধান কৰি, হাত দুখন আৰু চকুজুৰিৰ অংশ ফালি চুৰিকাণ্ড সংঘটিত কৰাৰ তথ্য স্পষ্টৰূপত প্ৰকাশ পাইছে। ঘটনাৰ সন্দৰ্ভত ডিগবৈ আৰক্ষীক খবৰ দিয়াত ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ ঘটনাৰ পৰ্যবেক্ষণ কৰে যদিও ছয় পৃষ্ঠাত চাওক

## অবৈধ চুলাই মদ-অসামাজিক কাৰ্যৰ বিৰুদ্ধে জামুগুৰিহাটত মহিলাৰ প্ৰতিবাদ



অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ১২ জুলাই ঃ** অবৈধ চুলাই মদৰ লগতে অসামাজিক কাৰ্যকলাপত জড়িতসকলৰ উপযুক্ত শাস্তি বিচাৰি আজি জামুগুৰিহাটৰ ৰাজপথ উত্তাল কৰি তোলে কে'বা শতাধিক মহিলাই। জামুগুৰিহাটস্থিত শ্যামলী লেখিকা সমিতি আৰু উত্তৰ জামুগুৰি লেখিকা সমিতিৰ উদ্যোগত অনুষ্ঠিত প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰে চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই। ইয়াৰ পূৰ্বে মহিলাসকলে জামুগুৰিহাটস্থিত বাপুজী ভৱনত শ্যামলী লেখিকা সমিতিৰ সভানেত্ৰী সুবৰ্ণ বৰাৰ সভাপতিত্বত প্ৰথমে এখন প্ৰতিবাদী সভা অনুষ্ঠিত হয়। সভাত অংশগ্ৰহণ কৰি চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই কয়, 'জামুগুৰিহাটৰ চুকে-কোণে চলি থকা অবৈধ মদৰ ব্যৱসায় শীঘ্ৰে বন্ধ কৰিব লাগে। কিছু উচ্ছৃংখল যুৱকে মাজে মাজে অশুভ পৰিৱেশ সৃষ্টি কৰি আহিছে। মদ আৰু ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীয়ে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিব লাগিব আৰু এই ক্ষেত্ৰত আৰক্ষীক ৰাইজে সহযোগিতা আগবঢ়াব। ছৌকিঘাটত সংঘটিত ধৰ্ষণ কাণ্ডৰ ছয় পৃষ্ঠাত চাওক

## নগাঁৱৰ বান পৰিস্থিতি দ্ৰুতভাৱে উন্নত হ'লেও ১২ খন গাঁও আজিও বানৰ কবলত

**বিশেষ সংবাদদাতা**

**নগাঁও, ১২ জুলাই ঃ** দ্বিতীয়টো বানে জুৰুলা কৰা নগাঁও জিলাৰ বান পৰিস্থিতি ক্ৰমশঃ উন্নত হৈছে। আজি আঠ-ন দিন ধৰি নগাঁও জিলাত বৰষুণ প্ৰায় নোহোৱাত বান পৰিস্থিতি দ্ৰুতভাৱে উন্নত হৈছে। এইবাৰ বানত জিলাখনত ৩৩৮খন গাঁও বানপানীৰ কবলত পৰিছিল যদিও আজিৰ দিনটোত মাত্ৰ ১২ খন গাঁওহে বানৰ কবলত আছে। এইবাৰৰ বানত জিলাখনৰ ৰহা, কামপুৰ, নগাঁও সদৰ ৰাজহ চক্ৰত বেছিকৈ ক্ষতিসাধন হৈছিল। জিলা দুৰ্যোগ প্ৰশমন বিভাগে জনোৱা তথ্য অনুসৰি, আজি কেৱল ৰহা ৰাজহ চক্ৰৰ ১২ খন গাঁও বানৰ কললত আছে। কামপুৰ আৰু নগাঁও সদৰ ৰাজহ চক্ৰৰ কোনো এখন গাঁও আজি বানৰ কবলত নাই। আজিৰ দিনটোত জিলাখনত মাত্ৰ ৭,৪৫৬ গৰাকী লোক বানত আক্ৰান্ত হৈ আছে। ইয়াৰ ভিতৰত ২০৩৯ গৰাকী শিশুও আছে। আজিৰ দিনটোত জিলাখনত ৯০৫.৩২ হেক্টৰ কৃষিভূমি পানীত বুৰ গৈ আছে। সম্প্ৰতি জিলাখনত এটাও আশ্ৰয় শিবিৰ সক্ৰিয় হৈ থকা নাই। জিলাখনৰ বান পৰিস্থিতি দ্ৰুতভাৱে উন্নত হোৱাত অধিকাংশ বানাক্ৰান্ত ঘৰলৈ উভতি গৈছে। অৱশ্যে একাংশ বানাক্ৰান্তৰ ঘৰ-দুৱাৰ ভাঙি তচনচ কৰাৰ লগতে ঘৰৰ মজিয়া বোকা আৰু পলসময় হৈ থকাৰ বাবে তেনে বানাক্ৰান্ত ঘৰলৈ ছয় পৃষ্ঠাত চাওক

## হোজাইৰ বিশেষভাৱে সক্ষম প্ৰিয়া দাসে পালে মুখ্যমন্ত্ৰীৰ এককালীন সাহায্যৰ চেক

**কথা মতেই কাম ঃ মুখ্যমন্ত্ৰীক ধন্যবাদ**

অগ্ৰদূত বাৰ্তা

**হোজাই ১২ জুলাই ঃ** 'ৰাজনীতিৰ লোকে প্ৰতিশ্ৰুতি দি পাহৰি যায় কিন্তু ড° হিমন্ত বিশ্ব শৰ্মা তেনে লোক নহয় তেওঁ কথা দি কথা ৰাখে।' এই চৰ্চা আজি হোজাইৰ গ্ৰামাঞ্চলত সৰ্বত্ৰে। কাৰণ কালি হোজাইত বানাক্ৰান্তৰ খবৰ লোৱাৰ বাবে হোজাইত উপস্থিত হৈ বিশেষভাৱে সক্ষম এগৰাকী যুৱতীক লগ পাই দিয়া প্ৰতিশ্ৰুতি আজি মুখ্যমন্ত্ৰী ড° শৰ্মাই এককালীন সাহায্য প্ৰদানেৰে পূৰণ কৰিলে। কালি মুখ্যমন্ত্ৰী ড° শৰ্মাই হোজাইৰ চাৰিটা বানাক্ৰান্ত অঞ্চল পৰিদৰ্শন কৰিছিল। তেওঁ বানাক্ৰান্ত দক্ষিণ কেন্দুগুৰিৰ পৰা উভতি যোৱাৰ পথত মুখ্যমন্ত্ৰীয়ে নভঙা অঞ্চলত উপস্থিত হৈ নভঙা হাইলেগু পৰিদৰ্শন কৰে। সেই সময়ত পূব নভঙাৰ প্ৰিয়া দাস নামৰ এগৰাকী বিশেষভাৱে সক্ষম দৰিদ্ৰ যুৱতীয়ে মুখ্যমন্ত্ৰীক লগ কৰি অৰুণোদয় আঁচনি নোপোৱা, আৰ্থিক অনাটন আদিৰ কথা কৈ নিজৰ দুখ প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে তেওঁৰ সমস্ত কথা শুনাৰ পাছত তেওঁক সাহায্যৰ আশ্বাস দিয়াৰ লগতে তেওঁৰ ফোন নম্বৰ দি আজি আবেলি ফোন কৰিবলৈ কয়। কিন্তু বিশেষভাৱে সক্ষম প্ৰিয়াই মুখ্যমন্ত্ৰীলৈ ফোন কৰাৰ আগতেই আজি দিনৰ ভাগত মুখ্যমন্ত্ৰী ছয় পৃষ্ঠাত চাওক

## লাচন শিঙিমাৰী-লাচন বালিগাঁও সংযোগী পথৰ দুৰৱস্থা

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ১২ জুলাই ঃ** লাচন শিঙিমাৰী আৰু লাচন বালিগাঁও সংযোগী পথৰ কদৰ্যময় পৰিৱেশে অতিষ্ঠ কৰিছে জনতাক। এজাক বৰষুণ দিলেই পুখুৰীসদৃশ গাঁত হৈ পৰে লাচন শিঙিমাৰী মথাউৰিৰ পৰা আৰু লাচন বালিগাঁও সংযোগী পথৰ। নিত্য নৈমিত্তিকভাৱে দুৰ্ঘটনা সংঘটিত হৈ আছে যদিও কাণসাৰ নাই বিভাগীয় কৰ্তৃপক্ষৰ। পৰিতাপৰ কথা মাত্ৰ এমাহপূৰ্বে পথ নিৰ্মাণৰ কাৰ্য সম্পন্ন হৈছিল যদিও সাধাৰণ এজাক ছয় পৃষ্ঠাত চাওক

## ঘগ্ৰাপাৰৰ ভিঠামহলৰ কলীয়া গোসাঁই থান সংযোগী পথৰ জৰাজীৰ্ণ ৰূপ



**শীঘ্ৰে পথছোৱা নিৰ্মাণৰ দাবী-আছু'ৰ**

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ১২ জুলাইঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰস্থিত বড়িগোগ বনভাগ উন্নয়নৰ খণ্ডৰ অন্তৰ্গত ১৬ নম্বৰ খাতিকুছি গাঁও পঞ্চায়তৰ অঞ্চলকাধীন ভিঠামহল অঞ্চল ১০০ বছৰ গৰকা ঐতিহ্যমণ্ডিত কলীয়া গোসাঁইৰ থানা সংযোগী পথ বছৰ বছৰ ধৰি পঞ্চায়তৰ আওতাত নপৰাত ৰাইজ আৰু দল-সংগঠন ক্ষোভিত হৈ পৰিছে। দীৰ্ঘ বছৰ ধৰি বিধ্বস্ত পথছোৱা জনপ্ৰতিনিধিৰ চকুত নপৰাত ভক্তপ্ৰাণ ৰাইজ, কৃষক সমাজে জ্বলাকলা খাই আহিছে বুলি ছয় পৃষ্ঠাত চাওক

## পশ্চিম কলিয়াবৰ উন্নয়ন খণ্ডৰ চুলুং মাছ বজাৰগৃহ নিৰ্মাণত দুৰ্নীতিৰ অভিযোগ

■ একেটা কামকে ৰূপায়ণ কৰিলে দুটাকৈ চৰকাৰী বিভাগে



অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ,** ১২ জুলাই ঃ দুৰ্নীতিৰ বিৰুদ্ধে সততে শূন্য সহনশীলতাৰ কথা কোৱা এইখন চৰকাৰৰ কাৰ্যকালতে খোদ স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তৰ গৃহ সমষ্টিতে সম্প্ৰতি পোহৰলৈ অহা দুৰ্নীতিৰ ন ন কথাই ৰাইজক স্তম্ভিত কৰি তোলা পৰিলক্ষিত হৈছে। নগাঁও জিলাৰ পশ্চিম কলিয়াবৰ উন্নয়ন খণ্ডত সংঘটিত হৈছে ব্যাপক দুৰ্নীতি আৰু অনিয়মৰ অভিযোগ। আশ্চৰ্যকৰ কথা যে একেটা স্থানতে একেটা কামকে দুটাকৈ চৰকাৰী বিভাগে ৰূপায়ণ কৰা কথাই বৰ্তমান সময়ত ব্যাপক চৰ্চা লাভ কৰিছে। প্ৰাপ্ত তথ্য ছয় পৃষ্ঠাত চাওক

## নলবাৰীত দুৰ্ঘটনাত মাতৃৰ মৃত্যু, পুত্ৰ আহত

### নতুন মটৰ চাইকেল কিনি ওভতা নহ'ল ঘৰলৈ

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ১২ জুলাই ঃ** নলবাৰী জিলাৰ সোনামতি চক্ৰৰ পাৰ্শ্বৱৰ্তী সাহপুৰত আজি সংঘটিত পথ দুৰ্ঘটনাত এগৰাকী মহিলাৰ থিতাতে মৃত্যু হয়। মৃত মহিলাগৰাকী বিষ্ণুপুৰৰ দীপিকা কলিতা (৪৮) বুলি চিনাক্ত কৰা হৈছে। উল্লেখ্য যে দুৰ্ঘটনাটোত মহিলাগৰাকীৰ পুত্ৰ কংকন কলিতাও (২২) গুৰুতৰভাৱে আহত হয়। তথ্য মতে মাতৃ-পুত্ৰই আজি এখন নতুন মটৰ চাইকেল কিনি ঘৰলৈ ওভতাৰ পথত সাহপুৰত নিয়ন্ত্ৰণ হেৰুৱাই পথৰ দাঁতিত থকা দ খাৱৈত পৰি দুৰ্ঘটনাত পতিত হয়। পানীত পৰি থিতাতে মাতৃ দিপীকা কলিতাৰ মৃত্যু হয়। আনহাতে, পুত্ৰ কংকন কলিতাক নলবাৰী ছহিদ মুকুন্দ কাকতি অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও উন্নত চিকিৎসাৰ বাবে তৎক্ষণাত জি এম চি হাস্পতাললৈ প্ৰেৰণ কৰা হয়। ঘটনাটোৱে সমগ্ৰ অঞ্চলটোতে শোকৰ ছাঁ পেলায়।

## মুছলপুৰত প্ৰধানমন্ত্ৰী আৱাস যোজনা আঁচনিত অনিয়ম

■ ঘৰ আবণ্টনৰ নামত সাত হেজাৰকৈ সংগ্ৰহ ■ ভিচিডিচিৰ কৰ্মকৰ্তাৰ কাণ্ডত ক্ষোভিত হিতাধিকাৰী



অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ১২ জুলাই ঃ** পৰিৱৰ্তনৰ শ্ল'গানেৰে প্ৰমোদ বড়ো হ'ল বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ আৰ্হিত বড়োৰ মুখতো দুৰ্নীতিৰ ক্ষেত্ৰত শূন্য সহনশীলতাৰ নীতি। দুৰ্নীতি কৰিলেই জেলৰ ভাত খাব লাগিব। পিছে শূন্য সহনশীলতাৰ নীতিক কেৰেপ নকৰে একাংশ ভিচিডিচিৰ অধ্যক্ষ আৰু সদস্যই। জালাহ উন্নয়ন খণ্ডৰ ভোটেপোৱাবৰীত প্ৰধানমন্ত্ৰীৰ আৱাস গৃহ নিৰ্মাণত শিলবাৰী ভিচিডিচিৰ অধ্যক্ষ আৰু সদস্যই ব্যাপক দুৰ্নীতিত লিপ্ত হোৱাৰ পাছত শেহতীয়াভাৱে মুছলপুৰৰ দিহিৰা পৰিষদীয় ছয় পৃষ্ঠাত চাওক

## দেৰগাঁৱত ৬০ বছৰীয়া লোকৰ কামনাৰ বলি

**দেৰগাঁও, ১২ জুলাই ঃ** দেৰগাঁৱৰ কাষৰীয়া কৰুণাটিং চাহ বাগিচাত সংঘটিত হয় এক ভয়াৱহ ঘটনা। এগৰাকী কিশোৰীক ভয়-ভাবুকিৰে জাকিৰ হুছেইন নামৰ লোকজনে ধৰ্ষণ কৰাৰ অভিযোগ। ঘৰত কোনো নথকাৰ সুযোগ গ্ৰহণ কৰি ভয়-ভাবুকি প্ৰদান কৰি পাঁচমাহৰ পূৰ্বে ধৰ্ষণ কৰে যুৱতীগৰাকীক। যুৱতীগৰাকী পাঁচমাহৰ অন্তঃসত্তা হোৱাত ওলাই পৰে সকলো। ইতিমধ্যে ভুক্তভোগীৰ পৰিয়ালৰ এজাহাৰৰ ভিত্তিত দেৰগাঁও আৰক্ষীয়ে নিশাই আটক কৰে অভিযুক্ত জাকিৰ হুছেইনক। ইতিমধ্যে অভিযুক্ত লোকজনক ভাৰতীয় দণ্ড বিধি আইনৰ গোচৰ নম্বৰ ১০৬/২০২২/ ৩৭৬ ধাৰাত গ্ৰেপ্তাৰ কৰি গোলাঘাট জেললৈ প্ৰেৰণ কৰিছে দেৰগাঁও আৰক্ষীয়ে। আনহাতে, এই সমগ্ৰ ঘটনা অস্বীকাৰ কৰিছে অভিযুক্ত জাকিৰ হুছেইন।

## ৰাজধানী সম্প্ৰসাৰণ নীতিৰ প্ৰতিবাদত ১৯ জুলাইত সোণাপুৰত ঘাইপথ অৱৰোধ কাৰ্যসূচী

অগ্ৰদূত বাৰ্তা

**সোণাপুৰ, ১২ জুলাই ঃ** অসম ৰাজ্যিক ৰাজধানী ক্ষেত্ৰ উন্নয়ণ প্ৰাধিকৰণ আইন তথা ৰাজ্যৰ ৰাজধানী জাগীৰোডলৈ সম্প্ৰসাৰণ কৰাৰ চৰকাৰী সিদ্ধান্তৰ বিৰুদ্ধে আজি ডিমৰীয়া জিলা জনজাতি সংঘই সংঘৰ কাৰ্যালয়ত এখনি নাগৰিক সভা অনুষ্ঠিত কৰে। সংঘৰ সভাপতি ৰত্নেশ্বৰ ৰাংহাঙৰ পৌৰাহিত্যত অনুষ্ঠিত সভাত সদৌ অসম জনজাতি সংঘৰ সম্পাদক বিমল আমচি, জনজাতীয় নেতা মুকুণ্ড বে, সদৌ তিৱা ছাত্ৰ সন্থা, কামৰূপ জিলাৰ সভাপতি ধনেশ্বৰ দলৈ, বিদ্যাধৰ দৈমাৰী, নবীন চন ক্ৰ, কুলেন বড়ো প্ৰমুখ্যে সচেতন লোকসকলে ৰাজধানী সম্প্ৰসাৰণে জনজাতীয় ৰাইজৰ জীৱন-জীৱিকাত বিৰূপ প্ৰভাৱ পেলোৱাৰ লগতে ইয়ে জনজাতীয় ৰাইজৰ ভূমি অধিকাৰ কাঢ়ি নিব বুলি মন্তব্য কৰে। তদুপৰি ৰাজধানী সম্প্ৰসাৰণৰ ফলত জনজাতীয় বেল্ট-ব্লকসমূহৰ অস্তিত্বকে বিপন্ন কৰিব ছয় পৃষ্ঠাত চাওক

## ৰূপহীহাটৰ একে পৰিয়ালৰ দুই বোৱাৰী নিৰুদ্দেশ

অগ্ৰদূত বাৰ্তা

**ৰূপহীহাট, ১২ জুলাই ঃ** ৰূপহীহাট আৰক্ষী থানাৰ অন্তৰ্গত লাইলুৰীত সংঘটিত হৈছে চাঞ্চল্যকৰ ঘটনা। একেটা পৰিয়ালৰ দুগৰাকী মহিলা নিৰুদ্দেশ হৈছে। ফুৰিবলৈ ওলাই গৈ উভতি নাহিল দুগৰাকী বোৱাৰী। একে ঘৰৰে খুড়া আৰু ভতিজাকৰ দুই বোৱাৰী আলহীৰ ঘৰত ফুৰিবলৈ গৈ চাৰিদিন ধৰি সন্ধানহীন হৈ আছে। ৰহস্যজনকভাৱে নিৰুদ্দেশ হোৱা ঘটনাই পৰিয়ালৰ মাজত বিৰূপ প্ৰভাৱ পৰিছে। যোৱা সাত জুলাইত ঘৰৰ পৰা ওলাই গৈছিল দুয়োগৰাকী বোৱাৰী। বিচাৰ-খোচাৰ কৰিও সন্ধান উলিয়াব পৰা নাই পৰিয়ালৰ লোকে। সন্ধানহীন দুই বোৱাৰীৰ নাম ক্ৰমে জোনমানি বেগম অৰু আগফিদা বেগম। ঘটনা সন্দৰ্ভত আমবাগান অৰক্ষী চকীত এজাহাৰ দাখিল কৰিছে পৰিয়ালৰ লোকে।

## খুমটাইৰ বগৰিয়নি আদৰ্শ গাঁৱত ধনশিৰি নদীৰ তীব্ৰ খহনীয়া

■ প্ৰতিৰোধৰ দাবী স্থানীয় ৰাইজৰ



**খুমটাই, ১২ জুলাই ঃ** গোলাঘাট জিলাৰ খুমটাই ৰাজহ চক্ৰৰ অন্তৰ্গত বগৰিয়নি আদৰ্শ গাঁৱত ধনশিৰি নদীৰ খহনীয়াই কাল ৰূপ ধাৰণ কৰিছে। খুমটাই গাঁও পঞ্চায়তৰ অন্তৰ্গত এই গাঁওখনৰ নদীখনৰ খহনীয়াত শ শ বিঘা কৃষিভূমি, ঘৰ-বাৰী আদি জাহ গৈছে। নদীখনৰ খহনীয়াৰ কবলত পৰি ভূমিহীন হৈ পৰিছে কে'বাটাও দৰিদ্ৰ পৰিয়াল। ভূমিহীন হৈ পৰা ৩০ টাৰো অধিক পৰিয়ালে আনৰ ভূমি লিজত লৈ অস্থায়ীভাৱে ঘৰ সাজি বসবাস কৰিব লগা পৰিস্থিতি সৃষ্টি হৈছে। উল্লেখ্য যে অগপৰ চৰকাৰৰ দিনতে বগৰিয়নি গাঁওখন আদৰ্শ গাঁও হিচাপে ঘোষণা কৰিছিল যদিও আজি পৰ্যন্ত গাঁওখনৰ খহনীয়া আৰু বানপানী সমস্যা সমাধান নহ'ল। গাঁওখনৰ ছয় পৃষ্ঠাত চাওক

## উত্তৰ গুৱাহাটী সাংবাদিক সন্থাৰ 'কলম'ৰ উন্মোচন

**বলিউদৰ অভিনেতা আশীষ বিদ্যাৰ্থী প্ৰবীণ কণ্ঠশিল্পী সুধী নাথক সম্বৰ্ধনা**

অগ্ৰদূত বাৰ্তা

**উত্তৰ গুৱাহাটী, ১২ জুলাই ঃ** 'বাতৰি সংগ্ৰহৰ মাজতো সাহিত্য সৃষ্টি কৰ্মত সাংবাদিকসকল জড়িত থকাটো অতি প্ৰশংসনীয় কাম। উত্তৰ গুৱাহাটী সাংবাদিক সন্থাই বাতৰি সংগ্ৰহৰ সমান্তৰালভাৱে এখন সাহিত্য-সংস্কৃতিমূলক আলোচনী প্ৰকাশ কৰি অহাটো অতি আদৰণীয় কাম।' লগতে ৰাজ্যৰ প্ৰচাৰবিমুখ একাংশ শিল্পীক ৰাইজৰ মাজত প্ৰতিষ্ঠা কৰাৰ বাবে উত্তৰ গুৱাহাটী সাংবাদিক সন্থাই লোৱা পদক্ষেপ শলাবলগীয়া।' এই মন্তব্য বলিউদৰ যশস্বী অভিনেতা আশীষ বিদ্যাৰ্থীৰ। উল্লেখ্য যে গুৱাহাটী আৰু ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ প্ৰবীণ কণ্ঠশিল্পী, শিল্পী পেঞ্চনাৰ, সংগীত সাধক, সমাজ গৌৰৱ, কলাৰত্ন উপাধিৰে সন্মানিত আজীৱন শিল্পী সুধী নাথক আজি উত্তৰ গুৱাহাটীত বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। উত্তৰ গুৱাহাটী সাংবাদিক সন্থাৰ উদ্যোগত উত্তৰ গুৱাহাটী অভয়পুৰৰ 'কামৰূপা সংগীত মহাবিদ্যালয়' প্ৰাংগণত আয়োজিত এক অনুষ্ঠানত শিল্পীজনক এখন ফুলাম গামোচা, এখন শৰাই আৰু এখন প্ৰশস্তি পত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনা অনুষ্ঠানত অংশ লৈ অভিনেতা বিদ্যাৰ্থীয়ে উত্তৰ গুৱাহাটী সাংবাদিক সন্থাৰ হৈ শিল্পী সুধী নাথক সম্বৰ্ধনা জনাই তেওঁৰ দীৰ্ঘায়ু কামনা কৰে। তাৰকা শিল্পীজনক সংগ দিয়ে ৰাজ্যৰ বিশিষ্ট অভিনেতা, নাট পৰিচালক অনুপম হাজৰিকাই। ইফালে, উক্ত অনুষ্ঠানতে উত্তৰ গুৱাহাটী সাংবাদিক সন্থাৰ দ্বাৰা প্ৰকাশিত সাহিত্য-কলা-সংস্কৃতিমূলক আলোচনী 'কলম'ৰ চতুৰ্থ বছৰ তৃতীয় সংখ্যাটো উন্মোচন কৰা হয়। সাংবাদিক ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

গুৱাহাটী বুধবাৰ ২৮ আহাৰ ১৪২৯ ভাস্কৰাব্দ ১৩ জুলাই ২০২২



# চীনক চেৰ পেলাব

ৰাষ্ট্ৰসংঘৰ শেহতীয়া প্ৰতিবেদনত প্ৰকাশ কৰা হৈছে যে অহা বছৰত ভাৰতবৰ্ষৰ জনসংখ্যাই চীনৰ জনসংখ্যাক চেৰ পেলাই বিশ্বৰ সৰ্বাধিক জনসংখ্যাৰ দেশত পৰিণত হ'ব। প্ৰতিবেদনত আৰু কোৱা হৈছে যে অহা নৱেম্বৰৰ মাজ ভাগত বিশ্বৰ মুঠ জনসংখ্যা আঠশ কোটি হ'বগৈ।

ৰাষ্ট্ৰসংঘৰ অৰ্থনৈতিক আৰু সামাজিক পৰিক্ৰমা বিভাগৰ জনসংখ্যা উপবিভাগে প্ৰকাশ কৰা এই প্ৰতিবেদনত কোৱা হৈছে যে অহা ১৫ নৱেম্বৰত বিশ্বৰ জনসংখ্যাই আঠশ কোটিৰ দেওনা পাৰ কৰিব। তথাপি ১৯৫০ৰ পাছত বিশ্বৰ জনসংখ্যা বৃদ্ধিৰ হাৰ যথেষ্ট হ্ৰাস পাইছে। যোৱা ২০২০ত বিশ্বৰ জনসংখ্যা বৃদ্ধিৰ হাৰ আছিল এক শতাংশ। বিশ্বৰ জনসংখ্যা ২০৩০ত ৮৫০ কোটি হ'ব পাৰে আৰু ২০৫০লৈ জনসংখ্যা বৃদ্ধি পাই ৯৭০ কোটিলৈ যাব পাৰে। আনহাতে, ২০৮০ৰ ভিতৰত ১০৪০ কোটিলৈ বৃদ্ধি পাব যদিও ২১০০লৈ বিশ্ব জনসংখ্যাৰ হাৰ একেই থাকিব পাৰে। প্ৰতি বছৰে ১১ জুলাইত বিশ্ব জনসংখ্যা দিৱস পালন কৰা হয়। বিশ্ব জনসংখ্যা দিৱসৰ দিনাই ৰাষ্ট্ৰসংঘৰ অৰ্থনৈতিক আৰু সামাজিক পৰিক্ৰমা বিভাগে এই প্ৰতিবেদন প্ৰকাশ কৰিছে।

ৰাষ্ট্ৰসংঘৰ মহাসচিব এণ্টানিঅ' গুৰেট্ৰেছে কৈছে যে বিশ্ব জনসংখ্যা দিৱসৰ দিনা আমি আমাৰ জনগাঁথনিৰ ভিন্নতা উদ্‌যাপন কৰিব লাগিব, আমাৰ উমৈহতীয়া মানৱতাবোধৰ স্বীকৃতি দিব লাগিব আৰু আমাৰ সমাজৰ স্বাস্থ্যসেৱা খণ্ডৰ বিৰাট উন্নয়নকো মনত পেলাব লাগিব। স্বাস্থ্যসেৱাৰ এই উন্নয়নৰ বাবেই মানুহৰ আয়ুস বহু পৰিমাণে বৃদ্ধি পাইছে তথা মাতৃ আৰু শিশুৰ মৃত্যুৰ হাৰ সাংঘাতিকভাৱে কমি গৈ আছে।

জনসংখ্যা বৃদ্ধিৰ বাবে হোৱা সমস্যাবোৰো সমাধানৰ বাবে বিশ্বৰ বিভিন্ন দেশৰ চৰকাৰে প্ৰচেষ্টা চলাব লাগিব। বৰ্দ্ধিত জনসংখ্যাই যাতে বিশ্ব তথা বিশ্বৰ পৰিৱেশলৈ ভাবুকি কঢ়িয়াই আনিব নোৱাৰে তাকো মানৱ জাতিয়েই চাব লাগিব। বিশ্বৰ পৰিৱেশৰ ওপৰত পৰা চাপে জলবায়ুৰ যি পৰিৱৰ্তন ঘটাইছে সেই পৰিৱৰ্তনে বিশ্বৰ বিভিন্ন প্ৰান্তত অভাৱনীয় দুৰ্যোগৰ সৃষ্টি কৰিছে। বিশ্বৰ বিভিন্ন দেশে জলবায়ুৰ পৰিৱৰ্তন ৰোধৰ বাবে এলানি আলোচনা চলালেও জলবায়ুৰ পৰিৱৰ্তন ৰোধৰ ক্ষেত্ৰত বহুতেই সহযোগিতা আগবঢ়োৱা নাই। এনে পৰিস্থিতিত এতিয়া হাতত যথেষ্ট সময় নাই। অহা কেইবছৰমানৰ ভিতৰত জলবায়ুৰ পৰিৱৰ্তন ৰোধ কৰিব নোৱাৰিলে এই পৃথিৱীলৈ গভীৰ ভাবুকি নামি আহিব। বিশ্ব জনসংখ্যা দিৱসত ৰাষ্ট্ৰসংঘই প্ৰকাশ কৰা জনসংখ্যা প্ৰতিবেদনত কোৱা হৈছে যে ২০২২ত বিশ্বৰ আটাইতকৈ অধিক জনসংখ্যাৰ অঞ্চল আছিল পূব আৰু দক্ষিণ-পূব এছিয়া। এই জনসংখ্যা বিশ্বৰ মুঠ জনসংখ্যাৰ ২৬ শতাংশ। চীন আৰু ভাৰতৰ জনসংখ্যা উভয়ৰে ১৪০ কোটিতকৈ অধিক হৈছে ২০২২ত। অহা ২০৫০ৰ ভিতৰত যিমানখিনি জনসংখ্যা বৃদ্ধি হ'ব সেইখিনি মূলতঃ আঠখন দেশত সীমাবদ্ধ থাকিব বুলি কোৱা হৈছে। কংগো, ইজিপ্ত, ইথিওপিয়া, ভাৰত, নাইজেৰিয়া, পাকিস্তান, ফিলিপাইন্স আৰু টাঞ্জানিয়া— এই কেইখন দেশত অধিক জনসংখ্যা বৃদ্ধি পাব বুলি অনুমান কৰা হৈছে।

বৰ্তমান ভাৰতৰ জনসংখ্যা হৈছে ১৪১.২ কোটি আৰু চীনৰ জনসংখ্যা ১৪২.৬ কোটি। অহা ২০৫০ৰ ভিতৰত ভাৰতৰ জনসংখ্যা বৃদ্ধি পাই হ'বগৈ ১৬৬.৮ কোটি আৰু তেতিয়া চীনৰ জনসংখ্যা হ'বগৈ ১৩১.৭ কোটি। ২০১৯ৰ হিচাপত বিশ্বত মানুহৰ গড় আয়ুস ৭২.৮ বছৰ। অহা ২০৫০ৰ ভিতৰত মৃত্যুৰ হাৰ হ্ৰাস পাব আৰু মানুহৰ গড় আয়ুস ৭৭.২ বছৰ হ'বগৈ। সি যি কি নহওক, জনসংখ্যা সংক্ৰান্ত এই পৰিসংখ্যাবোৰৰ ভিত্তিত সংশ্লিষ্ট চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰা উচিত।

## খোলা মঞ্চ

# অৰ্ধ-শতাব্দী অতিক্ৰম কৰা 'অগ্ৰদূত' সম্পৰ্কে আপোনাৰ ধাৰণা



**কাকত** এখন জীয়াই থাকিবলৈ হ'লে পাঠকসমাজে কাকতখন গ্ৰহণ কৰিব লাগিব আৰু কাকতখনত থাকিব লাগিব পাঠকসমাজে গ্ৰহণ কৰিব পৰা খা-খবৰৰ লগতে অন্যান্য গুণ। মোৰ চকুৰ সন্মুখতে অসমৰ পৰা বহুকেইখন বাতৰি কাকত প্ৰকাশ হোৱা আৰু সময়ৰ লগত ফেৰ মাৰিব নোৱাৰি মৃত্যুমুখত পৰিল । আচলতে আমাৰ অসমৰ দৰে ৰাজ্য এখনত বাতৰি কাকত এখন প্ৰকাশ কৰি ধাৰাবাহিকভাৱে চলাই নিয়াটো সহজ কাম নহয়; কিন্তু ইমান টান কাম এটা কৰি দেখুৱালে কনকসেন ডেকাই। কাকতখনে আজি অৰ্ধ-শতাব্দী অতিক্ৰম কৰিলে। মোৰ জন্মৰ আগতেই এইখন কাকতৰ জন্ম। কাকতখন জন্মৰ সময়ত অসমত মোৰ বোধেৰে বাতৰি কাকত পঢ়া পাঠকৰ সংখ্যা তাকৰ আছিল আৰু সেই সময়ত কনকসেন ডেকাই যি সাহসেৰে আজিৰ পৰ্যায়ত আহিছে সেয়া কিন্তু কম সাহসী কাম নাছিল। সেই সময়ত কোনেও ভবা নাছিল যে কাকত এখন চলাই জীৱিকা নিৰ্বাহ কৰিব পাৰিব। ভটিয়নী নাৱত নাওখন মেলি দিয়াৰ দৰে কনকসেন ডেকাই সেই

**আব্দুল হালিম আহমেদ,** *লেখক*


সাহসেই দেখুৱাই দিলে। মই এই কাকতখন পঢ়িবলৈ আৰম্ভ কৰো ২০০৫ৰ পৰা আৰু তেতিয়াৰ পৰা কাকতখনৰ প্ৰতি মোৰ এনেকুৱা এটা লোভ লাগি গ'ল যে ৰাতিপুৱাৰ চাহকাপ হজম নহয় যদিহে অগ্ৰদূত কাকতখন নপঢ়ো। কাকতখনৰ ওপৰৰ ৰংটো আঁতৰৰ পৰাই চাই ক'ব পাৰো সেয়া মোৰ বাবে অতি আদৰৰ 'অগ্ৰদূত'। মই আজি অত বছৰে কাকতখন পঢ়ি যি অনুভৱ কৰিছো কাকতখনত কোনো ধৰণৰ অতিৰঞ্জিত বাতৰি প্ৰকাশ নকৰে আৰু নকৰে কোনো ধৰণৰ সাম্প্ৰদায়িক বাতৰি। মই বহুতবাৰ অন্যান্য কাকত পঢ়ি চাইছো কিন্তু অগ্ৰদূত কাকতখন পঢ়ি যি আমেজ পোৱা যায় সেই আমেজটো আন কাকতত পোৱা নাযায়। এইখন কাকতে সত্য কথা প্ৰকাশ কৰিবলৈ ভয় নকৰে। বাতৰি সদায় বাতৰি বুলি আগস্থান দি বাতৰি প্ৰকাশ কৰি আহিছে। এইখন বাতৰি কাকতে বহুতো লেখকৰ সৃষ্টি কৰিছে আৰু তেওঁলোকক লিখাৰ বাবে উৎসাহ যোগাইছে। যাৰ বাবে এইখন কাকতত লিখি বহুতেই লেখক বুলি উপাধি পাইছে । মই যি দেখিছো গাঁৱৰ অতি ভিতৰুৱা অঞ্চলৰ মানুহৰো সুখ-দুখৰ সমভাগী এইখন কাকত। সম্পাদকীয় পৃষ্ঠাৰ কলম সদায় বলিষ্ঠ। সম্পাদকীয় পৃষ্ঠাৰ কলমে কাকতখনৰ বিষয়ে বহুত কথাই কয়। সত্য-নিষ্ঠা আৰু বাস্তৱ এয়াই যেন কাকতখনৰ ধৰ্ম। কাকতখনৰ সকলো পৃষ্ঠাৰ সম্পাদনা বিভাগটো সঁচাকৈ অতুলনীয়। যাৰ বাবে কাকতখনে এই দীঘলীয়া জীৱন অতিক্ৰম কৰিব পাৰিছে। আশা কৰো এই কাকতখনে অনন্তকাল জীয়াই থাকি ৰাইজৰ বাবে যুঁজ দি সমাজ আৰু জাতিটোৰ বাবে কাম কৰি যাব। কাৰণ বাতৰি কাকত এখন হয় ৰাইজৰ দাপোণ। যি দাপোণত প্ৰতিফলিত হয় ৰাইজৰ বতৰা আৰু দেশৰ বতৰা। দাপোণত যেনেকৈ নিজৰ চেহেৰাটো চাব পাৰি ঠিক তেনেকৈ বাতৰি কাকতত দেশ তথা ৰাইজক চাব পাৰি আৰু সেইটো সাহসেৰে কনকসেন ডেকাই কাকতখন চলাই ৰাইজক সেৱা কৰি আছে। অদূৰ ভৱিষ্যতে এনেকৈ জীয়াই ৰাখিব বুলি আশা ৰাখিলো ।

*ফোন ঃ ৮৬৩৮৯৪৬৬৪৮*

# খিলঞ্জীয়াৰ সংজ্ঞা অধিকাৰ ইত্যাদি

# বিভাজনেৰে শাসন কৰা ইংৰাজৰ নীতি অব্যাহত





**নিউজ স্কেন**

**গীতাৰ্থ পাঠক**

আমি সদায়েই ভাগ ভাগ কৰি শাসন কৰা অথবা ডিভাইড এণ্ড ৰুল নীতি পৰাধীন ভাৰতবৰ্ষত ব্ৰিটিছে অৱলম্বন কৰা বুলি কও। এতিয়া আমি দেখিবলৈ পাইছো আমাৰ দেশী শাসকসকলে ব্ৰিটিছকো চেৰ পেলাই বিভিন্ন জনগোষ্ঠীৰ মাজত তথা সমাজৰ বিভিন্ন বৰ্গৰ মাজত বিভাজনৰ সৃষ্টি কৰি শাসনত বৰ্তি থকাৰ নীতি অৱলম্বন কৰিছে।

অসম আন্দোলনৰ সামৰণিত স্বাক্ষৰিত হোৱা অসম চুক্তিৰ ছয় নম্বৰ ধাৰাটো য'ত খিলঞ্জীয়াৰ সাংবিধানিক ৰক্ষাকবচৰ কথা কোৱা হৈছে, সেই সম্পৰ্কে যোৱা কেইবছৰমান ধৰি চৰ্চা চলি আছে। খিলঞ্জীয়াৰ সংজ্ঞা নিৰূপণৰ বাবে চৰকাৰে কমিটীও গঠন কৰি দিছিল; কিন্তু খিলঞ্জীয়াৰ গ্ৰহণযোগ্য সংজ্ঞা আজিকোপতি নিৰ্ধাৰিত নহ'ল। হঠাৎ এতিয়া খিলঞ্জীয়াৰ সংজ্ঞা নিৰ্ধাৰিত নোহোৱাকৈয়ে অসমৰ পাঁচটা মুছলমান সম্প্ৰদায়ক খিলঞ্জীয়া বুলি ঘোষণা কৰি তেওঁলোকৰ বাবে কেতবোৰ সুৰক্ষাৰ ব্যৱস্থা কৰিছে অসম চৰকাৰে। অসম চুক্তিৰ ছয় নম্বৰ দফাটো কাৰ্যকৰী কৰিব নোৱাৰিলে ৰাজ্য চৰকাৰে খিলঞ্জীয়াৰ সংজ্ঞা নিৰ্ধাৰণ নোহোৱাৰ অজুহাতত। অসমৰ থলুৱা লোকসকলক চৰকাৰে সাংবিধানিক সুৰক্ষা দিব নোৱাৰিলেও অসমৰ পাঁচটা মুছলমান সম্প্ৰদায়ক খিলঞ্জীয়া বুলি ঘোষণা কৰি তেওঁলোকলৈ কেতবোৰ সুৰক্ষা আগবঢ়াব বিচৰা হৈছে। বহুতেই অভিযোগ তুলিছে যে অসমৰ মুছলমান সমাজখনক ভাগ ভাগ কৰাৰ এয়া বিজেপি চৰকাৰৰ প্ৰয়াস। আনহাতে, খিলঞ্জীয়াৰ মোহৰ পাই উল্লসিত হোৱা কেতবোৰ থলুৱা মুছলমান লোকসকলৰ সংগঠনে চৰকাৰৰ এই ঘোষণাক আদৰণি জনাইছে।

খিলঞ্জীয়া লোক সকলো ঠাইতেই আছে। স্থানীয় লোকসকলে তেওঁলোকৰ অঞ্চলত বিশেষাধিকাৰ সকলোতে লাভ নকৰে। অসম, মেঘালয়, ত্ৰিপুৰা আৰু মিজোৰামত কেতবোৰ জনজাতীয় লোকক সংবিধানৰ ষষ্ঠ অনুসূচিত বিশেষ সুৰক্ষা দিয়াৰ ব্যৱস্থা আছে। সংবিধানৰ ২৪৪ (২) আৰু ২৭৫ (১) ধাৰাৰ অধীনত এনে ৰক্ষাকবচৰ ব্যৱস্থা কৰা হৈছে। ভাৰতবৰ্ষৰ বাকীবোৰ ৰাজ্যত এনে বিশেষ ব্যৱস্থা বিশেষ জনজাতিৰ বাবে নাই। ভাৰতীয় সংবিধানে দিয়া মৌলিক অধিকাৰ অনুসৰি যিকোনো ভাৰতীয় লোকে দেশখনৰ যিকোনো অঞ্চলত (অনুসূচিত অঞ্চলত বাদে) বসবাস, ব্যৱসায় আদি কৰিব পাৰে। সম্পত্তিও ক্ৰয় কৰিব পাৰে। অসমৰ ষষ্ঠ অনুসূচীৰ অন্তৰ্ভুক্ত অঞ্চলবোৰত যেনে কাৰ্বি আংলং, ডিমা হাছাও, বড়োলেণ্ড আদিত অসমৰ অন্য ঠাইৰ তথাকথিত খিলঞ্জীয়া অসমীয়াই সা-সম্পত্তি, মাটি-বাৰী ক্ৰয় কৰিব নোৱাৰে। মণিপুৰৰ খিলঞ্জীয়া জাতি বুলিলে আমি মৈতেয়ী বুলি জানো। এই মৈতেয়ীসকলে কেৱল ইম্ফল তথা উপত্যকাৰ সমতলতহে মাটি-বাৰী ক্ৰয় কৰিব পাৰে। মণিপুৰৰ পাহাৰ অঞ্চলত— য'ত নাগা, কুকি আদি লোক বসবাস কৰে তাত মাটি-বাৰী ক্ৰয় কৰিব নোৱাৰে। অসম চুক্তিৰ ছয় নম্বৰ দফাত যি সাংবিধানিক ৰক্ষাকবচ খিলঞ্জীয়াসকলৰ বাবে দিয়াৰ কথা কোৱা হৈছে সেই সাংবিধানিক ৰক্ষাকবচৰ ভিতৰত সা-সম্পত্তি, সংস্কৃতি, ভাষা আদিৰ বিশেষ অধিকাৰসমূহ থাকিব যাতে থলুৱা জনসাধাৰণৰ বিশেষ সুৰক্ষা আৰু কৰ্তৃত্ব থাকে।

পিছে ডাঙৰ প্ৰশ্ন এইটোৱে যে অসমৰ খিলঞ্জীয়া লোক কোন? অসমত বিভিন্ন জনজাতীয় লোকৰ উপৰি স্থানীয় কলিতা, কায়স্থ, ব্ৰাহ্মণ, ৰাজবংশী, চাওতাল আৰু অন্যান্য আদিবাসী, নেপালী বা গোৰ্খা, বাঙালী, বিষ্ণুপ্ৰিয়া, মৈতেয়ী আদি বহু লোক আছে। তদুপৰি পূৰ্ববংগ মূলৰ বাংলাভাষী মুছলমানসকলতো আছেই। আছে থলুৱা ধৰ্মান্তৰিত আৰু যুদ্ধবন্দী মুছলমানসকলৰ বংশধৰ। অসমৰ বাংলাদেশী নাগৰিকৰ সমস্যাটোৰ আধাৰতেই অসম আন্দোলন চলিছিল ছবছৰ কাল ধৰি। পিছে এতিয়াও ৰাজ্যখনত বসবাস কৰা পূৰ্ববংগ মূলৰ লোকসকলৰ বংশধৰসকলক বাংলাদেশী বুলি কোৱা হয়। এওঁলোকৰ বহুতেই হয়তো ১০-১২টা প্ৰজন্ম ধৰি এই মাটিতেই আছে। এতিয়া অসমৰ থলুৱা মুছলমান যাক সকলোৱে অসমীয়া মুছলমান বুলি কয়— তেওঁলোকক খিলঞ্জীয়াৰ স্বীকৃতি দি অন্যান্য মুছলমানসকলক অধিক এঘৰীয়া কৰা হ'ল। অসমত থকা অসমীয়াভাষী মুছলমানসকলৰ একাংশ ১৩শ শতাব্দীতেই বখ্‌তিয়াৰ খিলজীৰ স'তে অহা মুছলমানৰ বংশধৰ। আহোমসকলতকৈও এওঁলোক আগেয়ে অসমলৈ তথা বংগলৈ অহা বুলি ক'ব পাৰি। বখ্‌তিয়াৰ খিলজীয়ে শাসন কৰা বংগৰ অন্তৰ্ভুক্ত আছিল বৰ্তমানৰ বাংলাদেশ। আনহাতে, ব্ৰিটিছৰ দিনত অসমৰ অন্তৰ্ভুক্ত আছিল শ্ৰীহট্ট বা চিলেট জিলা। ১৯৪৭ত দেশ বিভাজনৰ পাছত শ্ৰীহট্ট জিলা ভাৰতত (অসমত) থাকিব নে পূব-পাকিস্তানলৈ যাব, তাক নিৰ্ণয় কৰাৰ বাবে যি গণভোট অনুষ্ঠিত হৈছিল সেই গণভোটত পূব-পাকিস্তানৰ অন্তৰ্ভুক্ত হোৱাৰ পক্ষে ৫৬.৫৬ শতাংশ ভোটদান হৈছিল আৰু ভাৰত তথা অসমত থকাৰ পক্ষে ৪৩.৪৪ শতাংশ ভোটদান হৈছিল। গতিকে অতি কম ভোটৰ ব্যৱধানত শ্ৰীহট্ট জিলা অসম তথা ভাৰতৰ পৰা ওলাই পূব-পাকিস্তানত চামিল হৈছিল। এই গণভোটৰ ফলাফল ওলোটা হ'লে শ্ৰীহট্ট জিলা অসমতেই থাকিলহেঁতেন আৰু শ্ৰীহট্ট জিলাৰ বাংলাভাষী হিন্দু আৰু মুছলমান অসমৰ তথাকথিত থলুৱা লোকত পৰিণত হ'লহেঁতেন। বৰাক উপত্যকাৰ বাংলাভাষী (হিন্দু-মুছলমান উভয়ে) লোকসকলৰ সৰহভাগ সেই অঞ্চলৰ থলুৱা লোক। এইসকল লোকে খিলঞ্জীয়াৰ আওতাত পৰিব নে নাই?

গতিকে দেখা গৈছে যে অসমত খিলঞ্জীয়াৰ সংজ্ঞা নিৰূপণ কৰাটো ভবাতকৈ বহুগুণে কঠিন। ভাৰতৰ অন্যান্য ৰাজ্যত খিলঞ্জীয়াৰ সংজ্ঞা নিৰ্ধাৰণ কৰা হৈছে বুলি আমি নাজানো। তদুপৰি তেওঁলোকে বিশেষ সুৰক্ষা পায় নে তাকো নাজানো। প্ৰব্ৰজনৰ সমস্যাটো সকলো ৰাজ্যতেই আছে। মহাৰাষ্ট্ৰত মাৰাঠীসকলে সদায়েই বিহাৰী আৰু অন্যান্য ৰাজ্যৰ পৰা প্ৰব্ৰজিত লোকৰ বিৰুদ্ধে হুংকাৰ দিয়ে। অন্ধ্ৰপ্ৰদেশ, তেলেংগানা, তামিলনাডু, কেৰালা, উৰিষ্যা আদি সকলো ৰাজ্যতেই জাতীয়তাবাদী সংগঠন আছে আৰু সকলোৱে স্থানীয়ৰ বিশেষাধিকাৰৰ দাবী কৰে। সকলোবোৰ ৰাজ্যতেই তাৰ স্থানীয় লোকে সাংবিধানিক সুৰক্ষা বিচাৰি খিলঞ্জীয়াৰ সংজ্ঞা নিৰূপণ কৰিলে ভাৰতীয় সংবিধানত সন্নিবিষ্ট মৌলিক অধিকাৰসমূহ মাথোঁ এক অলংকাৰত পৰিণত হ'ব।

ইনাৰলাইন পাৰ্মিট ব্যৱস্থাটো আমাৰ উত্তৰ-পূবৰ অৰুণাচল প্ৰদেশ, নগালেণ্ড, মিজোৰাম, মণিপুৰ আৰু লাক্ষাদ্বীপত প্ৰচলিত হৈ আছে। ১৮৭০তেই ব্ৰিটিছে তেওঁলোকৰ ব্যৱসায়ৰ স্বাৰ্থত বেংগল ইষ্টাৰ্ণ ফ্ৰন্টিয়াৰ ৰেগুলেছন জাৰি কৰিছিল। ব্ৰিটিছে প্ৰণয়ন কৰা এই আইন অনুসৰি কেতবোৰ অঞ্চলত ব্ৰিটিছৰ বাদে ভাৰতীয় নাগৰিকৰ যাতায়াত কৰাৰ ব্যৱস্থা কৰা হৈছিল। স্বাধীনতাৰ পাছত এই অধিনিয়মত থকা ব্ৰিটিছ নাগৰিক শব্দটোৰ ঠাইত ভাৰতীয় নাগৰিক সুমুৱাই দিয়া হৈছিল। সি যি কি নহওক, সকলো ৰাজ্যৰ লোকে বিশেষাধিকাৰ পোৱাৰ যোগ্য। গতিকে সকলো ৰাজ্য চৰকাৰে যদিহে কাইলৈ সকলো ৰাজ্যতেই ইনাৰলাইন ব্যৱস্থা প্ৰচলন কৰে তেনেহ'লে ইখন ৰাজ্যৰ লোক সিখন ৰাজ্যলৈ যোৱাটোৱেই বন্ধ হৈ পৰিব, যিটো বৰ্তমান তথ্য প্ৰযুক্তি আৰু মুক্ত বাণিজ্যৰ দিনত সম্ভৱ নহয়। এই যুক্তিতেই ভাৰতবৰ্ষৰ কোনো ৰাজ্যতেই ইনাৰলাইন থকাটো বাঞ্ছনীয় নহয়। অসমৰ জনসাধাৰণৰ বাবে অৰুণাচল প্ৰদেশলৈ যাবলৈ যদিহে ইনাৰলাইন পাৰ্মিট লাগে তেনেহ'লে অৰুণাচল প্ৰদেশৰ লোককো অসমলৈ আহিবলৈ ইনাৰলাইন পাৰ্মিটৰ ব্যৱস্থা কৰাটো অযুক্তিকৰ হ'ব নোৱাৰে। ইনাৰলাইন পাৰ্মিটৰ দৰেই খিলঞ্জীয়াৰ সংজ্ঞা প্ৰৱৰ্তনৰ সমস্যা আছে।


**মানৱ সভ্যতাৰ ইতিহাস মানেই প্ৰব্ৰজনৰ ইতিহাস। পিছে থলুৱা লোক বা জনগোষ্ঠী যাতে প্ৰব্ৰজনৰ হেঁচাত নিঃশেষ হৈ নাযায় সেইটো নিশ্চিত কৰাৰ দৰকাৰ আছে। সেয়েহে চৰকাৰে বৰ্তমান কেতবোৰ বাধা নিষেধ অধিনিয়ম তথা আইন কৰিব পাৰে; কিন্তু ইতিহাসৰ চকৰি ওলোটা ফালে ঘূৰোৱাটো সম্ভৱ নহয়।**

আগতেও কে'বাটাও নিবন্ধত আমি উল্লেখ কৰিছো যে প্ৰব্ৰজন এটা সমস্যা হ'লেও মানৱ সভ্যতাৰ ইতিহাস মানেই প্ৰব্ৰজনৰ ইতিহাস। পিছে থলুৱা লোক বা জনগোষ্ঠী যাতে প্ৰব্ৰজনৰ হেঁচাত নিঃশেষ হৈ নাযায় সেইটো নিশ্চিত কৰাৰ দৰকাৰ আছে। সেয়েহে চৰকাৰে বৰ্তমান কেতবোৰ বাধা নিষেধ অধিনিয়ম তথা আইন কৰিব পাৰে; কিন্তু ইতিহাসৰ চকৰি ওলোটা ফালে ঘূৰোৱাটো সম্ভৱ নহয়। ৫০ বা এশ বছৰ আগেয়ে অহা মানুহখিনিয়ে সাত-আঠোটা প্ৰজন্ম পাৰ কৰাৰ পাছত তেওঁলোকক বহিৰাগত বা বিদেশী বুলি কৈ ক'লৈ আঁতৰাই পঠিয়াব পাৰি? নিশ্চয় নোৱাৰি। এইসকল লোকক দ্বিতীয় শ্ৰেণীৰ নাগৰিকৰ দৰে মৌলিক অধিকাৰসমূহৰ পৰা বঞ্চিতও কৰিব নোৱাৰি। অসম চুক্তি অনুসৰি বাংলাদেশ বা পূব-পাকিস্তানৰ পৰা অসমলৈ অহা লোকসকলৰ ভাৰতীয় নাগৰিকত্ব পোৱাৰ সময়-সীমা হ'ল ১৯৭১ৰ ২৫ মাৰ্চ। ১৯৭১ৰ এপ্ৰিলত বাংলাদেশৰ পৰা অসমলৈ অহা লোকসকলে ভাৰতত নাগৰিকত্ব নাপায়। পিছে যদিহে এনে কিছু লোক অসমত থাকি গৈছে তেতিয়াও তেওঁলোকৰ ইয়াত বসবাস কৰাৰ ৫০ বছৰৰো ওপৰ কাল হৈছে। এই ৫০টা বছৰত তেওঁলোকৰ কে'বাটাও প্ৰজন্ম পাৰ হৈছে। এইসকল লোক এতিয়া ক'লৈ যাব? গতিকে ৰাজনৈতিক কাৰণত বিদেশী বিতাড়ন, বাংলাদেশী খেদা কথা ক'ব পাৰি, বাস্তৱত কিন্তু একো কৰিব নোৱাৰি।

এতিয়া অসম চুক্তি, বিদেশী নিৰ্ধাৰণৰ সময়সীমা আদিৰ কোনো মূল্য নাই। কিয়নো পূব-পাকিস্তান বা বাংলাদেশৰ পৰা লোক যিমান আগেয়ে নাহিলেও তেওঁলোক এঘৰীয়া হৈ থাকিব লাগিব। সেইবাবেই অসমৰ মুছলমানসকলক দুটা ভাগত বিভক্ত কৰা হৈছে। এভাগক খিলঞ্জীয়াৰ লেবেল লগাই বিভাজিত কৰি অনা হৈছে যাতে অসমৰ পূৰ্ববংগ মূলৰ সকলো লোক অধিক বিচ্ছিন্ন হৈ পৰে। এনে ধৰণৰ বিভাজনমুখী ৰাজনীতিয়ে একাংশ ৰাজনীতিকক ক্ষমতাত থকাত হয়তো সহায় কৰিব পাৰে; কিন্তু এনে ব্যৱস্থাই অসমৰ বৃহত্তৰ সমাজখনৰ ব্যাপক ক্ষতিসাধন কৰিব।

*ফোন ঃ ৯৪৩৫০৪৮৪৮৪*

# অসমৰ শক্তি বিভাগ আৰু নৱ-নিযুক্ত মন্ত্ৰী গৰ্লোছা



**অৱলোকন**

**মিহিৰ কুমাৰ বৰুৱা**

**১৯৪৮ৰ** বিদ্যুৎ অধিনিয়মৰ অধীনত ১৯৫৮ত গঠিত হয় অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ। ১৯৭২ত মেঘালয় এখন সুকীয়া ৰাজ্য গঠন হোৱাৰ পাছত ১৯৭৫ত এই পৰিষদখন পুনৰ গঠন কৰা হয়। বৰ্তমান অসমৰ কাৰ্যক্ষম বিদ্যুৎ প্ৰকল্পসমূহ হ'ল— লাকুৱা তাপবিদ্যুৎ কেন্দ্ৰ, নামৰূপ তাপবিদ্যুৎ কেন্দ্ৰ, কাৰ্বি লাংপি তাপবিদ্যুৎ কেন্দ্ৰ, কপিলী জলবিদ্যুৎ কেন্দ্ৰ, কঠালগুৰি তাপবিদ্যুৎ কেন্দ্ৰ, বঙাইগাঁও তাপবিদ্যুৎ কেন্দ্ৰ, অইল উদ্যোগিক অঞ্চল গেছ ভিত্তিক শক্তিকেন্দ্ৰ (দুলীয়াজান), মিনট্ৰিয়াং ক্ষুদ্ৰ জলবিদ্যুৎ কেন্দ্ৰ আদি। তদুপৰি নিৰ্মীয়মান অৱস্থাত আছে— নামনি কপিলী জলবিদ্যুৎ কেন্দ্ৰ আৰু মাৰ্ঘেৰিটা তাপবিদ্যুৎ কেন্দ্ৰ। ৰাজ্যখনত বন্ধ হৈ থকা চন্দ্ৰপুৰ তাপবিদ্যুৎ কেন্দ্ৰটো সম্পৰ্কে এই প্ৰতিবেদকৰ হাতত সম্প্ৰতি কোনো তথ্য আদি নাই।

অসম চৰকাৰৰ অধীনৰ এক গুৰুত্বপূৰ্ণ বিভাগ হ'ল শক্তি বিভাগ বা অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ আৰু বৰ্তমান অসম শক্তি বিতৰণ কোম্পানী লিমিটেড। ২০০৯ৰ ২৩ অক্টোবৰত এক চৰকাৰী অধিসূচনা যোগে তৰুণ গগৈ চৰকাৰে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদক অসম শক্তি বিতৰণ কোম্পানীলৈ পৰিৱৰ্তন কৰে। এই উদ্যোগটোৰ মূল লক্ষ্য আৰু উদ্দেশ্য হ'ল বিদ্যুৎ বিতৰণ আৰু ৰাজহ সংগ্ৰহ। তদুপৰি অসমৰ সৰ্বাংগীণ উন্নতিৰ উৎপ্ৰেৰক হিচাপে কৃষি উদ্যোগ আৰু ৰাইজক বিজুলী শক্তি যোগান ধৰিবলৈ আৰু আভ্যন্তৰীণ শক্তিৰ ফলপ্ৰসূ বিনিয়োগ কৰি প্ৰযুক্তি বিদ্যা আৰু বিদ্যুৎ প্ৰেৰণ পদ্ধতিৰ অবাৰিত উন্নতিৰ দ্বাৰা গ্ৰাহক সন্তুষ্টিয়েই এই কোম্পানীটোৰ মূল লক্ষ্য। এই কোম্পানীটোৱে বৰ্তমান সৌভাগ্য আৰু দীনদয়াল উপাধ্যায় গ্ৰাম জ্যোতি যোজনাকে ধৰি কে'বাখনো আঁচনি ৰাজ্যখনত কাৰ্যকৰী কৰি ফলপ্ৰসূ ফলাফল লাভ কৰি থকাটো আমাৰ দৃষ্টিগোচৰ হৈছে।

আমি যেতিয়াৰ পৰা জনা-বুজা হৈছো, লিখিছো বা সাংবাদিকতা কৰিছো, তেতিয়াৰ পৰা আজি পৰ্যন্ত যিমানকেইজন শক্তিমন্ত্ৰী পাইছো, তাৰ ভিতৰত বিমল বৰাক সঁচা অৰ্থত এগৰাকী ব্যতিক্ৰমী শক্তিমন্ত্ৰী হিচাপে প্ৰত্যক্ষ কৰিলো। ১০ মে', ২০২১ৰ পৰা ন জুন ২০২২— সম্পূৰ্ণ ১৩ মহীয়া কাৰ্যকাল। যি বিচক্ষণতাৰে ড° হিমন্ত বিশ্ব শৰ্মাই বিমল বৰাক অসমৰ শক্তি বিভাগটো অৰ্পণ কৰিছিল তাৰ সুফলো নিজ কৰ্মদক্ষতাৰে মুখ্যমন্ত্ৰীৰ ওচৰত প্ৰদৰ্শন কৰা আমি দেখিবলৈ পাইছো। বিগত ১৩ মাহৰ প্ৰতিটো দিনেই যেন শক্তি বিভাগটোৰ অধিক উন্নতিৰ হকে তেওঁ নিজকে সমৰ্পণ কৰিছিল। আনকি সাধাৰণ গ্ৰাহক তথা বিদ্যুৎ উপভোক্তা এজনৰ আপত্তিকো তেওঁ সন্মান জনাইছিল আৰু উপযুক্ত গৃহ সেৱা আগবঢ়াবলৈ বিভাগীয় বিষয়া-কৰ্মচাৰীসকলক নিৰ্দেশ দিছিল। আনকি ৰাতি ১২ বজাতো তেওঁ গ্ৰাহকৰ ফোন কল ৰিচিভ কৰা তথ্য আমি সামাজিক মাধ্যমযোগে শুনিবলৈ পাইছো। বিমল বৰাই শক্তিমন্ত্ৰী হিচাপে দায়িত্ব লোৱাৰ পাছৰে পৰা অসম শক্তি বিতৰণ কোম্পানী লিমিটেডে এক নতুন গতি ল'বলৈ আৰম্ভ কৰিলে। ৰাজ্যখনৰ ৬৬ লাখ গ্ৰাহকৰ তথ্য সংগ্ৰহেৰে ডাটা-বেছ সৃষ্টি কৰা হ'ল। বিভাগটোৰ লোকচান কমাবৰ বাবে বিলিং পদ্ধতিৰ উন্নীতকৰণৰ ব্যৱস্থা হাতত লোৱা হ'ল। তদুপৰি, বিভাগটোৱে ২০২৫ৰ ভিতৰত ৰাজ্যৰ সকলোবিলাক পুৰণা মিটাৰৰ ঠাইত স্মাৰ্ট মিটাৰ স্থাপনৰ লক্ষ্য বান্ধি লোৱা হ'ল। বৰ্তমানলৈ ১০ লাখৰ ওপৰত এই মিটাৰ সংস্থাপন হৈ গৈছে। আনকি বিল পৰিশোধ নকৰা চৰকাৰী কৰ্মচাৰীৰ বেতন পৰ্যন্ত বন্ধ ৰখা নতুবা মাহিলী বেতনৰ পৰাই বিল সংগ্ৰহৰ ব্যৱস্থা কৰা হৈছে। বিদ্যুৎ চুৰি কৰা ব্যক্তিৰ পৰা জৰিমনা আদায় আৰু গ্ৰেপ্তাৰী পৰোৱানা পৰ্যন্ত জাৰি কৰাৰ ব্যৱস্থা কৰা হৈছে। বিল পৰিশোধ নকৰিলে সংযোগ বিচ্ছিন্ন কৰি দিয়া হৈছে। এনেবোৰ কঠোৰ ব্যৱস্থা গ্ৰহণৰ ফলত যথেষ্ট ৰাজহ বৃদ্ধি হয়। আনকি বকেয়া বিল সংগ্ৰহৰ ক্ষেত্ৰত বিশেষ আঁচনি হাতত লোৱা বাবে ২০২২ৰ মাৰ্চ পৰ্যন্ত মুঠ ৩৬১ কোটি টকা ৰাজহ সংগ্ৰহ হয়। আনহাতে, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ তৎপৰতাত চৰকাৰী নটা বিভাগৰ পৰাও সংগ্ৰহ হৈছে মুঠ ১৬২.২৮ কোটি টকা।

অসমত বিদ্যুতৰ সৰ্বাধিক চাহিদা হৈছে ২১০০ মেগাৱাট। নিজাকৈ উৎপাদন হয় ২৪০-৩০০ মেগাৱাট। ফলত জনসাধাৰণৰ চাহিদা পূৰাবলৈ বিদ্যুৎ ক্ৰয় কৰোতেই প্ৰতি বছৰে এক বৃহৎ অংকৰ ধন ব্যয় কৰিবলগীয়া হয়। সেয়েহে ৰাজ্য চৰকাৰখনে সম্প্ৰতি নিজাববীয়াকৈ উৎপাদন বৃদ্ধিত অধিক গুৰুত্ব দিছে।

যোৱা ৩১ মে', ২০২২ত

**নন্দিতা গৰ্লোছাৰ হাতত ৬২৬৮ কোটি টকাৰ কেন্দ্ৰীয় চৰকাৰৰ এক অনুমোদিত ধনৰ ব্যৱহাৰৰ কাম পৰি আছে। ৰাজ্যখনৰ বিত্তীয় সংস্কাৰ কাৰ্যকৰীকৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা ৩৬৭৭ কোটি টকা স্মাৰ্ট মিটাৰ স্থাপনৰ বাবে আৰু ২৬০৯ কোটি টকা লোকচান হ্ৰাস কৰাৰ বাবদ লাভ কৰা হয়**

শিৱসাগৰ জিলাৰ আমগুৰিত ৭০ মেগাৱাট শক্তি উৎপাদন কৰিবলগীয়া আমগুৰি সৌৰশক্তি প্ৰকল্পটো অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উদ্বোধন কৰে। অসমৰ শক্তি খণ্ডৰ ইতিহাসত ই এক যুগান্তকাৰী পদক্ষেপ হিচাপে চিহ্নিত হৈ ৰ'ব। এনেহেন শক্তিশালী প্ৰকল্প এটা স্থাপন কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু তদানীন্তন শক্তিমন্ত্ৰী বিমল বৰা প্ৰশংসাৰ পাত্ৰ হৈ ৰ'ব। একমাত্ৰ সূৰ্যৰ ৰশ্মিৰ পৰা বিদ্যুৎ উৎপাদন কৰিবলগীয়া ঐতিহ্যমণ্ডিত শিৱসাগৰ জিলাৰ আমগুৰিৰ এই বৃহৎ প্ৰকল্পটোৱেই হৈছে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত অনন্য। এই প্ৰকল্পটো উদ্বোধন কৰি দিয়া ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই উল্লেখ কৰিছে যে বহনক্ষম উন্নয়নৰ কাৰণে লাগতিয়াল বিদ্যুৎ আহৰণ কৰিবলৈ স্থাপন কৰা অপৰম্পৰাগত এই সৌৰশক্তি প্ৰকল্প আধুনিক অসমৰ বুৰঞ্জীত এক মাইলৰ খুঁটি হৈ ৰ'ব। উল্লেখ্য যে উক্ত সৌৰশক্তি প্ৰকল্পটো অসম চুক্তিৰ আধাৰত স্থাপন কৰা হৈছে।

আকৌ কৈছো— অসমৰ মুখ্যমন্ত্ৰীৰ কেতবোৰ তৎকালীন ব্যৱস্থা, যতীন বৰা নেতৃত্বাধীন অসম শক্তি বিতৰণ কোম্পানী লিমিটেড আৰু তদানীন্তন শক্তিমন্ত্ৰী বিমল বৰাৰ কেতবোৰ শক্তিশালী পদক্ষেপৰ বাবে বছৰ বছৰ ধৰি লোকচানৰ গৰাহত পৰি থকা অসমৰ শক্তি বিভাগটোৱে অৱশেষত লাভৰ মুখ দেখিবলৈ সক্ষম হৈছে। ২০২০-২১ৰ ২৯২ কোটি টকাৰ লোকচানৰ মোকাবিলা কৰিও ২০২১-২২ বিত্তীয় বৰ্ষত এ পি ডি চি এলে দিলে মুঠ তিনিশ কোটি টকাৰ লাভ। মুঠ ৫৯২ কোটি টকা। অসম শক্তি বিতৰণ কোম্পানী লিমিটেডে দেখুওৱা এই সাফল্য সঁচাই আদৰণীয় আৰু ৰাজ্যখনৰ ৰাজহ বৃদ্ধিতো যথেষ্ট ভূমিকা গ্ৰহণ কৰিছে। ২০০৯ত গঠন হোৱা এই কোম্পানীটোৱে ধাৰাবাহিকভাৱে লোকচানৰ সন্মুখীন হৈ অহা আমি দেখিবলৈ পাইছিলো। অসমৰ মুখ্যমন্ত্ৰীৰ প্ৰত্যক্ষ হস্তক্ষেপ যতীন বৰা নেতৃত্বাধীন সঞ্চালক মণ্ডলী আৰু শক্তিমন্ত্ৰী বিমল বৰাৰ সুদক্ষ পৰিচালনাত যেন নতুনকৈ প্ৰাণ পাই উঠিছে অসমৰ শক্তি বিভাগ। নতুন নতুন প্ৰকল্প ৰূপায়ণেৰে ৰাজ্যখনৰ অৰ্থনীতি বিকাশত এই বিভাগটোৱে দৃঢ়তাৰে খোজ আগবঢ়োৱা পৰিলক্ষিত হৈছে।

যোৱা ন জুনত অসম মন্ত্ৰীসভাৰ ক্ষুদ্ৰ সম্প্ৰসাৰণৰ অন্তত হাফলঙৰ বিধায়িকা নন্দিতা গৰ্লোছাৰ হাতত অৰ্পণ কৰা হয় এই শক্তি বিভাগটো। মন্ত্ৰী লোৱা আৰু দপ্তৰ বিতৰণ আদি কামবোৰ মুখ্যমন্ত্ৰীৰ এক্তিয়াৰৰ ভিতৰত পৰে। আমি নিশ্চিত, বিমল বৰাৰ কাম-কাজত মুখ্যমন্ত্ৰী অসন্তুষ্ট হ'বই নোৱাৰে। হয়তো বিমল বৰাক অন্য এটা গুৰুত্বপূৰ্ণ বিভাগৰ বাবে বাছনি কৰা বাবে শক্তি বিভাগটো কৰ্তন কৰি নন্দিতা গৰ্লোছাৰ হাতত অৰ্পণ কৰা হ'ল। অসমৰ বিত্ত বিভাগটো যেনেকৈ এগৰাকী মহিলা মন্ত্ৰী অজন্তা নেওগৰ হাতত অৰ্পণ কৰি সুফল পাইছে, ঠিক তেনেকৈ হয়তো নন্দিতা গৰ্লোছাৰ পৰাও এনে সুফল আশা কৰিয়েই মহিলা মন্ত্ৰী এগৰাকী হাতত পৰীক্ষামূলকভাৱে এই গুৰুত্বপূৰ্ণ আৰু শক্তিশালী শক্তি বিভাগটো অৰ্পণ কৰিছে।


যি কি নহওক, নতুন মন্ত্ৰী নন্দিতা গৰ্লোছাক আমি শুভ-ইচ্ছা আৰু অভিনন্দন জনাইছো। পাহাৰীয়া জিলাৰ পৰা অহা বিধায়িকা এগৰাকী আজি কেবিনেট মন্ত্ৰী হৈ নিশ্চয় দক্ষতা প্ৰদৰ্শন কৰিবলৈ সক্ষম হ'ব। অসমৰ মুখ্যমন্ত্ৰী ড° শৰ্মা আৰু প্ৰাক্তন শক্তিমন্ত্ৰী বিমল বৰাৰ পৰা সুপৰামৰ্শ বিচাৰি তেওঁ ইতিমধ্যেই ৰাজহুৱা বক্তব্য ৰাখিছে। এয়া তেওঁৰ সততাৰ নিদৰ্শন।

সম্প্ৰতি নন্দিতা গৰ্লোছাৰ হাতত ৬২৬৮ কোটি টকাৰ কেন্দ্ৰীয় চৰকাৰৰ এক অনুমোদিত ধনৰ ব্যৱহাৰৰ কাম পৰি আছে। ৰাজ্যখনৰ বিত্তীয় সংস্কাৰ কাৰ্যকৰীকৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা ৩৬৭৭ কোটি টকা স্মাৰ্ট মিটাৰ স্থাপনৰ বাবে আৰু ২৬০৯ কোটি টকা লোকচান হ্ৰাস কৰাৰ বাবদ লাভ কৰা হয়। আশা ৰাখিছো মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু তদানীন্তন শক্তিমন্ত্ৰী বিমল বৰাই বহুদূৰ আগবঢ়াই লৈ যোৱা অসমৰ শক্তি বিভাগটো নৱ-নিযুক্ত মন্ত্ৰী নন্দিতা গৰ্লোছাই আৰু ওপৰলৈ লৈ যাব পাৰিব।

*ফোন ঃ ৬০০২৪০০৪৮৫*



## দৈনিক সংক্ৰমণৰ শীৰ্ষত কেৰালা, ২৪ ঘণ্টাত মৃত্যু ২০ জনৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ১২ জুলাই ঃ** মঙলবাৰে দেশৰ দৈনিক ক'ভিড সংক্ৰমণ পুনৰ কিছু হ্ৰাস পালে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত দেশত ১৩,৬১৫ জন লোক ক'ভিড সংক্ৰমিত হ'ল। আনহাতে, বিগত এদিনত ক'ভিডত মৃতকৰ সংখ্যাও ২০ জনলৈ হ্ৰাস পালে। দৈনিক সংক্ৰমণৰ ক্ষেত্ৰত মঙলবাৰে পশ্চিমবংগক অতিক্ৰম কৰি শীৰ্ষস্থান দখল কৰিলে কেৰালাই। যোৱা ২৪ ঘণ্টাত কেৰালাত ২,৫৩২ জন লোক কৰ'নাত সংক্ৰমিত হ'ল। আনহাতে, তামিলনাডুত ২,৪৪৮, পশ্চিমবংগত ১,৯১৫, মহাৰাষ্ট্ৰত ১,১৮৯, কৰ্ণাটকত ৬৭৬ আৰু ওড়িছাত ৫৭২ জন লোক বিগত এদিনত ক'ভিড সংক্ৰমিত হ'ল।

## শ্ৰীলংকাত হঠাৎ বিক্ৰী বৃদ্ধি চাইকেলৰ, কিন্তু কিয় ?



**নিউজ ব্যুৰ', কলম্বো, ১২ জুলাই ঃ** শ্ৰীলংকাত আজিও চৰকাৰ বিৰোধী প্ৰতিবাদ অব্যাহত আছে। দেশখনৰ ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰী বাসগৃহত আজিও প্ৰতিবাদকাৰীসকলে উত্তাল প্ৰতিবাদ প্ৰদৰ্শন কৰে। এনে উত্তপ্ত পৰিস্থিতিৰ মাজতে দেশখনত শেহতীয়াভাৱে চাইকেলৰ চাহিদা যথেষ্ট বৃদ্ধি পাইছে। যথেষ্ট সংখ্যক নাগৰিকে চাইকেল ক্ৰয় কৰাৰ ফলত বিপণীসমূহত বহু লোকে ভিৰ কৰিছে। দৰাচলতে শ্ৰীলংকাত তৈলজাত ইন্ধনৰ যথেষ্ট নাটনি ঘটিছে আৰু পেট্ৰ'ল-ডিজেলৰ মূল্য আকাশলংঘী হোৱাৰ ফলত দুচকীয়া, চাৰিচকীয়া বাহন ত্যাগ কৰি দেশবাসীয়ে চাইকেল ব্যৱহাৰ কৰিবলৈ বাধ্য হৈছে। ইন্ধনৰ ধাৰাবাহিক মূল্যবৃদ্ধিৰ পৰিপ্ৰেক্ষিতত শ্ৰীলংকাৰ ৰাজহুৱা পৰিবহণ ব্যৱস্থাও সম্প্ৰতি স্তব্ধপ্ৰায় হৈছে। সেয়েহে নাগৰিকসকলে ইন্ধন অবিহনে চলাব পৰা বাহন হিচাপে চাইকেল ক্ৰয়ৰ প্ৰতি বিশেষ আগ্ৰহ প্ৰকাশ কৰিছে। কলম্বোৰ প্ৰায়বোৰ চাইকেল বিপণীত মে'ৰ পাছৰে পৰা চাইকেলৰ বৃদ্ধি ১০ গুণ বৃদ্ধি পাইছে।

## এদিনতে ৪৪ গোচৰৰ ৰায় উচ্চতম ন্যায়ালয়ৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ১২ জুলাই ঃ** গ্ৰীষ্মকালীন বন্ধৰ অন্ত পৰাৰ প্ৰথমটো দিনতে সোমবাৰে ৪৪ টাকৈ গোচৰৰ ৰায় দান কৰিলে উচ্চতম ন্যায়ালয়ে। কেৱল ন্যায়াধীশ এম আৰ শ্বাহৰ বিচাৰপীঠে ৰায়দান কৰিলে ২০ টা গোচৰৰ। উল্লেখ্য যে যোৱা ২৩ মে'ৰ পৰা ১০ জুলাইলৈকে উচ্চতম ন্যায়ালয়ৰ গ্ৰীষ্মকালীন বন্ধ আছিল। কালি আদালতৰ কাম-কাজ পুনৰ আৰম্ভ হোৱাৰ লগে লগে এটাৰ পাছত আন এটাকৈ গোচৰৰ শুনানি গ্ৰহণ কৰে সৰ্বোচ্চ ন্যায়ালয়ে। ফৌজদাৰী গোচৰৰ পৰা আৰম্ভ কৰি জনস্বাৰ্থ জড়িত, বেংকিং আৰু বাণিজ্যিক বিষয়ক গোচৰৰ লগতে আদালত অবমাননাৰ গোচৰবো ৰায়দান কৰিলে উচ্চতম ন্যায়ালয়ৰ বিচাৰপীঠে।

## ২১ জুলাইত পুনৰ ই ডিৰ চমন ছোনিয়ালৈ



**নিউজ ব্যুৰ', নতুন দিল্লী, ১২ জুলাই ঃ** নেচনেল হেৰাল্ড গোচৰত পুনৰ কংগ্ৰেছৰ সভানেত্ৰী ছোনিয়া গান্ধীলৈ চমন জাৰি কৰিলে প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)-এ। কেন্দ্ৰীয় তদন্তকাৰী সংস্থাটোৱে কংগ্ৰেছ সভানেত্ৰীক অহা ২১ জুলাইত ই ডিৰ কাৰ্যালয়ত সোধা-পোছাৰ বাবে উপস্থিত হ'বলৈ চমন জাৰি কৰিলে। উল্লেখ্য যে ইয়াৰ পূৰ্বে যোৱা ২৩ জুনত ছোনিয়ালৈ এই গোচৰত সোধা-পোছাৰ বাবে ই ডিয়ে চমন জাৰি কৰিছিল। কিন্তু সদ্য কৰ'নামুক্ত ছোনিয়াই কাৰ্যালয়টোত উপস্থিত হোৱাৰ বাবে অতিৰিক্ত সময় বিচৰাত ই ডিয়ে অহা ২১ জুলাইত তেওঁক হাজিৰ হ'বলৈ নিৰ্দেশ দিলে।

## প্ৰেমদাঁসা হ'ব পাৰে শ্ৰীলংকাৰ পৰৱৰ্তী ৰাষ্ট্ৰপতি



**নিউজ ব্যুৰ' কলম্বো, ১২ জুলাই ঃ** শ্ৰীলংকাৰ মূল বিৰোধী দলে নিজৰ নেতা ছাজিথ প্ৰেমদাঁসাক দেশখনৰ পৰৱৰ্তী ৰাষ্ট্ৰপতি হিচাপে মনোনীত কৰিব। উল্লেখ্য যে ৰাজনৈতিক সংকটৰ সন্মুখীন হোৱা দ্বীপ ৰাষ্ট্ৰখনত অহা ২০ জুলাইত ৰাষ্ট্ৰপতি নিযুক্তিৰ বাবে সংসদত নিৰ্বাচনত অনুষ্ঠিত হ'ব। উল্লেখ্য যে গোটাবায়া ৰাজাপক্ষেয়ে আজি ৰাষ্ট্ৰপতি পদৰ পৰা ইস্তফা দিয়ে। ৰাজাপক্ষেয়ে আনুষ্ঠানিকভাৱে ৰাষ্ট্ৰপতিৰ পদ ত্যাগ কৰাৰ পাছত শ্ৰীলংকাৰ মুখ্য বিৰোধী দল এছ জে বিয়ে প্ৰেমদাঁসাক দেশখনৰ পৰৱৰ্তী ৰাষ্ট্ৰপতি হিচাপে মনোনীত কৰাৰ কথা ঘোষণা কৰিলে। স্মৰ্তব্য যে ২০১৯ৰ ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত প্ৰেমদাঁসা পৰাজিত হৈছিল। যোৱা শনিবাৰে ৰাজাপক্ষেয়ে ৰাষ্ট্ৰপতিৰ পদ ত্যাগ কৰাৰ কথা ঘোষণা কৰিছিল।

### বিৰোধী দলৰ অভিযোগ ঃ সংসদ ভৱনৰ অশোক স্তম্ভৰ চেহেৰা আক্ৰমণাত্মক ৰূপত উপস্থাপন কৰা হৈছে

# নতুন সংসদত অশোক স্তম্ভক লৈ বিতৰ্ক ঃ বিকৃতকৰণৰ অভিযোগ

**নিউজ ব্যুৰ' নতুন দিল্লী, ১২ জুলাই ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নতুন সংসদ ভৱনৰ অশোক স্তম্ভ উন্মোচন কৰিছিল। ইয়াৰ পাছতে অশোক স্তম্ভৰ বিকৃতকৰণৰ অভিযোগত সৰৱ হ'ল বিৰোধী শিবিৰ। বিৰোধী দলসমূহে অশোক স্তম্ভত থকা চাৰিটা সিংহৰ চেহেৰাক বিকৃত কৰা বুলি অভিযোগ উত্থাপন কৰিছে। উত্থাপিত অভিযোগ অনুসৰি নতুন অশোক স্তম্ভত সিংহৰ মুখ আক্ৰমণাত্মক ধৰণত খোলা ৰখা হৈছে, কিন্তু সাৰনাথত থকা মূল অশোক স্তম্ভত থকা সিংহৰ মুখ বন্ধ আছিল। আৰ জে ডিয়ে অভিযোগ কৰি কয় যে মূল অশোক স্তম্ভৰ সিংহকেইটাৰ চেহেৰা শান্ত আছিল, কিন্তু সংসদ ভৱনৰ অশোক স্তম্ভৰ চেহেৰা আক্ৰমণাত্মক ৰূপত উপস্থাপন কৰা হৈছে। জ্যেষ্ঠ



অধিবক্তা, সমাজকৰ্মী প্ৰশান্ত ভূষণে মন্তব্য কৰি কয় যে মূল অশোক স্তম্ভৰ সিংহ মহাত্মা গান্ধীৰ দৰে শান্ত আছিল আৰু সংসদ ভৱনৰ সিংহক নাথুৰাম গডছেৰ দৰে উপস্থাপন কৰা হৈছে। এক টুইটত ভূষণে এইদৰে কয়, 'গান্ধীৰ পৰা গডছেলৈ। এয়া মোদীৰ নতুন ভাৰত।' কংগ্ৰেছেও নতুন সংসদ ভৱনৰ অশোক স্তম্ভৰ সন্দৰ্ভত তীব্ৰ আপত্তি প্ৰদৰ্শন কৰিছে।

## পাঁচ ছেপ্টেম্বৰত হ'ব ব্ৰিটেইনৰ নতুন প্ৰধানমন্ত্ৰীৰ নাম ঘোষণা




**নিউজ ব্যুৰ', লণ্ডন, ১২ জুলাই ঃ** ব্ৰিটেইনৰ শাসকীয় কনজাৰভেটিভ পাৰ্টিৰ নতুন নেতা আৰু দেশখনৰ পৰৱৰ্তী প্ৰধানমন্ত্ৰীৰ নাম অহা পাঁচ ছেপ্টেম্বৰত ঘোষণা কৰা হ'ব। প্ৰধানমন্ত্ৰীৰ পদৰ পৰা অলপতে অব্যাহতি লোৱা বৰিছ জনছনৰ স্থানত কনজাৰভেটিভ দলে ছেপ্টেম্বৰৰ প্ৰথম সপ্তাহতহে নতুন প্ৰধানমন্ত্ৰীক নিৰ্বাচন কৰিব। কনজাৰভেটিভ দলৰ নেতৃত্বই আজি এই কথা প্ৰকাশ কৰি কয় যে প্ৰধানমন্ত্ৰী পদৰ বাবে বৰ্তমানলৈকে ১১ জন লোকে দাবীদাৰ হিচাপে আত্মপ্ৰকাশ কৰিছে। দলৰ সূত্ৰই লগতে প্ৰকাশ কৰা অনুসৰি ভাৰতীয় মূলৰ প্ৰাক্তন কেবিনেট মন্ত্ৰী ঋষি ছুনক আৰু বৈদেশিক মন্ত্ৰী লিজ ট্ৰছ কনজাৰভেটিভ পাৰ্টিৰ পৰৱৰ্তী নেতা নিৰ্বাচনৰ দৌৰত সবাতোকৈ শীৰ্ষত আছে। অহা পাঁচ ছেপ্টেম্বৰত কনজাৰভেটিভ পাৰ্টিয়ে দলৰ পৰৱৰ্তী নেতাক নিৰ্বাচন কৰিব আৰু ইয়াৰ পাছতে নৱনিৰ্বাচিত নেতাই জনছনৰ স্থানত ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰিব।

## কংগ্ৰেছত সংঘাত অব্যাহত, পুনৰ বিদেশ ভ্ৰমণলৈ গ'ল ৰাহুল



**নিউজ ব্যুৰ', নতুন দিল্লী, ১২ জুলাই ঃ** কংগ্ৰেছত অথন্তৰ এতিয়াও আঁতৰা নাই। গোৱাত কংগ্ৰেছৰ একাংশ বিধায়কে বিসম্বাদ অব্যাহত থকাৰ সময়তে উত্তৰাখণ্ডত তিনিজন কংগ্ৰেছ নেতাই আম আদমী পাৰ্টিত যোগদান কৰিলে। দলে এনেবোৰ সমস্যাৰ সন্মুখীন হোৱাৰ মাজতে আকৌ এবাৰ বিদেশ ভ্ৰমণ কাৰ্যসূচী গ্ৰহণ কৰিলে কংগ্ৰেছ সাংসদ ৰাহুল গান্ধীয়ে। কংগ্ৰেছ সাংসদজনে আজি পুৱা কাটাৰ এয়াৰলাইন্সৰ বিমানৰে বিদেশলৈ ৰাওনা হ'ল। অৱশ্যে কোন দেশ অভিমুখে ৰাহুলে যাত্ৰা কৰিলে সেয়া এতিয়াও জানিব পৰা হোৱা নাই। প্ৰকাশিত বাতৰি অনুসৰি সংসদৰ আগন্তুক বৰ্ষাকালীন অধিবেশনৰ পূৰ্বে ৰাহুল স্বদেশলৈ উভতি আহিব। সংসদৰ বৰ্ষাকালীন অধিবেশন অহা ১৮ জুলাইৰ পৰা আৰম্ভ হ'ব আৰু ছয় আগষ্টলৈকে অব্যাহত থাকিব। উল্লেখ্য যে পূৰ্বেও একাধিকবাৰ গুৰুত্বপূৰ্ণ ৰাজনৈতিক ক্ষণত ৰাহুলে বিদেশ ভ্ৰমণ কৰাক লৈ প্ৰশ্ন উত্থাপিত হৈছিল।


## এইমছত লালুক গীতা পাঠত কৰ্তৃপক্ষৰ বাধা ঃ ক্ষুব্ধ পুত্ৰ তেজপ্ৰতাপৰ অভিযোগ



**নিউজ ব্যুৰ', নতুন দিল্লী, ১২ জুলাই ঃ** দিল্লীৰ এইমছত বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা আৰ জে ডিৰ মুৰব্বী লালু প্ৰসাদ যাদৱ সম্প্ৰতি চিকিৎসাধীন হৈ আছে। লালুৰ জ্যেষ্ঠ পুত্ৰ তেজপ্ৰতাপ যাদৱে এইমছ কৰ্তৃপক্ষৰ বিৰুদ্ধে এক গুৰুতৰ অভিযোগ উত্থাপন কৰিলে। তেজপ্ৰতাপে উত্থাপন কৰা অভিযোগ অনুসৰি তেওঁৰ পিতৃ লালুক এইমছত গীতা পাঠত বাধা দান কৰা হ'ল। কালি বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰীজনক এইমছ কৰ্তৃপক্ষই ক্ৰিটিকেল কেয়াৰ ইউনিটৰ পৰা সাধাৰণ কক্ষলৈ স্থানান্তৰিত কৰিছিল। তেজ প্ৰতাপে অভিযোগ কৰা অনুসৰি তেওঁৰ পিতৃয়ে চিকিৎসালয়ত গীতা পাঠ কৰিব আৰু শুনিব বিচাৰিছিল যদিও কৰ্তৃপক্ষই বাধাদান কৰে। 'দেউতাই হাস্পতালত শ্ৰীমদ্‌ভাগৱত গীতা পাঠ আৰু শুনিব বিচাৰিছিল যদিও কৰ্তৃপক্ষই বাধা দিলে। গীতা পাঠত বাধাদান কৰা এই অজ্ঞানীয়ে এই কথা হয়তো নাজানে যে এনে মহাপাপৰ মূল্য তেওঁ এই জনমতে আদায় দিব লাগিব।'

## এদিনতে ৫৫ হেজাৰ কোটি টকা উপাৰ্জন কৰিলে আদানীয়ে, ১১.৮ বিলিয়ন ডলাৰৰ সম্পত্তি হ্ৰাস মাস্কৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ১২ জুলাই ঃ** ভাৰত তথা এছিয়াৰ সবাতোকৈ ধনাঢ্য ব্যক্তি হিচাপে স্বীকৃত গৌতম আদানীয়ে বিশ্বৰ শীৰ্ষ ১০ অৰ্বুদপতিৰ তালিকাত পঞ্চম স্থান দখল কৰিলে। ব্লুমবৰ্গ বিলিয়নেৰ ইনডেক্সৰ তথ্য অনুসৰি সোমবাৰে আদানীৰ সম্পত্তিৰ পৰিমাণ ৬.৯৪ বিলিয়ন ডলাৰ অৰ্থাৎ প্ৰায় ৫৫ হেজাৰ কোটি টকা বৃদ্ধি পালে। সম্প্ৰতি ধনাঢ্য ব্যক্তিৰ তালিকাত ১০৮ বিলিয়ন ডলাৰৰ সম্পত্তিৰে আদানীয়ে পঞ্চম স্থান লাভ কৰিলে। চলিত বৰ্ষত




বৰ্তমানলৈকে আদানী গোষ্ঠীৰ মুৰব্বী গৌতম আদানীৰ ৩১.৯ বিলিয়ন ডলাৰৰ সম্পত্তি বৃদ্ধি হল। বিশ্বৰ আন সকলো শীৰ্ষ ১০ৰ অৰ্বুদপতিৰ সম্পত্তি চলিত বৰ্ষত হ্ৰাস পোৱাৰ বিপৰীতে আদানীৰ সম্পত্তি বৃদ্ধি অব্যাহত আছে। আনহাতে, ৰিলায়েন্সৰ মুৰব্বী মুকেশ আম্বানীৰ সোমবাৰে ১.০৪ বিলিয়ন ডলাৰৰ সম্পত্তি বৃদ্ধি পালে আৰু বৰ্তমানে তেওঁ ৮৬.৩ বিলিয়ন ডলাৰৰ সম্পত্তিৰে ধনাঢ্য ব্যক্তিৰ তালিকাত একাধিক স্থানত আছে। ইফালে, বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তি এলন মাস্কৰ সম্পত্তিৰ পৰিমাণ সোমবাৰে ১১.৮ বিলিয়ন ডলাৰ হ্ৰাস পোৱাৰ ফলত বৰ্তমানে তেওঁৰ মুঠ সম্পত্তিৰ পৰিমাণ ২১৫ বিলিয়ন ডলাৰ হ'ল।

## হিমাচল প্ৰদেশত বিজেপিৰ প্ৰাক্তন সভাপতিৰ কংগ্ৰেছত যোগদান



**নিউজ ব্যুৰ', ছিমলা, ১২ জুলাই ঃ** হিমাচল প্ৰদেশত বিধানসভা নিৰ্বাচনৰ পূৰ্বে অঘটনৰ সন্মুখীন হ'ল শাসকীয় বিজেপি। ৰাজ্যখনৰ প্ৰাক্তন মন্ত্ৰী তথা বিজেপিৰ প্ৰাক্তন ৰাজ্যিক সভাপতি খিমি ৰাম শৰ্মাই আজি কংগ্ৰেছত যোগদান কৰিলে। হিমাচল কংগ্ৰেছৰ প্ৰভাৰী ৰাজীৱ শুক্লাৰ উপস্থিতিত আজি দিল্লীত কংগ্ৰেছৰ সদস্যপদ গ্ৰহণ কৰিলে বিজেপি ত্যাগ কৰা শৰ্মাই। দুবাৰকৈ বিধায়ক নিৰ্বাচিত হোৱা শৰ্মাই হঠাতে বিজেপি ত্যাগ কৰাটো ৰাজনৈতিক দিশৰ পৰা তাৎপৰ্যপূৰ্ণ বিবেচিত হৈছে। পূৰ্বে শৰ্মাই বনমন্ত্ৰী হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল।



## লছ এঞ্জেলছত '৭-ইলেভেন'ৰ বিপণীত বন্দুকধাৰীৰ আক্ৰমণত দুজনৰ মৃত্যু

**নিউজ ব্যুৰ', লছ এঞ্জেলছ, ১২ জুলাই ঃ** আমেৰিকাৰ দক্ষিণ কেলিফৰ্নিয়াত '৭-ইলেভেন'ৰ চাৰিখনকৈ বিপণীত কালি বন্দুকধাৰীয়ে কৰা আক্ৰমণৰ ঘটনাত দুজন লোকৰ মৃত্যু হোৱাৰ লগতে আন তিনিজন লোক গুলিবিদ্ধ হয়। গুলীয়াগুলিৰ চাৰিটা ঘটনাৰ তিনিটা এজন ব্যক্তিয়ে সংঘটিত কৰিছিল। গুলীয়াগুলিৰ প্ৰথমটো ঘটনা ১-৫০ মিনিটত আৰু ইয়াৰ পাছত ৩-২০ মিনিটত সংঘটিত হৈছিল। ঘটনা সংঘটিত কৰিয়ে বন্দুকধাৰীয়ে পলায়ন কৰিছিল। বন্দুকধাৰীৰ এই আক্ৰমণৰ সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে যদিও কি কাৰণত দুৰ্বৃত্তই এই ঘটনা সংঘটিত কৰিলে সেয়া এতিয়াও জানিব পৰা হোৱা নাই।

## উপ-ৰাষ্ট্ৰপতি পদৰ দৌৰত শীৰ্ষত নকভী, তিনি নতুন দাবীদাৰৰ আত্মপ্ৰকাশ

**নিউজ ব্যুৰ', নতুন দিল্লী, ১২ জুলাই ঃ** দেশৰ উপ-ৰাষ্ট্ৰপতি নিৰ্বাচনৰ কাৰ্যসূচী ইতিমধ্যে ঘোষণা কৰা হৈছে। অৱশ্যে এতিয়াও শাসক আৰু বিৰোধীয়ে উপ-ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থীৰ নাম ঘোষণা কৰা নাই। দিল্লীৰ ৰাজনৈতিক মহলত চৰ্চিত হোৱা খবৰ অনুসৰি, এন ডি এয়ে মুখতাৰ আব্বাছ নকভীক উপ-



ৰাষ্ট্ৰপতিৰ প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰাটো প্ৰায় নিশ্চিত হৈছে। এন ডি এয়ে এই সন্দৰ্ভত মঙলবাৰলৈকে কোনো আনুষ্ঠানিক ঘোষণা কৰা নাই। সূত্ৰৰ খবৰ অনুসৰি, উপ-ৰাষ্ট্ৰপতি পদৰ বাবে তিনিজন নতুন দাবীদাৰে আত্মপ্ৰকাশ কৰিছে। ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ এক বাতৰিত উল্লেখ কৰা মতে, সুৰেশ প্ৰভু, হৰদীপ পুৰী আৰু এছ এছ আহলুৱালিয়াই উপ-ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থিত্ব বিচাৰিছে। আহলুৱালিয়াই বৰ্তমানে পশ্চিমবংগৰ বৰ্ধমানৰ সাংসদ হিচাপে কাৰ্যনিৰ্বাহ কৰিছে। একেদৰে প্ৰভুৱে পূৰ্বে ৰেলমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। আনহাতে, পুৰীয়ে বৰ্তমানে কেন্দ্ৰীয় মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছে। উপ-ৰাষ্ট্ৰপতিৰ পদৰ প্ৰাৰ্থী হিচাপে পূৰ্বে কেপ্টেইন অমৰিন্দৰ সিং, আৰিফ মহম্মদ, নাজমা হেপতুল্লা আৰু আনন্দিবেন পেটেলৰ নামো চৰ্চিত হৈছিল। বিজেপিৰ এক সূত্ৰই আজি ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা মতে, একাধিক নাম চৰ্চিত হ'লেও এন ডি এয়ে নকভীক উপ-ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থিত্ব প্ৰদান কৰাৰ যথেষ্ট সম্ভাৱনা আছে। অহা ছয় আগষ্টত উপ-ৰাষ্ট্ৰপতিৰ নিৰ্বাচন অনুষ্ঠিত হ'ব।

## ইউক্ৰেইনৰ সকলো নাগৰিকক ৰুছ নাগৰিকত্ব প্ৰদানৰ প্ৰস্তাৱত স্বাক্ষৰ পুটিনৰ

**নিউজ ব্যুৰ', মস্কো, ১২ জুলাই ঃ** ইউক্ৰেইনত ৰাছিয়াৰ প্ৰভাৱ বৃদ্ধিৰ লক্ষ্যৰে ৰুছ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনে ইউক্ৰেইনৰ সকলো নাগৰিকক ৰুছ নাগৰিকত্ব প্ৰদানৰ প্ৰস্তাৱ গ্ৰহণ কৰিলে। এই সন্দৰ্ভত এই নিৰ্দেশনাত সোমবাৰে স্বাক্ষৰ কৰিলে ৰাষ্ট্ৰপতি পুটিনে। বৰ্তমানলৈকে ৰাছিয়াই নিজৰ দখললৈ অনা ইউক্ৰেইনৰ অঞ্চলসমূহৰ বাসিন্দাক ৰুছ নাগৰিকত্ব প্ৰদান কৰিছিল। কিন্তু শেহতীয়াভাৱে ৰাষ্ট্ৰপতি পুটিনে ইউক্ৰেইনত ৰাছিয়াৰ প্ৰভাৱ অধিক বৃদ্ধিৰ লক্ষ্যৰে সকলো ইউক্ৰেইনীয় নাগৰিকক ৰুছ নাগৰিকত্ব প্ৰদানৰ প্ৰস্তাৱ আগবঢ়াইছে। পুটিনৰ এই ঘোষণাৰ সন্দৰ্ভত ইউক্ৰেইনে এই মুহূৰ্তলৈকে কোনো প্ৰতিক্ৰিয়া ব্যক্ত কৰা নাই। ২০১৯ বৰ্ষতে ৰাছিয়াই ইউক্ৰেইনৰ ডনেষ্টক আৰু লুহানস্ক চহৰৰ বাসিন্দাসকলৰ বাবে ৰুছ নাগৰিকত্ব প্ৰদানৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছিল। চলিত বৰ্ষত ইউক্ৰেইনৰ এই দুখন চহৰত বাস কৰা প্ৰায় ১৮ শতাংশ অৰ্থাৎ ৭,২০,০০০ জনৰো অধিক লোকক মস্কোৱে ৰুছ পাৰপত্ৰ প্ৰদান কৰিলে।



## জনসংখ্যা বৃদ্ধিত নানা ধৰ্মৰ ভাৰসাম্যৰ অভাৱে দেশত নৈৰাজ্য সৃষ্টি কৰিব পাৰে ঃ যোগী



**নিউজ ব্যুৰ', লক্ষ্মৌ, ১২ জুলাই ঃ** এইবাৰ জনসংখ্যা নিয়ন্ত্ৰণৰ প্ৰসংগত প্ৰশ্ন উত্থাপন কৰিলে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে। যোগীৰ মতে, বিভিন্ন ধৰ্মীয় গোষ্ঠী মাজত জনসংখ্যা বৃদ্ধিৰ হাৰৰ সামঞ্জস্য নাথাকিলে দেশত নৈৰাজ্যৰ সৃষ্টি হ'ব পাৰে। সেয়েহে জনসংখ্যাৰ ভাৰসাম্যতা নষ্ট হ'বলৈ কোনোপধ্যে দিয়া উচিত নহ'ব বুলি মত প্ৰকাশ কৰিলে উত্তৰ প্ৰদেশক মুখ্যমন্ত্ৰীজনে। যোগীয়ে কয় যে জনসংখ্যা নিয়ন্ত্ৰণৰ বাবে যি প্ৰচাৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে, সেয়া সুস্থভাৱে সফল কৰাটো জৰুৰী। কালি উত্তৰ প্ৰদেশত জনসংখ্যা নিয়ন্ত্ৰণ পষেক কাৰ্যসূচী মুকলি কৰি যোগীয়ে কয়, 'জনসংখ্যা বৃদ্ধিত বিভিন্ন ধৰ্মীয় গোষ্ঠীৰ মাজত ভাৰসাম্য নাথাকিলে ইয়াৰ ফলত দেশত অশান্তি আৰু নৈৰাজ্যই দেখা দিব পাৰে। যি ধৰণৰে জনসংখ্যা বৃদ্ধি পাইছে, সেয়া উচিত নহয়। কিছু সম্প্ৰদায়ৰ জন্মৰ হাৰ বহু বেছি। সাধাৰণ মানুহক এই সন্দৰ্ভত সচেতন কৰা অতি জৰুৰী। জাতি, ধৰ্ম, অঞ্চল, ভাষাৰ ঊৰ্ধ্বত থাকি সকলোৱে সচেতনতা কাৰ্যসূচীত অংশ ল'ব লাগিব।'

## নতুন শিক্ষা নীতি বলবৎ কৰা দেশৰ প্ৰথম ৰাজ্যত পৰিণত হ'ল উত্তৰাখণ্ড



**নিউজ ব্যুৰ', ডেৰাডুন, ১২ জুলাই ঃ** উত্তৰাখণ্ডত আজিৰে পৰা নতুন শিক্ষা নীতি প্ৰৱৰ্তন কৰা হ'ল। ৰাজ্যখনৰ শিক্ষামন্ত্ৰী ডাঃ ধন সিং ৰাৱটে আজি এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি প্ৰাক প্ৰাথমিক পৰ্যায়ৰ পৰা উত্তৰাখণ্ডত আজিৰে পৰা নতুন শিক্ষা নীতি প্ৰৱৰ্তন কৰা হ'ল। এছ চি ই আৰ টিয়ে ছাত্ৰ-ছাত্ৰীৰ বাবে ৰাষ্ট্ৰীয় শিক্ষানীতিৰ আধাৰত নতুন পাঠ্যক্ৰম প্ৰস্তুত কৰিছে। ৰাজ্যখনত প্ৰাক প্ৰাথমিক শ্ৰেণীক বাল বাটিকা নাম দিয়া হৈছে। মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামীয়ে আজি বাল বাটিকা মুকলি কৰি ৰাজ্যখনত নতুন শিক্ষা নীতি প্ৰৱৰ্তন কৰিলে। ইয়াৰ জৰিয়তে উত্তৰাখণ্ড দেশৰ বিপৰীতে নতুন শিক্ষানীতি প্ৰৱৰ্তনকাৰী প্ৰথমখন ৰাজ্য হিচাপে স্বীকৃত হ'ল। উত্তৰাখণ্ড শিক্ষামন্ত্ৰীয়ে প্ৰকাশ কৰা অনুসৰি প্ৰথম পৰ্যায়ত প্ৰাথমিক বিদ্যালয়ত থকা পাঁচ হেজাৰ অংগনৱাড়ী কেন্দ্ৰত বাল বাটিকা বিভাগ মুকলি কৰা হ'ব। উত্তৰাখণ্ডত বৰ্তমানে ২০ হেজাৰ ৬৭ টা অংগনৱাড়ী কেন্দ্ৰ আছে। ইয়াৰে ২০ হেজাৰ ১৭ টা অংগনৱাড়ী কেন্দ্ৰ সক্ৰিয় হৈ আছে আৰু এইসমূহ কেন্দ্ৰত ১৪,৫৫৫ অংগনৱাড়ী কৰ্মী নিয়োজিত হৈ আছে। তদুপৰি অংগনৱাড়ী কেন্দ্ৰত ১৪,২৪৯ সহায়িকা আৰু ৪৯৪১ ক্ষুদ্ৰ অংগনৱাড়ী কৰ্মীও নিয়োজিত হৈ আছে।

## বয়স হৈছে বাইডেনৰ বাধা, ৮২ বছৰ বয়সত পুনৰ প্ৰতিদ্বন্দ্বিতা কৰিব নে ?

**নিউজ ব্যুৰ', ৱাশ্বিংটন, ১২ জুলাই ঃ** জ' বাইডেন আমেৰিকাৰ সবাতোকৈ বয়স্ক ৰাষ্ট্ৰপতি হিচাপে পৰিচিত। অহা ২০ নৱেম্বৰত বাইডেনে ৮০ সংখ্যক জন্মদিন পালন কৰিব। সম্প্ৰতি আমেৰিকাৰ সংবাদ মাধ্যমৰ লগতে সামাজিক মাধ্যমত বাইডেনৰ বয়সৰ সন্দৰ্ভত এক চৰ্চা অব্যাহত আছে। ২০২৪ত আমেৰিকাত ৰাষ্ট্ৰপতিৰ নিৰ্বাচন অনুষ্ঠিত হ'ব আৰু এই নিৰ্বাচনত ৮২ বছৰীয়া বাইডেনে পুনৰ প্ৰতিদ্বন্দ্বিতা কৰিব নে নকৰে তাক লৈ মাৰ্কিন সংবাদ মাধ্যমত চৰ্চা



চলিছে। ডেম'ক্ৰেটিক দলত সম্প্ৰতি বাইডেনৰ বিকল্প নেতাক প্ৰত্যক্ষ হোৱা নাই। একাংশ লোকে ৮২ বছৰ বয়সত বাইডেনে ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত পুনৰ প্ৰতিদ্বন্দ্বিতা কৰাৰ তীব্ৰ বিৰোধিতা কৰিছে। ৰিপাব্লিকান দলৰ কে'বাজনো নেতাই মন্তব্য কৰি কৈছে যে আমেৰিকাৰ পৰৱৰ্তী ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ বাবে বয়সৰ দিশৰ পৰা বাইডেন মুঠেও যোগ্য নহ'ব। একেদৰে দক্ষিণপন্থী নেতাই আপত্তি প্ৰদৰ্শন কৰি কৈছে যে বাইডেন স্মৰণশক্তি হ্ৰাসৰ সমস্যাত আক্ৰান্ত হোৱা হেতুকে পুনৰ ৰাষ্ট্ৰপতি হিচাপে কাৰ্যনিৰ্বাহ কৰাটো তেওঁৰ বাবে প্ৰত্যাহ্বানমূলক হ'ব। নিউ য়ৰ্ক টাইমছে কিছুদিন পূৰ্বে বাইডেনৰ বয়সৰ সন্দৰ্ভত এক সমীক্ষা চলাইছিল আৰু এই সমীক্ষাত ৬৪ শতাংশ ডেম'ক্ৰেটিক সমৰ্থকে স্পষ্টভাৱে কয় যে ২০২৪ৰ নিৰ্বাচনত তেওঁলোকে বাইডেনৰ স্থানত আন কোনো ব্যক্তিক আমেৰিকাৰ ৰাষ্ট্ৰপতি হিচাপে প্ৰত্যক্ষ কৰিব বিচাৰিছে। বয়সৰ কাৰণতে এইসকল ডেম'ক্ৰেটিক সমৰ্থকে বাইডেনৰ বিকল্প বিচৰা বুলি উক্ত সমীক্ষাত মত প্ৰকাশ কৰিছে। উল্লেখ্য যে পূৰ্বে ৰনাল্ড ৰিগনে ১৯৮৯ত যেতিয়া আমেৰিকাৰ ৰাষ্ট্ৰপতিৰ পদ ত্যাগ কৰিছিল সেই সময়ত তেওঁৰ বয়স আছিল ৭৭ বছৰ।

# বিশিষ্ট সমাজকৰ্মী, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সেৱক শিৱ প্ৰসাদ বৰুৱা চিকিৎসাধীন

**অগ্রদূত বাৰ্তা**

**লাহদৈগড়, ১২ জুলাই ঃ** যোৰহাটৰ বিশিষ্ট সমাজকৰ্মী , শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সেৱক শিৱ প্ৰসাদ বৰুৱা জাপানী এনকেফেলাইটিছত আক্ৰান্ত হৈ যোৰহাট চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ থকাত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যোৰহাট জিলা শাখাৰ সভাপতি মুকুল গগৈ আৰু কেন্দ্ৰীয় শিশু, আই-মাতৃ কল্যাণ সমিতিৰ সম্পাদিকা ফুনু বৰা গগৈৰ নেতৃত্বত যোৱা এটা সঁজাতী দলে সমাজকৰ্মী শিৱ প্ৰসাদ বৰুৱাক সাক্ষাৎ কৰি স্বাস্থ্যৰ বুজ লয় আৰু আশু আৰোগ্য কামনা কৰে । শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ কমলাকান্ত গগৈ আৰু প্ৰধান সম্পাদক বাবুল বৰাই বিশিষ্ট সমাজকৰ্মী , শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সেৱক শিৱ প্ৰসাদ বৰুৱাৰ আশু আৰোগ্য কামনা কৰি পৰমেশ্বৰ ওচৰত প্ৰাৰ্থনা জনায়।

# আজাৰা ছাত্ৰ সন্থাৰ উদ্যোগত দক্ষতা বিকাশ কৰ্মশালা



**অগ্রদূত বাৰ্তা**

**আজাৰা, ১২ জুলাই ঃ** আজাৰা ছাত্ৰ সন্থাৰ উদ্যোগত বিনামূলীয়া গ্ৰীষ্মকালীন পাঠদানৰ স'তে সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ সৰ্বাংগীণ বিকাশ সাধনৰ উদ্দেশ্যে যোৱা ১১ জুলাইত আজাৰাৰ চন্দ্ৰপ্ৰভা বড়া উচ্চ মাধ্যমিক বিদ্যালয়ত এটি দক্ষতা বিকাশ কৰ্মশালা অনুষ্ঠিত কৰা হয়। উক্ত অনুষ্ঠানটিত প্ৰশিক্ষক হিচাপে উপস্থিত থাকে দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক সুনীল তালুকদাৰ। প্ৰশিক্ষক তালুকদাৰে বিভিন্ন ধৰণৰ প্ৰ-পত্ৰ পূৰণ তথা আবেদন লিখাৰ গঠন শৈলী, ভৱিষ্যতে যিকোনো ক্ষেত্ৰতে তথ্য সংগ্ৰহৰ শৈলী সকলোবোৰ সামৰি এগৰাকী ভৱিষ্যতৰ নাগৰিক হিচাপে ছাত্ৰ-ছাত্ৰীসকলে কিদৰে আগবাঢ়িব সেই সম্পৰ্কত আলোচনাত মিলিত হয়। লগতে উক্ত কৰ্মাশালাখনত প্ৰশিক্ষকগৰাকীয়ে কথনগত, লিখনগত দিশৰ ওপৰত পাৰ্যমানে গুৰুত্ব আৰোপ কৰে। কৰ্মশালাত প্ৰশিক্ষকগৰাকীয়ে কঠন দক্ষতা আৰু লিখন দক্ষতাৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰে। কৰ্মশালাত উপস্থিত থাকে আজাৰা অঞ্চলৰ জ্যেষ্ঠ শিক্ষক তৰুণ চন্দ্ৰ মেধিৰ লগতে অইন শিক্ষাগুৰুসকল তথা আজাৰা ছাত্ৰ সন্থাৰ উপদেষ্টা অলকেশ নাথ, ডিম্পল মেধিৰ লগতে সভাপতি ধনমণি দাস, ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক বিশ্বজিৎ দাস, শিক্ষা সম্পাদক হীৰকজ্যোতি মালীৰ লগতে আজাৰা ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকল। কৰ্মশালাত অংশগ্ৰহণকাৰী শিক্ষাৰ্থীসকলক আগন্তুক অভিনন্দন অনুষ্ঠানত মানপত্ৰবোৰ প্ৰদান কৰা হ'ব।

# দিনজোৰা কাৰ্যসূচীৰে নাহৰকটীয়া ঘূগুলনিত জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্মদিৱস পালন

**অগ্রদূত বাৰ্তা**

**নাহৰকটীয়া, ১২ জুলাই ঃ** প্ৰাকৃতিক দুৰ্যোগৰ ফলস্বৰূপে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ১২০ সংখ্যক জন্ম দিৱস ১৭ জুনৰ পৰিৱৰ্তে যোৱা ১১ জুলাইত নাহৰকটীয়াৰ ঘূগুলনি প্ৰাথমিক বিদ্যালয়ত জ্যোতিপ্ৰসাদ আগৰৱালা জন্ম দিৱৰ পালন কমিটীৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে পালন কৰে। এই উপলক্ষে সোণদা গগৈৰ সভাপতিত্বত দিনৰ ১১ বজাত অনুষ্ঠিত আলোচনা সভাত সদৌ অসম জ্যোতিপ্ৰসাদ আগৰৱালা স্মৃতি ৰক্ষা কমিটীৰ যুটীয়া সম্পাদক অজিত আচাৰ্যই মুখ্য বক্তাৰূপে উপস্থিত থাকে। আলোচনা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে ঘূগুলনি জ্যোতিপ্ৰসাদ আগৰৱালা জন্ম দিৱস পালন কমিটীৰ যুটীয়া সম্পাদিকা পদ্মা বড়াই। সভাত সাংস্কৃতিক কৰ্মী প্ৰদীপ গগৈ, দূৰ্লভ মেছ, সূৰজমণি গড়, শিক্ষয়িত্ৰী জিতুমণি শইকীয়া, মঞ্জু গগৈ আদি কে'বাজনো বক্তাই বক্তব্য দাঙি ধৰে। বক্তাসকলে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ সংগ্ৰামী জীৱনৰ বিভিন্ন দিশ আলোকপাত কৰি বক্তব্য দাঙি ধৰে। আলোচনা সভাৰ অন্তত বিদ্যালয়-মহাবিদ্যালয়ত অধ্যয়নৰত প্ৰায় ৩০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে জ্যোতি সংগীত আৰু জ্যোতিপ্ৰসাদ আগৰৱালা ৰচিত কবিতা আবৃত্তিৰে সভাত উপস্থিত সকলোকে আপ্লুত কৰে। বাম ঘূগুলনি অঞ্চলৰ শিশুসকলে পৰিৱেশন কৰা 'বিশ্ব বিজয় ন জোৱান' সংগীতৰে আৰম্ভ হোৱা আলোচনা সভাখন ঘিলাগুৰি অঞ্চলৰ চেমনীয়াসকলে পৰিৱেশন কৰা 'লুইতৰ পানী যাবি অ' বৈ' সংগীতৰ মাজেৰে সামৰণি পৰে।

# কুৰালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সফলতা

**অগ্রদূত বাৰ্তা**

**বৰুৱাবামুণগাঁও, ১২ জুলাইঃ** কালি ঘোষিত এন এম এম এছ পৰীক্ষাৰ ফলাফলত জিলিকি উঠিল কুৰালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী। মুঠ ১০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে এই কঠিন প্ৰতিযোগিতামূলক পৰীক্ষাত উত্তীৰ্ণ হৈ জিলাৰ ভিতৰতে এখন বিদ্যালয়ৰ পৰা ইমান সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে বৃত্তি লাভ কৰাৰ গৌৰৱ কঢ়িয়াই আনিছে। উল্লেখ্য যে বিগত বছৰকেইটাত প্ৰতিবছৰেই এই বিদ্যালয়ৰ পৰা চাৰি-পাঁচজনকৈ ছাত্ৰ-ছাত্ৰীয়ে এই মেধা বৃত্তি লাভ কৰি আহিছে। বিদ্যালয়ৰ অধ্যক্ষ জ্যোতি কুমাৰী শৰ্মাৰ লগতে সমূহ শিক্ষক-শিক্ষয়িত্ৰীয়ে কৃতী ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জ্ঞাপন কৰি ভৱিষ্যৎ জীৱনৰ সফলতা কামনা কৰে। উল্লেখ্য যে এই পৰীক্ষা ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰণালয়ৰ অধীনত মাধ্যমিক শিক্ষা সঞ্চালকালয়, অসমৰ দ্বাৰা পৰিচালিত হয়। উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীয়ে নৱমৰ পৰা আৰু দ্বাদশ শ্ৰেণীলৈকে চাৰি বছৰৰ কাৰণে ১২ হেজাৰ টকাকৈ চাৰিবাৰ বৃত্তিৰ ধন লাভ কৰে। এইবাৰ উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকল হৈছে ক্ৰমে ৰঞ্জন বৰা, সুকন্যা বৰঠাকুৰ, অংগৰাগ শৰ্মা, তৃষাংগী প্ৰিয়ম বৰুৱা, জ্যোতিষ্মান বৰুৱা, আশিস বৰা, উজ্জ্বল প্ৰতীম বৰা, সুশান্ত বৰা আৰু উদিষণা বৰা, পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া ছাত্ৰ-ছাত্ৰীসকলক অধ্যক্ষই নিজে আৰু উপাধ্যক্ষ ৰঞ্জিত বৰুৱাৰ লগতে শিক্ষক অভিজিত শইকীয়া, জ্যোতিশিখা বৰুৱা, ৰক্তিম শৰ্মা আদিয়ে বিশেষভাৱে যত্ন লৈছিল।

# জেৰাই গাঁৱত বিদ্যুৎস্পৃষ্ট হৈ কিশোৰৰ মৃত্যু

**অগ্রদূত বাৰ্তা**

**চাবুৱা, ১২ জুলাইঃ** চাবুৱাৰ জেৰাই গাঁৱৰ এজন কিশোৰ বিদ্যুৎস্পৃষ্ট হৈ যোৱা নিশা মৃত্যু হয়। ভাস্কৰ গগৈ (১৬) নামৰ কিশোৰজনে নিজৰ ঘৰতে বিদ্যুৎ সংযোগ মেৰামতি কৰাৰ সময়ত হঠাতে বিদ্যুৎস্পৃষ্ট হৈ ঢলি পৰে। ইয়াৰ পাছত পৰিয়াল আৰু গাঁৱৰ ৰাইজৰ সহযোগত চাবুৱা টাটা ৰেফাৰেল হাস্পতাললৈ নিয়া হয় যদিও ইতিমধ্যে মৃত্যু হোৱা বুলি চিকিৎসকে ঘোষণা কৰে। আজিৰ দিনটোত মৰণোত্তৰ পৰীক্ষা হোৱাৰ পাছত ৰাজহুৱাভাৱে গাঁৱৰ ৰাইজে সংকাৰ কৰে। উল্লেখ্য যে সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈছিল ভাস্কৰে। শিক্ষাৰ্থীজনৰ অকাল মৃত্যুত সমগ্ৰ চাবুৱা অঞ্চলত শোকৰ ছাঁ পৰিছে। ছাত্ৰজনে নৰ্থ ইষ্ট একাডেমীৰ উচ্চতৰ মাধ্যমিক শাখাৰ প্ৰথম বৰ্ষত নামভৰ্তি কৰি মাত্ৰ তিনিদিনমান শিক্ষাগ্ৰহণ কৰিছিল।

# লখিমপুৰ জিলাৰ সুলভ মূল্য ব্যৱসায়ী সন্থাৰ প্ৰতিবাদী কাৰ্যসূচী

## ■ প্ৰতি কুইণ্টল চাউলৰ কমিছন ৪৪০ টকাকৈ বৃদ্ধিৰ দাবী

**অগ্রদূত বাৰ্তা**

**লখিমপুৰ, ১২ জুলাই ঃ** চৰকাৰে বিভিন্ন ক্ষেত্ৰত গ্ৰহণ কৰা সংকোচন মনোভাৱ নীতিৰ পদক্ষেপৰ বিৰুদ্ধে কালি সদৌ অসম সুলভ মূল্য ব্যৱসায়ী সন্থাৰ আহ্বানত লখিমপুৰ জিলাৰ সুলভ মূল্য ব্যৱসায়ী সন্থাই প্ৰতি কুইণ্টল চাউলৰ কমিচন ৪৪০ টকালৈ বৃদ্ধিৰ মূল দাবীকে ধৰি অন্যান্য দাবীৰ সমৰ্থনত কালি জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত প্ৰতিবাদী কাৰ্যসূচী পালন কৰে। সন্থাৰ বিষয়ববীয়াই প্ৰতিবাদস্থলীত একগোট হৈ তেওঁলোকৰ প্ৰাপ্য দাবীসমূহ সাব্যস্ত কৰাৰ লগতে জিলা উপায়ুক্তৰ জৰিয়তে প্ৰধানমন্ত্ৰীলৈ এক স্মাৰক পত্ৰ প্ৰেৰণ কৰে। সন্থাই প্ৰতিবাদথলীত প্লে-কাৰ্ডত লিখিত অন্যান্য দাবীসমূহ হ'ল ৫০ টকা মাহিলি উপাৰ্জনৰ প্ৰত্যাভূতি দিয়াৰ ব্যৱস্থা কৰা, প্ৰতি কুইণ্টলত অতিৰিক্ত একেকেজিকৈ দিয়াৰ ব্যৱস্থা, সুলভ মূল্য দোকানৰ জৰিয়তে ইডিব'ল অইল, প্লাছ ইত্যাদি দিয়াৰ ব্যৱস্থা, গেছৰ চিলিণ্ডাৰ সুলভ মূল্যৰ দোকানৰ জৰিয়তে উপভোক্তাসকলক দিয়াৰ ব্যৱস্থা কৰা, এফচিআইৰে প্ৰক্ৰিয়ামেণ্টৰ ধান সুলভ মূল্য দোকানৰ জৰিয়তে ক্ৰয় কৰাৰ ব্যৱস্থা গ্ৰহণ আৰু পশ্চিমবংগৰ আৰ্হিত ফুড ফৰ অল নীতিৰে খাদ্য যোগান ধৰা। তদুপৰি ৰাজস্থানৰ দৰে কৰ'না কালত মৃত্যু হোৱা দোকানী পৰিয়ালক ৫০লাখ ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰিবলৈ দাবী জনায়। সন্থাই প্ৰতিমাহৰ কমিচন প্ৰতিমাহে দিয়াৰ ব্যৱস্থা গ্ৰহণৰ দাবী উত্থাপন কৰে।



# সদৌ তিৱা ছাত্ৰ সন্থাৰ জাগীৰোড আঞ্চলিক সমিতি গঠন

**অগ্রদূত বাৰ্তা**

**জাগীৰোড, ১২ জুলাই ঃ** সদৌ তিৱা ছাত্ৰ সন্থাৰ জাগীৰোড আঞ্চলিক সমিতিখন যোৱা ১১ জুলাইত সন্থাৰ কাৰ্যালয়ত অনুষ্ঠিত সাধাৰণ সভাৰ জৰিয়তে গঠন কৰা হয় । সদৌ তিৱা ছাত্ৰ সন্থাৰ উপদেষ্টা ৰিমল আমচি, সভাপতি দীপক আমচং, গোভা দেওৰজা ৰাজ দৰবাৰৰ সাধাৰণ সম্পাদক জুৰচিং বৰদলৈ, তিৱা লোকনৃত্য গুৰু নাদিৰাম দেউৰীৰ উপস্থিতিত গঠন কৰা হয় নৱনিৰ্বাচিত সমিতিখন। নিৰঞ্জন পুমাক সভাপতিক, হৰেন চলঙক সাধাৰণ সম্পাদক, সোণাৰাম বৰদলৈ, প্ৰণৱ কোঁৱৰক উপ-সভাপতি, গৌতম দলৈ, ললিত দলৈক সহকাৰী সম্পাদক, ধ্ৰুৱজ্যোতি ছাগ্ৰা, পিংকু পাটৰ, মনেশ্বৰ দেউৰী, বিবেক বৰদলৈক সাংগঠনিক সম্পাদক, দ্বীপেন কোঁৱৰক বিত্তীয় সম্পাদক, প্ৰিয়াংশু বে, অসীম বৰদলৈক প্ৰচাৰ সম্পাদক, লক্ষ্মণ বৰদলৈক শৈক্ষিক সম্পাদক, অমিত কাৰ্থক কাৰ্যালয় সম্পাদক হিচাপে লৈ ৩৬ জনীয়া এখন শক্তিশালী সমিতি গঠন কৰা হয়।

# ৰায়ঝৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰৰ সাধাৰণ সভা

**অগ্রদূত বাৰ্তা**

**বহলপুৰ, ১২ জুলাই ঃ** ধুবুৰী জিলাৰ বহলপুৰৰ ১৯৪০তে স্থাপিত ঐতিহ্যমণ্ডিত ৰায়ঝৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ এখন বিশেষ সাধাৰণ সভা অহা ১৭ জুলাইত বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হ'ব বুলি বিদ্যালয়ৰ অধ্যক্ষ কেশৱ চন্দ্ৰ নাথে জনাইছে। এইখন বিদ্যালয়ৰ পৰাই শিক্ষালাভ কৰি অসম তথা দেশৰ বিভিন্ন স্থানত সিঁচৰতি হৈ থকা ছাত্ৰ-ছাত্ৰীসকলক ১৭ জুলাইৰ বিশেষ সভাখনত উপস্থিত থাকিবলৈ বিনম্ৰতাৰে অধ্যক্ষজনে আহ্বান জনাইছে। এই সংক্ৰান্তত কোনো প্ৰাক্তন শিক্ষাৰ্থীৰ কিবা জানিবলগীয়া থাকিলে ৭০০২১২০৩১৯ অথবা ৯৪৩৫৩৯৯৯৮৪ ফোন নম্বৰত যোগাযোগ কৰিবলৈ কোৱা হৈছে। যিহেতু বিদ্যালয়খনৰ এই ৮২ বছৰীয়া গৌৰৱময় যাত্ৰাৰ সময়ছোৱাত বহুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে শিক্ষাগ্ৰহণ কৰি বিভিন্ন স্থানত কৰ্মৰত হৈ আছে আৰু এই সকলোবোৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ লগত চিঠিপত্ৰৰ দ্বাৰা যোগাযোগ সম্ভৱ নহয় গতিকে এই বাতৰিৰ জৰিয়তে সকলোকে সভাখনলৈ আহ্বান জনোৱা হৈছে বুলি অধ্যক্ষ কেশৱ চন্দ্ৰ নাথে সদৰী কৰে ।

# মুখ্যমন্ত্ৰীৰ মাহজোৰা বৃক্ষৰোপণ কাৰ্যসূচীলৈ অৰণ্য সুৰক্ষা সমিতিৰ আদৰণি

**বিশেষ সংবাদদাতা**

**বিলাসীপাৰা, ১২ জুলাই ঃ** 'স্বাধীনতাৰ অমৃত মহোৎসৱ' উপলক্ষে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰা মাহজোৰা বৃক্ষৰোপণ কাৰ্যসূচীলৈ অৰণ্য সুৰক্ষা সমিতি অসমে আদৰণি জনাইছে। এই সন্দৰ্ভত প্ৰকাশ কৰা এক বিবৃতিত অৰণ্য সুৰক্ষা সমিতি অসমে আদৰণি জনাইছে। এই সন্দৰ্ভত প্ৰকাশ কৰা এক বিবৃতিত অৰণ্য সুৰক্ষা সমিতি অসমৰ সচিব প্ৰধান ড° হৰিচৰণ দাসে কয় যে অহা ১৫ জুলাইৰ পৰা ১৫ আগষ্টলৈ অসমৰ মহাবিদ্যালয়সমূহকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত অনুষ্ঠিত হ'ব লগা মুখ্যমন্ত্ৰীৰ এই বিশেষ বৃক্ষৰোপণ কাৰ্যসূচীত সমিতিয়ে সম্পূৰ্ণ সহযোগিতা আগবঢ়াব। অসমৰ বিভিন্ন প্ৰান্তত থকা সমিতিৰ জিলা, ৰাষ্ট্ৰীয় উদ্যান, অভয়াৰণ্য আৰু আঞ্চলিক শাখাসমূহৰ কৰ্মকৰ্তাসকলে এই বৃক্ষৰোপণ কাৰ্যসূচীত সক্ৰিয় সহযোগিতা আগবঢ়াব। উল্লেখ্য যে এই বৃক্ষৰোপণ কাৰ্যসূচীত ৩৫ প্ৰকাৰৰ বিশেষ থলুৱা প্ৰজাতিৰ উদ্ভিদ ৰোপণৰ বাবে আহ্বান জনোৱা হৈছে। উদ্ভিদসমূহ হৈছে অগৰু, অমৰা, অৰ্জুন, অশোক, আম, আমলখি, এজাৰ, কঁঠাল, কৰছ, কৰ্দৈ, কৰৰী কুঁজী থেকেৰা, কৃষ্ণচূড়া, গুলঞ্চ, জলফাই, জবাফুল, ডালিম, তেতেলি, নাহৰ, পুট্ৰাঞ্জীৱা, বকুল, বৰজামুক, ভোমোৰা, মধুৰীআম, মহানিম, ৰঙা কাঞ্চন, ৰাঙল ফুল, ৰাধাচূড়া, লিচু, লেটেকু আৰু শগুনীলতা। এই গছবোৰ ৰোপণ কৰাৰ ক্ষেত্ৰত প্ৰতিষ্ঠানসমূহৰ লগত অৰণ্য সুৰক্ষা সমিতি অসমৰ স্বেচ্ছাসেৱকসকলক সহযোগিতা কৰিবলৈ আহ্বান জনোৱা হৈছে। এই বৃক্ষৰোপণে আমাৰ দেশৰ জৈৱ বৈচিত্ৰ্য সমৃদ্ধ কৰাৰ লগতে স্বাধীনতাৰ সেউজ স্মৃতি বহন কৰি যাব বুলি আশা প্ৰকাশ কৰে সমিতিয়ে।

# বৰপেটাৰ খাটিয়ামাৰীত বিদ্যুৎস্পৃষ্ট হৈ চাৰি বছৰীয়া শিশুৰ মৃত্যু

**আলোপতি, ১২ জুলাই ঃ** বৰপেটা জিলাৰ বাঘবৰ সমষ্টিৰ আলোপতিচৰ আৰক্ষী থানাৰ অন্তৰ্গত খাটিয়ামাৰীত সংঘটিত হৈছে এক শোকাৰহ ঘটনা। গাঁওখনত বিদ্যুৎস্পৃষ্ট হৈ সোমবাৰে সন্ধিয়া এগৰাকী শিশুৰ মৃত্যু হোৱা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। আলোপতি খাটিয়ামাৰী গাঁৱৰ আনোৱাৰ হুছেইনৰ চাৰিবছৰীয়া কন্যা আয়েশ্বা খাতুনে নিজ ঘৰৰ টেবুল ফেনৰ উন্মুক্ত বিদ্যুতৰ তাঁৰত লাগি বিদ্যুৎস্পৃষ্ট হৈ গুৰুতৰভাৱে আহত হোৱাত পৰিয়ালৰ লোকে শিশুটিক ততাতয়াকৈ আলোপতি ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰায় যদিও চিকিৎসালয় পোৱাৰ পূৰ্বেই শিশুটিয়ে মৃত্যুক আঁকোৱালি লয়। চিকিৎসকে পৰিয়ালৰ লোকক অৱগত কৰায়। শিশুটিৰ এনে শোকাৰহ মৃত্যুত পৰিয়ালৰ লোকে শোকত ভাগি পৰিছে । ঘটনাস্থলীত আলোপতিচৰ আৰক্ষী থানাৰ আৰক্ষী উপস্থিত হৈ নিশাই মৃতদেহটো থানালৈ আনে আৰু আজি মৰণোত্তৰ পৰীক্ষাৰ বাবে বৰপেটাৰ ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে।

# শিৱসাগৰ জিলাত ইকেৱাইচি-প্ৰধানমন্ত্ৰী ফচল বীমাৰ বিশেষ অভিযান

**বিশেষ সম্বাদদাতা**

**শিৱসাগৰ, ১২ জুলাই ঃ** সমূহীয়া সেৱা কেন্দ্ৰৰ জৰিয়তে শিৱসাগৰ জিলাত আৰম্ভ হৈছে প্ৰধানমন্ত্ৰী কৃষি সন্মান নিধিৰ ইকেৱাইচি আৰু প্ৰধানমন্ত্ৰী ফচল বীমাৰ বিশেষ অভিযান । ১৩ জুলাই, ২০২২ৰ পৰা ৩১ জুলাই, ২০২২ পৰ্যন্ত চলিব কৃষকৰ বাবে এই বিশেষ অভিযান। এই অভিযানৰ জৰিয়তে কৃষকে সমূহীয়া কেন্দ্ৰত ১১০ টকা মূল্যৰ বিনিময়ত পিএমকিষাণ ইকেৱাইচি আৰু এক হেক্টৰ মাটিলৈকে কৰিব পাৰিব ফচল বীমা পঞ্জীয়ন। উল্লেখ্য যে কেৱল ইকেৱাইচি সেৱাৰ সুবিধা ল'বৰ বাবে মাত্ৰ ১৫ টকা মূল্য ভৰিব লাগিব। জিলা কৃষি বিষয়া বলীন্দ্ৰ নাথ চেতিয়াই জিলাখনৰ যোগ্য কৃষকক ইকেৱাইচি আৰু ফচল বীমাৰ সুবিধা নিকটৱৰ্তী সমূহীয়া কেন্দ্ৰৰ পৰা গ্ৰহণ কৰিবৰ বাবে অনুৰোধ জনাইছে।

# কমাৰবন্ধাৰ গাঁওপ্ৰধান গিৰিধৰ শইকীয়াৰ মৃত্যু

**অগ্রদূত বাৰ্তা**

**ফৰকাটিং, ১২ জুলাই ঃ** গোলাঘাট জিলাৰ দক্ষিণহেংগেৰা মৌজাৰ কমাৰবন্ধা বামুণ গাঁৱৰ চৰকাৰী গাঁওপ্ৰধান গিৰিধৰ শইকীয়াৰ কালি নিজা বাসগৃহত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। মৃত্যুৰ সময়ত গাঁওপ্ৰধানজনৰ বয়স হৈছিল ৯০ বছৰ। তেওঁৰ মৃত্যুত গোলাঘাট জিলা চৰকাৰী গাঁওপ্ৰধান সন্থা, গোলাঘাট কমাৰবন্ধা টুকুৰা খবৰ গোটকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।



*নামতিৰ জ্ঞানজ্যোতি বিদ্যাপীঠত অনুষ্ঠিত গ্ৰীষ্মকালীন নৃত্য-কৰ্মশালাৰ দৃশ্য।*

# ৰজাবাৰী দৰিকাঘাট বৰনামঘৰত অবিৰত ভাগৱত পাঠ

## বছৰেকীয়া বৰসভা-ভাওনাৰ আয়োজন

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ১২ জুলাই ঃ** মানৱ জাতিৰ কল্যাণ আৰু শান্তিৰ অৰ্থে অহা ২১, ২২ আৰু ২৩ জুলাইত ৰজাবাৰী দৰিকাঘাট বৰনাম ঘৰত অবিৰত ভাগৱত পাঠ আৰু বৰসবাহ আয়োজন কৰা হৈছে। ভাগৱতৰ শেষৰ দিনা সন্ধিয়া আঠ বজাৰ পৰা স্থানীয় কণ কণ শিশুসকলৰ দ্বাৰা দক্ষ যজ্ঞ হৰগৌৰী মিলন নামৰ ভাওনাখন প্ৰদৰ্শন কৰা হ'ব। এই অবিৰত ভাগৱত পাঠ পৰিচালনা কৰিবৰ বাবে দিচাংমুখৰ কৃষ্ণ দাস, দৈকলংগীয়া গাঁৱৰ নগেন দাস , নাজিৰাৰ ৰূপম দাস, পলাশনী গাঁৱৰ সৰুপাই দাসে মুল পাঠকৰূপে অংশগ্ৰহণ কৰিব। আৰু লগতে সহযোগী পাঠকৰূপে বহু পাঠকে অংশগ্ৰহণ কৰিব এই পৱিত্ৰ ভাগৱত পাঠত। প্ৰথম কাৰ্যসুচী হিচাপে পতাকা উত্তোলন কৰিব গাঁৱৰ নামাচাৰ্যই। সদৰ থানা চক্ৰসংগঠক অবেন দাসে অবিৰত ভাগৱত পাঠ যাত্ৰাৰ শুভ উদ্বোধন কৰিব শিৱসাগৰ সদৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া যোগল কিশোৰ কলিতাই। অবিৰত ভাগৱত পাঠ শুভ উদ্বোধন কৰিব গড়গাঁও কলেজৰ বিভাগীয় মুৰব্বী প্ৰাক্তন অধ্যাপিকা ড° অৰুন্ধতী মহন্তই। আৰু ২৩ জুলাই নিশালৈ হ'বলগীয়া ভাওনা আৰম্ভণি কৰিব শিৱসাগৰ জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক দেৱজিৎ নাথে। উক্ত ভাওনাখন পৰিচালনা কৰিব উদীয়মান শিল্পী অম্লানজ্যোতি দাসে। এই তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীয়ে অনুষ্ঠিত হ'বলগীয়া মাংগলিক অনুষ্ঠানটি লৈ সকলো ধৰ্মপ্ৰাণ ৰাইজক সাদৰেৰে নিমন্ত্ৰণ জনায় উদ্‌যাপন সমিতিয়ে।

# মাৰ্ঘেৰিটাত নিচামুক্তি কেন্দ্ৰত যুৱকৰ মৃত্যুৰ প্ৰতিবাদত পথ অৱৰোধ

**অগ্রদূত বাৰ্তা**

**মাৰ্ঘেৰিটা, ১২ জুলাই ঃ** তিনিচুকীয়া জিলাৰ জাগুনৰ এজন নিচা আসক্ত লোকক কালি বৰগোলাইস্থিত নিচামুক্তি কেন্দ্ৰত ভৰ্তি কৰোৱাৰ দুই ঘন্টাৰ পাছতে মৃত্যু হোৱাত কালি ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি আৰু টি এম পি কে ৰ সদস্যসকলে পথ অৱৰোধ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰাপ্ত তথ্য অনুসৰি, জাগুনৰ দেৱজিৎ পায়েং নামৰ এজন যুৱক মাৰ্ঘেৰিটা নিউ লাইফ নিচা মুক্তি কেন্দ্ৰত দেওবাৰে ভৰ্তি কৰায়। কিন্তু ইয়াৰ দুই ঘন্টাৰ পাছতেই যুৱকজনে তেজ বমি কৰি অসুস্থ হৈ পৰে। ইয়াৰ পাছতেই কেন্দ্ৰটোৰ তৰফৰ পৰা তৎকালীনভাৱে মাৰ্ঘেৰিটা অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰাই যদিও যুৱকজনৰ মৃত্যু হয় বুলি চিকিৎসকে জানিবলৈ দিয়ে। ইয়াৰ পাছতেই একাংশ উদণ্ড যুৱকে চিকিৎসকক অপদস্থ কৰাত চিকিৎসালয়ত মাৰ্ঘেৰিটা আৰক্ষী উপস্থিত হৈ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে পঠোৱাৰ ব্যৱস্থা কৰে। অন্যহাতে, কালি মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ পৰা অনাৰ পাছত একাংশ যুৱকে বৰগোলাই নেফা ফেক্টৰী সন্মুখত ৰাষ্টীয় ঘাইপথ অৱৰোধ কৰি নিচামুক্তি কেন্দ্ৰটোৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। ঘটনাস্থলীত মাৰ্ঘেৰিটা আৰক্ষী আৰু দণ্ডাধীশ উপস্থিত হৈ প্ৰতিবাদকাৰীসকলৰ স'তে অলোচনাত মিলিত হোৱাৰ লগতে নিৰপক্ষ তদন্তৰ আশ্বাস প্ৰদান কৰে। আনহাতে, এই সন্দৰ্ভত তাই আহোম যুৱ পৰিষদে নিচামুক্তি কেন্দ্ৰটোৰ বিৰুদ্ধে অনা অভিযোগক পোনছাটেই নসাৎ কৰিছে। চৰকাৰী অনুমতিপ্ৰাপ্ত নিউ লাইভ নিচামুক্তি কেন্দ্ৰৰ পৰা ইতিমধ্যেই পাঁচ হেজাৰ অধিক যুৱক সুস্থ হৈ ঘৰলৈ ঘুৰি যোৱাৰ লগতে একাংশই কৰ্মসংস্থানত নিয়োজিত হৈ পৰিয়াল পোহপাল দি থকা বুলিও সদৰী কৰিছে পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি ৰাজীৱ বৰুৱাই। ইতিমধ্যে ঘটনাস্থলীত মাৰ্ঘেৰিটা আৰক্ষী প্ৰশাসনৰ লগতে মহকুমা দণ্ডাধীশ উপস্থিত হৈছে।

# ভূমিজ সমাজৰ উদ্যোগত কৃতী শিক্ষাৰ্থীক অভিনন্দন



**অগ্রদূত বাৰ্তা**

**চিনামৰা ১২ জুলাই ঃ** ভূমিজ সমাজৰ পশ্চিম যোৰহাট আঞ্চলিক সমিতিৰ উদ্যোগত আৰু স্থানীয় কুটুম সমাজৰ সহযোগত সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হোৱা অঞ্চলটোৰ শিক্ষাৰ্থীসকলক সম্বৰ্ধনা জনোৱা হয়। এই উপলক্ষে আয়োজিত কাৰ্যসূচীত পুৱা পতাকা উত্তোলনেৰে মুকলি কৰে আঞ্চলিকৰ প্ৰতিষ্ঠাপক সভাপতি বোধন সিং ভূমিজ আৰু কৃষ্ণ ভূমিজে। কৃষ্ণ ভূমিজৰ সভাপতিত্বত অনুষ্ঠিত সভাত আঞ্চলিকৰ প্ৰয়াত প্ৰাক্তন সভাপতি ভুৱন সিং ভূমিজ আৰু প্ৰয়াত উপদেষ্টা শংকৰ ভূমিজক শ্ৰদ্ধাঞ্জলি জনাই তেওঁলোকৰ পৰিয়ালবৰ্গৰ হাতত শ্ৰদ্ধাঞ্জলি পত্ৰ অৰ্পণ কৰে। প্ৰয়াত দুয়োজনৰ স্মৃতিত প্ৰকাশ কৰি উলিওৱা 'অশ্ৰু সিক্ত অঞ্জলি' নামৰ স্মৃতিগ্ৰন্থখন উন্মোচন কৰা হয়। ইয়াৰ পাছতে কৃতী শিক্ষাৰ্থীসকলক অভিনন্দন জনোৱা হয়। স্থানীয় ম'হবন্ধা আটছা উপ-শাখাৰ সুৰজ ৰবিদাসকে আদি কৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থকা সভাত ভাষণ দি নীৰেন ভূমিজ, বোধন সিং ভূমিজকে আদি কৰি বহুকেইগৰাকী বক্তাই শিক্ষাৰ্থীসকলক শৈক্ষিক দিশত আগুৱাই সমাজৰ হকে কাম কৰিবলৈ আহ্বাজন জনাই শুভেচ্ছা জ্ঞাপন কৰে।

# বালিলেছা কালী দেৱালয় প্ৰাংগণত দুদিনীয়াকৈ গণকণ্ঠৰ বঁটা প্ৰদান-সাংস্কৃতিক অনুষ্ঠান

**অগ্রদূত বাৰ্তা**

**নলবাৰী, ১২ জুলাই ঃ** নলবাৰী জিলাৰ ঐতিহাসিক বালিলেছা কালী দেৱালয় প্ৰাংগণত অহা ১৬ আৰু ১৭ জুলাইত দুদিনীয়াকৈ গণকণ্ঠৰ বঁটা প্ৰদান আৰু সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। উল্লেখ্য যে সাংবাদিক-সাহিত্যিকৰ ঐক্যমঞ্চ গণকণ্ঠৰ ৰূপালী জয়ন্তী বৰ্ষৰ সাংস্কৃতিক অনুষ্ঠান আৰু বঁটা বিতৰনী অনুষ্ঠানৰ প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। কাৰ্যসূচী অনুসৰি, অহা ১৬ জুলাইত দিনৰ দুইবজাৰ পৰা বিষ্ণু ৰাভা সংগীত আৰু একক নৃত্য প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। নিশা আঠ বজাত প্ৰয়াত শিক্ষয়িত্ৰী নিৰলা মজুমদাৰ সোঁৱৰণী সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত হ'ব। অনুষ্ঠান উদ্বোধন কৰিব বিশিষ্ট নাট্যশিল্পী ধীৰেন কুমাৰ বৰ্মনে। অনুষ্ঠানত আমন্ত্ৰিত অতিথিৰূপে শিল্পী জোনমণি দেৱী, ধীৰাজ ডেকা, পৰাগ কাশ্যপ, হেইদী দিলীপ আৰু দিলীপ চৌধুৰীৰ লগতে স্থানীয় শিল্পীসকলে সংগীত আৰু নৃত্যানুষ্ঠান পৰিৱেশন কৰিব। ১৭ জুলাইৰ আবেলি পাঁচ বজাত বঁটা-বিতৰণী অনুষ্ঠান আৰম্ভ হ'ব। অনুষ্ঠানত সভাপতিত্ব কৰিব বিশিষ্ট নাট্যকাৰ তথা গণকণ্ঠৰ সভাপতি ধ্ৰুৱজ্যোতি শৰ্মাই। উল্লেখ্য যে অনুষ্ঠানত প্ৰয়াত শিক্ষাবিদ কৃষ্ণকান্ত তালুকদাৰ সোঁৱৰণী শ্ৰেষ্ঠ সাংবাদিক বঁটা আৰু নিষ্ঠাবান সাংবাদিক বঁটা তিনিজনলৈ। সমাজহিতৈষী প্ৰয়াত কনক চৌধুৰী সোঁৱৰণী গ্ৰাম্য সাংবাদিকতাৰ ৰাজ্যিক বঁটা, গণকণ্ঠৰ নিৰ্ভীক সাংবাদিকৰ ৰাজ্যিক বঁটা, প্ৰয়াত শিক্ষাবিদ নাৰায়ণ মহন্ত সোঁৱৰণী চিকিৎসকৰ ৰাজ্যিক বঁটা আৰু গণকণ্ঠৰ উৎকৃষ্ট সাংবাদিকৰ ৰাজ্যিক বঁটা প্ৰদান কৰা হ'ব। বঁটা প্ৰদান অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকিব গনকণ্ঠৰ মুখ্য পৃষ্ঠপোষক বিশ্বজিৎ তালুকদাৰ, গনকণ্ঠ ন্যাসৰ মুখ্য পৃষ্ঠপোষক বিদ্যুৎ মজুমদাৰ, বিটিআৰ চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ ই, এম অৰূপ কুমাৰ দে, সমাজকৰ্মী মনোজ কুমাৰ চৌধুৰী, সাংবাদিক তফিকউদ্দিন আহমেদ, ড° বাবু বড়ো, চন্দন তালুকদাৰ আৰু দেৰাজউদ্দিন আহমেদ আদিয়ে। নিশা সম্বৰ্ধনা অনুষ্ঠান। সম্বৰ্ধনা অনুষ্ঠানত সমাজসেৱক মহেন্দ্ৰ গুৰুং, বিমলজ্যোতি মহন্ত, ত্ৰিদীপ ভৰালী, সংমণ্ডল বন প্ৰধিকাৰী ভাস্কৰ ডেকা, ডাঃ শুভ্ৰকিংকৰ গোস্বামী, ডাঃ হিতেন্দ্ৰ কলিতা, ঘনশ্যাম বৈশ্য, দিগন্ত মাধৱ বৰা, প্ৰকাশ কুশৱাহা, যতীন ডেকা আমন্ত্ৰিত অতিথিৰূপে উপস্থিত থাকিব। নিশা সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব নৰ্থ ইষ্ট কেন্সাৰ হাস্পতাল এণ্ড ৰিচাৰ্চ চেণ্টাৰৰ অধ্যক্ষ গণেশ তামুলীয়ে। সাংস্কৃতিক সন্ধিয়াত অনুষ্ঠান পৰিৱেশন কৰিব অসমৰ জনপ্ৰিয় শিল্পী অনুপম শইকীয়া আৰু মৌৰুচি বৰাই। তদুপৰি আমন্ত্ৰিত শিল্পীৰ দ্বাৰা শাস্ত্ৰীয় নৃত্য, কৌতুক অভিনয়, কবিতা আবৃত্তি আদি অনুষ্ঠান পৰিৱেশন কৰা হ'ব। সমুহ সাংবাদিক বন্ধু, সাহিত্যানুৰাগী আৰু সৰ্বস্তৰৰ ৰাইজৰ উপস্থিতি তথা সহায়- সহযোগিতা গণকণ্ঠৰ উদ্যোক্তাসকলে কামনা কৰিছে। উল্লেখ্য যে প্ৰতি বছৰে গণকণ্ঠৰ বিষ্ণু ৰাভা দিৱস উদ্‌যাপনৰ স'তে বঁটা প্ৰদান আৰু সাংস্কৃতিক অনুষ্ঠান এইবাৰ বান পৰিস্থিতিৰ বাবে স্থগিত ৰখা হৈছিল।

# কামপুৰত প্ৰিণ্ট মিডিয়া এছ'চিয়েছন গঠন

**বিশেষ সংবাদদাতা**

**নগাঁও, ১২ জুলাই ঃ** নগাঁও জিলাৰ বৃহত্তৰ কামপুৰ অঞ্চলৰ বাতৰি কাকতৰ সাংবাদিকসকল একত্ৰিত হৈ কালি কামপুৰত প্ৰিণ্ট মিডিয়া এছ'চিয়েছন নামেৰে এটা মঞ্চ গঠন কৰা হয়। কামপুৰ অঞ্চলৰ প্ৰবীণ সাংবাদিক সভাৰাম মজুমদাৰৰ সভাপতিত্ব অনুষ্ঠিত সভাত অঞ্চলটোৰ ছপা মাধ্যমৰ সাংবাদিক, লেখক উপস্থিত থাকে। কালি এই সভাতেই সভাৰাম মজুমদাৰক সভাপতি, সমৰেন্দ্ৰ নাৰায়ণ বৰাক সম্পাদক, প্ৰমোদ বৰাক উপ-সভাপতি আৰু তৰুণ বৰুৱাক সহকাৰী-সম্পাদকৰূপে লৈ কামপুৰ প্ৰিণ্ট মিডিয়া এছ'চিয়েছন গঠন কৰা হয়।

# ডকাইতৰ ৰূপত অৱতীৰ্ণ নুমলীগড়ৰ আৰক্ষী

## ■ ৰাষ্ট্ৰীয় পথৰ দাঁতিত দুখনকৈ টেংকাৰ ভাঙি বীৰত্ব প্ৰদৰ্শন ঃ প্ৰতিক্ৰিয়া

অগ্ৰদূত বাৰ্তা

**নুমলীগড়, ১২ জুলাই ঃ** দুৰ্নীতি আৰু অপৰাধীৰ বিৰুদ্ধে শূন্য সহনশীল নীতি গ্ৰহণ কৰা ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশক কেৰেপ নকৰি গোলাঘাটৰ নুমলীগড়ত খোদ আৰক্ষীৰ নেতৃত্বতেই গঢ়ি উঠিছে অপৰাধৰ বৃহৎ ছিণ্ডিকেট। অলপতে নুমলীগড় আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াৰ দায়িত্ব গ্ৰহণ কৰা চিদা হাজৰিকাই আৰক্ষীৰ নীতি-নিয়মকো ভৰিৰে মোহাৰি ৰাষ্ট্ৰীয় পথেৰে অহা- যোৱা কৰা সামগ্ৰী কঢ়িওৱা যান-বাহন, টেংকাৰ আদিৰ পৰা মুকলিকৈয়ে ধন দাবী কৰাৰ বিস্ফোৰক অভিযোগ উত্থাপিত হৈছে। আৰক্ষী বিষয়াজনে দাবী কৰা মতে, ধন দিবলৈ অস্বীকাৰ কৰিলেই তেনে বাহনৰ চালকৰ লগতে বাহনখনকো আক্ৰমণ কৰি ক্ষতিগ্ৰস্ত কৰা বুলি একাংশ থলুৱা টেংকাৰ চালকে লিখিত অভিযোগ উত্থাপিত কৰিছে। আৰক্ষী বিষয়াজনৰ নেতৃত্বত আৰক্ষীৰ দলে দৈনিক নিশাৰ ভাগত ৩৯ নম্বৰ ৰাষ্ট্ৰীয় পথৰ নুমলীগড় চাহ বাগিচাৰ সমীপত ছিণ্ডিকেট স্থাপন কৰি অবাধে ধন সংগ্ৰহ কৰি অহাটো নিয়মত পৰিণত হৈছে। যোৱা নিশা ৩৯ নম্বৰ ৰাষ্ট্ৰীয় পথৰ পৰা নিৰাপদ দূৰত্বত ৰখাই থোৱা এ এছ-০৫ চি আৰু এ এছ-০৫চি-৩৭৩৩ নম্বৰৰ দুখনকৈ টেংকাৰৰ পৰাও ধন দাবী কৰিবলৈ আহে খোদ আৰক্ষী বিষয়াজন। দুয়োখন বাহনৰ চালক সমীপৰে ঘৰত থকাৰ বাবে মানুহ নথকাৰ বাবে আৰক্ষীৰ দলটোয়ে দুখনকৈ টেংকাৰৰ লাইটসহ বিভিন্ন আচবাব ভাঙি তাণ্ডৱ চলায়। আৰক্ষী বিষয়াজনে তাণ্ডৱ চলোৱা কাৰ্য প্ৰত্যক্ষ কৰে একাংশ স্থানীয় লোকে। আইন হাতত তুলি লোৱা নুমলীগড় আৰক্ষীৰ এনে কাণ্ডৰ বিৰুদ্ধে গৰজি উঠিছে নুমলীগড় অইল ৰিফাইনেৰী টেংকাৰ পৰিবহণ সংস্থা। সন্থাৰ সভাপতি পৰীক্ষিত দত্ত, কাৰ্যকৰী সভাপতি প্ৰিয়ংদীপ কাকতি আৰু সম্পাদক ভাস্কৰ জ্যোতি গোহাঁয়ে ডকাইতৰ দৰেই আচৰণ কৰা নুমলীগড় আৰক্ষীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ বাবে প্ৰশাসনক দাবী জনাইছে। শোধনাগাৰৰ সমীপত অবৈধ ধন সংগ্ৰহৰ ছিণ্ডিকেট গঢ়ি তোলা আৰক্ষী বিষয়াজনৰ পথৰ দাঁতিত থকা যান-বাহন ভঙাৰ ক'ত অধিকাৰ পালে বুলিও সংগঠনটোৱে প্ৰশ্ন উত্থাপন কৰিছে। ইপিনে, বিভিন্ন সময়ত নুমলীগড়ত এন আৰ এলৰ টেংকাৰ পাৰ্কিঙৰ স্থানৰ অভাৱৰ বাবে দেশৰ বিভিন্ন প্ৰান্তৰ পৰা ৰাসায়নিক সামগ্ৰী কঢ়িয়াই অনা টেংকাৰ আৰু অন্যান্য বাহনসমূহ ৰাখি থোৱাৰ সময়তো অনুৰূপ ধৰণে আৰক্ষী বিষয়াজনে মাৰপিটেৰে যান-বাহন ক্ষতিগ্ৰস্ত কৰা বুলি টেংকাৰ চালক সন্থাই অভিযোগ উত্থাপন কৰিছে। নুমলীগড় আৰক্ষীৰ এনে অনৈতিক কাণ্ডৰ বিৰুদ্ধে চালক সন্থাই তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। আনহাতে, নুমলীগড়ত আৰক্ষী বিষয়াজনে শিল-বালি কঢ়িওৱা ট্ৰাক, বিভিন্ন হোটেল আৰু চোৰাং তেলৰ ব্যৱসায়ীৰ স'তে মিলি অপৰাধৰ সাম্ৰাজ্য গঢ়ি তোলাৰ বিৰুদ্ধে গৰজি উঠা বিভিন্ন দল-সংগঠনে অসমৰ মুখ্যমন্ত্ৰীলৈ লিখিত অভিযোগ দাখিল কৰাৰো সিদ্ধান্ত গ্ৰহণ কৰিছে। এগৰাকী বিধবা মহিলাই শোধনাগাৰটোৰ স্থানীয় অঞ্চলত কোনোমতে এখন হোটেল দি জীৱিকা নিৰ্বাহ কৰি থকাৰ সময়তে এইগৰাকী দুৰ্নীতিগ্ৰস্ত বিষয়াই মাহে ১০ হেজাৰকৈ টকা দাবী কৰাৰো বিস্ফোৰক অভিযোগ উত্থাপিত হৈছে। তেল ব্যৱসায়ী, পেলনীয়া সামগ্ৰী সংগ্ৰহকাৰী ডেম্প, অবৈধ অৰুণাচলী সুৰা সৰবৰাহকাৰী চক্ৰ , শিলৰ কুঁৰৰী আদিৰ পৰাও নিয়মিতভাৱে মাহেকীয়া কিস্তি নিৰ্ধাৰণ কৰা বিষয়টোৰ লগতে এগৰাকী লোকক ধন দাবী কৰা এটা অডিঅ' ক্লিপিঙেও ব্যাপক চৰ্চা লাভ কৰাৰ লগতে আৰক্ষীৰ নগ্ন স্বৰূপ উন্মোচিত হৈছে।



*জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰ তিনিচুকীয়াৰ সৌজন্যত অনুষ্ঠিত উদ্যমীয়তা বিকাশ কাৰ্যসূচী।*

## পঞ্চায়ত সভাপতিসহ শীঘ্ৰে বিজেপিত যোগদানৰ প্ৰস্তুতি

বিশেষ সংবাদদাতা

**নগাবাট, ১২ জুলাই ঃ** কংগ্ৰেছৰ মোহে আমুৱাইছে তিতাবৰ সমষ্টিৰ একাংশ নেতা-কৰ্মীক। ফলত ন-পুৰণি কংগ্ৰেছ কৰ্মীৰ এটা বৃহৎ দল শীঘ্ৰে শাসক দল বিজেপিৰ শৰণাপন্ন হোৱাৰ প্ৰস্তুতি চলোৱা বুলি প্ৰকাশ পাইছে। দলটোক কংগ্ৰেছৰ অতি প্ৰভাৱশালী তিনিটা পঞ্চায়তৰ সভাপতিসহ বহু কৰ্মীয়ে বিজেপ গমনৰ পথ মুকলি কৰি তোলাৰ কথা এক বিশ্বাসযোগ্য সূত্ৰই সদৰী কৰিছে। এসপ্তাহৰ ভিতৰতে তেওঁলোকে কংগ্ৰেছ ত্যাগ কৰি বিজেপিত যোগদান কৰিব বুলিও চৰ্চিত হৈছে। এইসকলক বিজেপিলৈ অনাৰ সমগ্ৰ খেলখনৰ নেতৃত্ব লৈছে ঠেঙাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰতাপ কছাৰীয়ে। প্ৰণিধানযোগ্য যে শক্তিশালী নেতৃত্বৰ অভাৱতেই বৰ্তমান তিতাবৰ সমষ্টিৰ কংগ্ৰেছত ব্যাপক খহনীয়া হোৱাৰ সম্ভাৱনা স্পষ্ট হৈ পৰিছে। ইফালে তিতাবৰ সমষ্টিৰ কংগ্ৰেছী বিধায়ক ভাস্কৰজ্যোতি বৰুৱাৰ নেতৃত্বত বৰ্তমান উন্নয়নৰ স্থবিৰতাই অতিষ্ঠ কৰি তুলিছে সৰ্বসাধাৰণ ৰাইজক। অলেখ জ্বলন্ত সমস্যাত ককবকাইছে ৰাইজে। এসময়ত কংগ্ৰেছৰ দুৰ্গস্বৰূপ তথা প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত তৰুণ গগৈৰ সমষ্টি হিচাপে তিতাবৰ সমষ্টিবাসীৰ আবেগ ক্ৰমাৎ যেন হ্ৰাস পাইছে। যাৰ পৰিপ্ৰেক্ষিতত এক সবল আৰু শক্তিশালী নেতৃত্বৰ অভাৱতেই ইজন পাছত সিজন বিষয়ববীয়াই কংগ্ৰেছ এৰি বিজেপিলৈ ধাৱমান হৈছে। তিতাবৰ সমষ্টিৰ প্ৰায় তিনিটাকৈ পঞ্চায়ত প্ৰতাপ কছাৰীৰ নেতৃত্বত কংগ্ৰেছ এৰি বিজেপিলৈ অহাৰ প্ৰস্তুতিৰ খবৰে বৰ্তমান ৰাজনৈতিক মহলত ভিতৰি ব্যাপক চৰ্চা লাভ কৰিছে।

### ■ কংগ্ৰেছৰ মোহে আমুৱাইছে তিতাবৰ সমষ্টিৰ একাংশ নেতা-কৰ্মীক

## বৰভাগ মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ প্ৰাচীৰ পত্ৰিকা উন্মোচন



অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ১২ জুলাই ঃ** নলবাৰী জিলাৰ ঐতিহ্যমণ্ডিত বৰভাগ মহাবিদ্যালয় প্ৰাণী বিজ্ঞান বিভাগৰ প্ৰাচীৰ পত্ৰিকা ২০২১-২২ৰ 'সপ্তদীপা' আজি উন্মোচন কৰা হয়। প্ৰাচীৰ পত্ৰিকাৰ সম্পাদক চাজিদ আহমেদে আঁতধৰা অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিৰিঞ্চি চৌধুৰীয়ে প্ৰাচীৰ পত্ৰিকাখন উন্মোচন কৰে। প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰি অধ্যক্ষই ছাত্ৰ-ছাত্ৰীক আকৰ্ষিকত কৰে। অনুষ্ঠানত বৰভাগ মহাবিদ্যালয়ৰ প্ৰশাসনিক উপাধ্যক্ষ নিবেদিতা গোস্বামী, শৈক্ষিক উপাধ্যক্ষ কৰুণা বৰুৱাই ছাত্ৰ-ছাত্ৰীৰ মাজত বক্তব্য ৰাখে। অনুষ্ঠানত 'সপ্তদ্বীপা'ৰ তত্বাৱধায়ক তথা বিভাগীয় মুৰব্বী অধ্যাপক প্ৰতিভা দেৱী, বিভাগীয় অধ্যাপক ৰন্টুমনি ডেকা, লুটফুৰ ৰহমান, চতুৰ্থ বৰ্গৰ সহায়ক ৰাজেন তালুকদাৰ, অন্যান্য বিভাগৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীৰ লগতে ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

## ঢেকিয়াজুলি যুৱক সংঘৰ হীৰক জয়ন্তীৰ ৰাসোৎসৱৰ সন্দৰ্ভত সভা বৰ্ষজোৰা উদ্‌যাপনৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**চিনামৰা , ১২ জুলাই ঃ** ঢেকিয়াজুলি যুৱক সংঘই উদ্‌যাপন কৰি অহা শ্ৰীকৃষ্ণৰ সম্পূৰ্ণ ৰাসোৎসৱে চলিত বৰ্ষত হীৰক জয়ন্তী বৰ্ষত ভৰি দিছে। হীৰক জয়ন্তী বৰ্ষৰ ৰাসোৎসৱ উদ্‌যাপনৰ সন্দৰ্ভত এখন সাধাৰণ সভা যোৱা পহিলা জুলাইত স্থানীয় তুৰাকান্ত নাট্য মঞ্চৰ প্ৰাংগণত অনুষ্ঠিত হয়। যুৱক সংঘৰ সভাপতি প্ৰবীণ কুমাৰ শইকীয়াৰ পৌৰোহিত্যত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক মৃদুপৱন বৰাই। সভাত ২০২২ৰ যুৱক সংঘৰ মঞ্চৰাসৰ হীৰক জয়ন্তী বৰ্ষ উদ্‌যাপনৰ সন্দৰ্ভত আলোচনা কৰা হয়। সভাই হীৰক জয়ন্তী বৰ্ষ ৰাসোৎসৱ উদ্‌যাপনৰ বাবে বিশিষ্ট সংগীত শিল্পী ৰাজেন্দ্ৰ নাথ শইকীয়াক সভাপতি, হেমন্ত মংগল বৰদলৈক সম্পাদক আৰু বহুকেইজন প্ৰবীণ সদস্যক লৈ এখন প্ৰস্তুতি সমিতি গঠন কৰে। ইয়াৰ লগত সংগতি ৰাখি সদৌ অসম ভিত্তিত এখন কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ ড° ৰক্তিম ৰঞ্জন শইকীয়াক মুখ্য আহ্বায়ক হিচাপে লৈ পাঁচজনীয়া এখন কমিটী গঠন কৰি দিয়ে সভাই। তদুপৰি চলিত জুলাইৰ শেষত অসম ভিত্তিত এখন আৰ্ট প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ মানস বৰুৱাক মুখ্য আহ্বায়ক ৰূপে লৈ তিনিজনীয়া কমিটী গঠন কৰি জিতেন শইকীয়া আৰু প্ৰকাশ বৰদলৈক আহ্বায়কৰূপে লৈ অসম ভিত্তিত কেৰম প্ৰতিযোগিতাৰ আয়োজনৰ সিদ্ধান্ত গ্ৰহণ কৰে। লগতে লক্ষীনাথ বৰদলৈকে মুখ্য আহ্বায়কৰূপে লৈ অহা ছেপ্তেম্বৰত এখন সামাজিক নাট মঞ্চস্থ কৰাৰ সভাই সিদ্ধান্ত গ্ৰহণ কৰি সকলো ৰাইজৰে সহযোগিতা কামনা কৰে।

## এবছুৰ উদ্যোগত বৰমাত কৃতী শিক্ষাৰ্থীক সম্বৰ্ধনা



**বৰমা, ১২ জুলাই ঃ** সদ্যঘোষিত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক আজি বৰমা প্ৰাথমিক বড়ো সাহিত্য সভা আৰু বৰমা আঞ্চলিক নিখিল বড়ো ছাত্ৰ সন্থা (এবছু)ই পৃথকে পৃথকে সম্বৰ্ধনা জনায়। বৰমা এবছুৰ সভাপতি জিতেন ফুং বসুমতাৰীৰ সভাপতিত্বত অনুষ্ঠিত সম্বৰ্ধনা সভাত এবছুৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক খনিন্দ্ৰ বসুমতাৰী, বৰমা ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষক দেওবাৰ ৰামচিয়াৰী, বৰমা আঞ্চলিক বড়ো সাহিত্য সভাৰ সভাপতি বুদোৰাম বড়ো, সম্পাদক খ্ৰৌমচাৰ বসুমতাৰী, আঠিয়াবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৰণিচ ছাংগ্ৰাং ৰামচিয়াৰী, বাগ্‌সা জিলা নিখিল বড়ো ছাত্ৰ সন্থাৰ উপ-সভাপতি হাংগামা বড়োৰ লগতে বৰমা অঞ্চলৰ বহু বিশিষ্ট লোক উপস্থিত থাকে। উল্লেখ্য যে বৰমা প্ৰাথমিক বড়ো সাহিত্য সভাই বৰমা অঞ্চলৰ ১০জন কৃতী শিক্ষাৰ্থীক আৰু বৰমা আঞ্চলিক নিখিল বড়ো ছাত্ৰ সন্থাই ৬৭জন কৃতী শিক্ষাৰ্থীক আৰণাই, মানপত্ৰ আৰু কিতাপৰ টোপোলাৰে সম্বৰ্ধনা জনায়।

## নলবাৰীত কৃষকৰ শালি ধানৰ এদিনীয়া প্ৰশিক্ষণ সম্পন্ন

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ১২ জুলাই ঃ** নলবাৰী কৃষি বিষয়া কাৰ্যালয়ত আজি শালি ধানৰ খেতিৰ ওপৰত এদিনীয়া প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হয়। আন্তঃৰাষ্ট্ৰীয় ধান গৱেষণা প্ৰতিষ্ঠানৰ সহযোগত অনুষ্ঠিত প্ৰশিক্ষণ শিবিৰত জিলাখনৰ ভালেসংখ্যক কৃষকে অংশগ্ৰহণ কৰে। উল্লেখ্য যে এপাৰ্ট আৰু আত্মাৰ উদ্যোগত অসম কৃষি বাণিজ্য আৰু ৰূপান্তৰকৰণ প্ৰকল্পৰ অধীনত শালি ধানৰ খেতিৰ এদিনীয়া প্ৰশিক্ষণ শিবিৰত আন্তঃৰাষ্ট্ৰীয় ধান গৱেষণা প্ৰতিষ্ঠানৰ কনিষ্ঠ গৱেষক ড° অম্লান দ্বীপ শইকীয়াই প্ৰশিক্ষণত অংশগ্ৰহণ কৰা কৃষকসকলক শালি ধানৰ বিভিন্ন পদ্ধতি সম্পৰ্কে অৱগত কৰে। গৱেষকজনে কৃষকসকলক শালি ধানৰ বীজ শোধন, দলিচা কঠীয়া, বিশেষকৈ আধুনিক পদ্ধতিৰে মেচিনৰ সহায়ত কেনেকৈ সহজতে বীজ ৰোপণ কৰিব পাৰি সেই বিষয়ে কৃষকসকলৰ স'তে আলোচনা কৰে। তদুপৰি শালি ধানৰ খেতিত সাৰ আৰু কীটনাশকৰ প্ৰয়োগ আৰু পৰিমাণৰ বিষয়ে কৃষকসকলক অৱগত কৰে। তদুপতি শালি ধানৰ খেতিত সাৰ আৰু কীটনাশকৰ প্ৰয়োগ আৰু পৰিমাণৰ বিষয়েও কৃষকসকলক অৱগত কৰে। এদিনীয়া প্ৰশিক্ষণ শিবিৰত মহকুমা কৃষি বিষয়া ৰমেশ চন্দ্ৰ শৰ্মায়ো শালি ধানৰ খেতিৰ বিষয়ে বিস্তৃত ৰূপত কৃষকৰ স'তে মত বিনিময় কৰে। আত্মাৰ সহকাৰী প্ৰকল্প সঞ্চালক ড° জয়া গগৈয়ে অনুষ্ঠানত আঁতধৰা প্ৰশিক্ষণ শিবিৰত অংশগ্ৰহণ কৰা কৃষকসকলেও গৱেষক আৰু বিষয়াসকলৰ স'তে শালি ধানৰ খেতিত পাই অহা বিভিন্ন সমস্যা সম্পৰ্কত প্ৰশ্নৰ অৱতাৰণা কৰি মত বিনিময় কৰে। উল্লেখ্য যে ৰাজ্যখনত প্ৰলয়ংকৰী বানে কৃষকসকলৰ ব্যাপক ক্ষতিসাধন কৰাৰ লগতে নলবাৰী জিলাতো কে'বা হেজাৰ হেক্টৰ কৃষিভূমিৰ অনিষ্ট সাধন কৰাত কৃষকসকল হতাশাত ভুগিছিল। তেনে সময়ত কৃষকসকলৰ বাবে অনুষ্ঠিত প্ৰশিক্ষণ শিবিৰত কৃষকসকল উপস্থিত থাকি যথেষ্ট

## মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ ২৫ লাখ টকাৰ অনুদান

**গুৱাহাটী, ১২ জুলাইঃ** ৰাজ্যৰ বানপীড়িত ৰাইজক সকাহ দিয়াৰ লক্ষ্য আগত ৰাখি তথা বানপীড়িত ৰাইজৰ কাষত থিয় দি অসমৰ আগশাৰীৰ স্বেচ্ছাসেৱী অনুষ্ঠান 'লাইট অৱ ভিলেজ এনাৰ্জী (লাভ)-এ অসমৰ মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ ২৫ লাখ টকাৰ অনুদান আগবঢ়াইছে। অসমৰ বন্যাৰ্তৰ সহায়ক হোৱাকৈ বেচৰকাৰী অনুষ্ঠানটোৱে উক্ত সাহায্য আগবঢ়োৱা বুলি 'লাভ'ৰ সভাপতি যোগেশ তালুকদাৰ আৰু সাধাৰণ সম্পাদক অনুপ কুমাৰ মজুমদাৰে এক বিজ্ঞপ্তিযোগে জানিবলৈ দিয়ে। লাইট অৱ ভিলেজ এনাৰ্জীৰ এনে পদক্ষেপক সচেতন মহলে আদৰণি জনাইছে।

## শুৱালকুছি অৰুণোদয় বিদ্যা মন্দিৰত গ্ৰীষ্মকালীন শিবিৰৰ সামৰণি অনুষ্ঠান



অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ১২ জুলাই ঃ** শুৱালকুছিৰ অন্যতম অসমীয়া মাধ্যমৰ শিক্ষানুষ্ঠান অৰুণোদয় বিদ্যা মন্দিৰৰ গ্ৰীষ্মকালীন শিবিৰৰ আজি সামৰণি পৰে। তদুপলক্ষে এখন শৈক্ষিক সভা অনুষ্ঠিত হয়। বিদ্যা মন্দিৰৰ প্ৰধান শিক্ষয়িত্ৰী সবিতা দেৱীৰ পৌৰোহিত্যত অনুষ্ঠিত সভাৰ সভাপতিৰ ভাষণত কয় যে শিশুসকলৰ প্ৰতিভা জন্মস্বত্ব। সেই সুপ্ত প্ৰতিভা বিকাশ কৰিব লাগিব শিক্ষক-শিক্ষয়িত্ৰীসকলে। তেওঁলোকক শিকালে শিকে। সেয়ে সহঃবিদ্যায়তনিক দিশেৰে ব্যস্ত ৰাখি শৈক্ষিক জীৱনত আগবঢ়াই নিয়াই আমাৰ সকলোৰে দায়িত্ব আৰু কৰ্তব্য। সভাত মুখ্য অতিথিৰ ভাষণত শুৱালকুছি কালিৰাম হাইস্কুলৰ সহকাৰী শিক্ষক বাবুল কলিতাই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশি কয় যে শিক্ষাৰ্থীসকলে পাঠ্যক্ৰমৰ শিক্ষাৰ উপৰি সহঃবিদ্যায়তনিক যেনে নৃত্য-গীত-নাট-কবিতা আবৃত্তি-হস্তকলা আদিতো পাৰ্গত হোৱাটো প্ৰয়োজন। সেয়ে চৰকাৰৰ শিক্ষা বিভাগে গ্ৰীষ্মকালীন শিবিৰ অনুষ্ঠিত কৰাৰ নিৰ্দেশনা প্ৰেৰণ কৰিছে। যাৰ ফলত অৰুণোদয় বিদ্যা মন্দিৰৰ ছাত্ৰ-ছাত্ৰীসকলকো উক্ত বিষয়সমূহৰ ওপৰত প্ৰশিক্ষণ দিয়াত ছাত্ৰ-ছাত্ৰীসকল নিশ্চয় উপকৃত হোৱা বুলি অনুধাৱন কৰে। সামৰণি অনুষ্ঠানত শিক্ষক নৃপেন দাস, দুলু কলিতা শিক্ষয়িত্ৰী গীতাঞ্জলি কলিতা, বিদ্যা মন্দিৰ পৰিচালনা সমিতিৰ সভানেত্ৰী নীলিমা দাস আদিয়েও গ্ৰীষ্ম বন্ধৰ শুভেচ্ছা জনাই গৰম বন্ধৰ সময়ছোৱাত স্বাস্থ্যৰ প্ৰতি সদা সচেতন হ'বলৈ ছাত্ৰ-ছাত্ৰীক পৰামৰ্শ দিয়ে। অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলে গীত-নৃত্য পৰিৱেশন, কবিতা আবৃত্তি আদিৰে অনুষ্ঠান জীপাল কৰে। তদুপৰি গ্ৰীষ্মকালীন শিবিৰত অনুষ্ঠিত কবিতা আবৃত্তি বুদ্ধি পৰীক্ষা, হস্তকলা আদি প্ৰতিযোগিতাৰ বিজয়ীসকলৰ মাজত পুৰস্কাৰসমূহ বিতৰণ কৰে। সভাৰ পূৰ্বে ছাত্ৰ-ছাত্ৰীসকলে সাজি উলিওৱা হস্তকলাৰ সামগ্ৰীবোৰ প্ৰদৰ্শন কৰি অভিভাৱকসকলৰ প্ৰশংসা লাভ কৰে।

### ছাত্ৰ-ছাত্ৰীসকলৰ সহঃবিদ্যায়তনিক দিশ অতি জৰুৰী

## ৰাইজৰ অভিযোগৰ পাছতে কঞা ৰাজহ চক্ৰৰ চাৰি পঞ্চায়তত বিধায়িকা সুমন হৰিপ্ৰিয়া

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ১২ জুলাই ঃ** কামৰূপ জিলাৰ হাজো সমষ্টিৰ অন্তৰ্গত কঞা ৰাজহ চক্ৰৰ বান বিধ্বস্ত অঞ্চলত আজি বিধায়িকা সুমন হাৰিপ্ৰিয়াই পৰ্যবেক্ষণ কৰি প্ৰকৃত বান বিধ্বস্ত পৰিয়াল বাদ পৰিছে নেকি তাৰে উমান লয়। উল্লেখ্য যে সোমবাৰে গড়পোট বৰঘুলিৰ একাংশ ৰাইজে বান বিধ্বস্ত পৰিয়াল বাছনিত স্বজন-তোষণৰ অভিযোগ তুলি স্থানীয় ৰাজহ চক্ৰ বিষয়াক স্মাৰকপত্ৰ দিছিল। সেই সম্পৰ্কে 'দৈনিক অগ্ৰদূত'কে ধৰি একাংশ বাতৰি কাকতত বাতৰি প্ৰকাশ হৈছিল। আজি বিধায়িকাগৰাকীয়ে সেই সম্পৰ্কে বাতৰি দেখি তৎপৰ হৈ ঢাপলি মেলিছে ৰাজহ চক্ৰটোৰ বান বিধ্বস্ত অঞ্চললৈ। বাৰংহাটী, কঞা বৰপুল্লা, ধুহিবালা, বালিসত্ৰ গাঁও পঞ্চায়তৰ বান বিধ্বস্ত অঞ্চল পৰিভ্ৰমণ কৰি বিধায়িকা হৰিপ্ৰিয়াই পৰিস্থিতিৰ বুজ লয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্বৰ নিৰ্দেশত বিধায়িকা হাৰিপ্ৰিয়াই এই অঞ্চলৰ চুবুৰীয়ে চুবুৰীয়ে গৈ বানত ক্ষতিগ্ৰস্ত লোকসকলৰ লগত আলোচনাত মিলিত হয়। তেওঁ বানপানীৰ ফলত দিশহাৰা হোৱা এই অঞ্চলৰ লোকসকলৰ অৰ্থনৈতিক দুৰৱস্থা অতি শীঘ্ৰে দূৰ কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে যথেষ্ট পদক্ষেপ লোৱা বুলি সদৰী কৰে। উল্লেখ্য যে ৰাজহ চক্ৰটোৰ বিভিন্ন প্ৰান্তত বৰলীয়া নৈয়ে মথাউৰি ভাঙি এক ভয়ংকৰ পৰিৱেশৰ সৃষ্টি কৰিছিল। অঞ্চলটোৰ বিস্তৃত অঞ্চল পানীত ডুব যোৱাৰ ফলত একপ্ৰকাৰ জলপ্ৰলয়ৰ সৃষ্টি হৈছিল। বহুতৰে ঘৰ-দুৱাৰ ভাঙি সৃষ্টি কৰিছিল এক আতংক। বৰ্তমান পানী শুকাই সাধাৰণ পৰিৱেশ ঘূৰি আহিছে যদিও চৌদিশে কেৱল মাৰিশালিৰ নিস্তব্ধতা বিৰাজ মান। খেতি পথাৰ, পুখুৰী, ঘৰ-দুৱাৰ সকলো হেৰুৱাই এই অঞ্চলৰ লোকসকলে কাঢ়িছে কেৱল বিষাদৰ হুমুনিয়াহ।

## ঈদ উপলক্ষে বৰবুকীয়াত বিভিন্ন ধৰণৰ কুইজ-বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতা



অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ১২ জুলাই ঃ** নলবাৰী জিলাৰ একেবাৰে ভিতৰুৱা অঞ্চল বৰবুকীয়া ঈদগাহ ময়দানত, বৰবুকিয়া ইদগাহ ময়দান সমিতি আৰু যুৱ মঞ্চৰ উদ্যোগত পবিত্ৰ ঈদ উপলক্ষে বিভিন্ন ধৰণৰ খেল-ধেমালি প্ৰতিযোগিতা আৰু কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হৈ যায়। যিটো সময়ত একাংশ লোকে হিন্দু মুছলমানৰ মাজত সংঘাত আৰু ভেদাভেদ সৃষ্টি কৰি হিংসাৰ বীজ সিঁচিবলৈ চেষ্টা কৰিছে তেনে পৰিপেক্ষিতত বৰবুকীয়া ঈদগাহ ময়দানত দেখা পোৱা গ'ল এক ব্যতিক্ৰমী ছবি। ঈদ উপলক্ষে আয়োজন কৰা খেল-ধেমালি প্ৰতিযোগিতাত হিন্দু যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰি বিভিন্ন ধৰণৰ পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হয়। আনকি ঈদৰ দিনাখন নামাজ পঢ়াৰ সুবিধাৰ বাবে হিন্দু ব্যক্তিয়ে লাগতিয়াল সামগ্ৰী যোগান ধৰিছিল বুলি পৰিচালনা সমিতিয়ে জানিবলৈ দিয়ে। কালি উদ্যোক্তা সমিতিৰ সভাপতি ৰেকিবুদ্দিন আহমেদ, সম্পাদক ইক্ৰাম আলী কোষাধ্যক্ষ অহেদুৰ ৰহমানৰ লগতে মেৰাজুল, মুন আৰু ৰাইজৰ সহযোগত অনুষ্ঠানটো সুকলমে হৈ যায় বঁটা বিতৰণী সভাৰ সভাপতি মঃ চায়েদ আলী, নিৰ্দিষ্ট বক্তা তাইজুদ্দিন আহমেদ, আঞ্চলিক দ্বীনি তালিম মাদ্ৰাছাৰ মোহতামিম হাফিজ ইউচুফ আলী, বিশিষ্ট অতিথি আনোৱাৰ হুছেইন, হজৰত আলী, ইমতাজ আলী মৌলানা জহুৰুদ্দিন, সাংবাদিক ফইজুল হক চৌধুৰীয়ে বঁটা বিতৰণী সভাত উপস্থিত হৈ প্ৰতিযোগীসকলক বিভিন্ন ধৰণৰ কিতাপ, কলম আদি হাতত তুলি দি পুৰস্কৃত কৰে।

### সম্প্ৰীতিৰ নিদৰ্শন দেখা পোৱা গ'ল হিন্দু-মুছলমানৰ মাজত

## জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ-বন্য জীৱৰ সহাৱস্থানৰ ওপৰত গোৱালপাৰাত আৰণ্যকৰ মত বিনিময় অনুষ্ঠান





অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১২ জুলাই ঃ** জৈৱ-বৈচিত্ৰ্য সংৰক্ষণৰ ক্ষেত্ৰত কাম কৰি অহা অসমৰ আগশাৰীৰ স্বেচ্ছাসেৱী সংস্থা আৰণ্যকৰ উদ্যোগত আৰু গোৱালপাৰা জিলা সাংবাদিক সন্থাৰ সহযোগত আজি জৈৱ-বৈচিত্ৰ্য সংৰক্ষণৰ লগতে মানুহ আৰু বন্য জীৱৰ সহাৱস্থান সম্পৰ্কে এখন মত বিনিময় অনুষ্ঠান অনুষ্ঠিত কৰা হয়। গোৱালপাৰা জিলা সাংবাদিক সন্থাৰ প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত জিলাখনৰ ভালেসংখ্যক সংবাদকৰ্মীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত আৰণ্যকৰ পৰিৱেশ শিক্ষা বিভাগৰ জ্যেষ্ঠ প্ৰবন্ধক জয়ন্ত কুমাৰ পাঠক, জীৱবিদ ড° বিভূতি প্ৰসাদ লহকৰ আৰু জ্যেষ্ঠ সাংবাদিক বিজয় শংকৰ বৰা উপস্থিত থাকি জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ, জলবায়ু পৰিৱৰ্তন আৰু হাতী-মানুহৰ সংঘাত সম্পৰ্কে আলোচনা কৰে। ইয়াৰে জীৱবিদ ড° বিভূতি প্ৰসাদ লহকৰে জিলাখনত দেখা দিয়া হাতী-মানুহৰ সংঘাতৰ বিশ্লেষণ আৰু ইয়াৰ নিৰাময় সম্পৰ্কে ভাষণ প্ৰদান কৰে। একেদৰে সাংবাদিক বিজয় শংকৰ বৰা আৰু জয়ন্ত কুমাৰ পাঠকে জলবায়ু পৰিৱৰ্তনৰ ভয়াৱহতা ৰোধ আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণৰ ক্ষেত্ৰত সংবাদ মাধ্যমে কি ভূমিকা ল'ব পাৰে আৰু এই ক্ষেত্ৰত কি পদ্ধতিৰে বাতৰি পৰিৱেশন কৰিব লাগে সেই সম্পৰ্কে ভাষণ প্ৰদান কৰে। অনুষ্ঠানত সাংবাদিক ক্ৰমে দিলীপ কুমাৰ শৰ্মা, আব্দুছ ছোবাহান আৰু ইব্ৰাহিম আলীৰ লগতে জিলা তথ্য আৰু জনসংযোগ বিষয়া প্ৰণৱ কুমাৰ দাস, হস্তী-মানৱৰ সংঘাত নিৰাময়ৰ ক্ষেত্ৰত সদায় তৎপৰ হৈ থকা জ্যেষ্ঠ নাগৰিক তথা সমাজকৰ্মী ননী দাস আৰু যুৱ সমাজকৰ্মী নিৰ্মল সূত্ৰধৰে নিজ নিজ অভিজ্ঞতা সম্পৰ্কে ব্যাখ্যা আগবঢ়োৱাৰ উপৰি কিছুমান পৰামৰ্শমূলক বক্তব্য প্ৰদান কৰে। জিলা সাংবাদিক সন্থাৰ সম্পাদক উদিত নাৰায়ণ কলিতাই আদৰণি ভাষণ দিয়াৰ লগতে শলাগৰ শৰাই আগবঢ়ায়। উল্লেখ্য যে প্ৰজেক্টৰৰ জৰিয়তে তথ্য সহকাৰে হস্তী-মানৱৰ সংঘাতৰ কাৰণ, ক্ষয়-ক্ষতিকে ধৰি বিভিন্ন দিশ সামৰি জীৱবিদ ড° বিভূতি প্ৰসাদ লহকৰে বহলাই আলোচনা কৰে। লগতে ওড়িছাৰ দৰে অসমতো বিশেষ এপছ মুকলিৰ ব্যৱস্থা কৰি বন্যহস্তীয়ে কৰা ক্ষয়-ক্ষতিৰ তাৎক্ষণিক ক্ষতিপূৰণ আদায় দিয়াৰ ব্যৱস্থা কৰিবলৈ দাবী উত্থাপন কৰে। আৰণ্যকৰ ফালৰ পৰা হস্তী-মানৱৰ সংঘাত নিৰাময়ৰ ক্ষেত্ৰত গোৱালপাৰা জিলাৰ বাবে গ্ৰহণ কৰা কিছুমান পদক্ষেপৰ বিষয়ে সদৰী কৰে বক্তাসকলে।


## জ্যোতিপ্ৰসাদৰ চিন্তা-চৰ্চা নৱপ্ৰজন্মৰ মাজত প্ৰচাৰ-প্ৰসাৰ হ'লে সমাজৰ মংগল হ'ব

### ■ জ্যোতিপ্ৰসাদৰ জন্ম দিৱস উপলক্ষে চিত্ৰাংকন-জ্যোতি সংগীত প্ৰতিযোগিতা



অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ১২ জুলাই ঃ** জ্যোতি প্ৰসাদৰ জন্মজয়ন্তী উপলক্ষে তথা জ্যোতি প্ৰসাদৰ চিন্তাধাৰাক নতুন প্ৰজন্মৰ মাজ প্ৰচাৰ প্ৰসাৰৰ লক্ষ্যৰে যোৱা ২৭ জুনত পালন কৰা জন্ম দিৱসৰ লগত সংগতি ৰাখি ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা জন্মজয়ন্তী উদ্‌যাপন সমিতি লখিমপুৰ জিলাৰ উদ্যোগত কালি কণ কণ শিশুসকলৰ মাজত চিত্ৰাংকন জ্যোতি সংগীত প্ৰতিযোগিতা আৰু আলোচনা সভা আয়োজন কৰা হয়। লখিমপুৰ টাউন মডেল প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত অনুষ্ঠানটোৰ জ্যোতিপ্ৰসাদ বিষয়ৰ মুকলি সভাখনৰ আলোচনা চক্ৰখন সঞ্চালনা কৰে পানীন্দ্ৰ বিদ্যালয়ৰ প্ৰধান শিক্ষক উপেন গগৈয়ে। সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি সমাজকৰ্মী প্ৰাঞ্জল দেৰে জ্যোতি প্ৰসাদৰ চিন্তাধাৰাৰ সূক্ষ্ম বিশ্লেষণ কৰে। অনুষ্ঠানটোত জীয়াঢল কলেজৰ প্ৰৱক্তা কৃষ্ণ পেগু, এছইউআইচিৰ সদস্য বিৰিঞ্চি পেগু উপস্থিত থাকি বৰ্তমান সমাজ ব্যৱস্থাত জ্যোতিপ্ৰসাদৰ প্ৰাসংগিতা সম্পৰ্কে আলোচনা আগবঢ়ায়। সভাৰ অন্তত সভাপতিৰ আসনৰ পৰা উপেন গগৈয়ে কয় যে সমাজত জ্যোতিপ্ৰসাদৰ চিন্তা-চৰ্চা নৱপ্ৰজন্মৰ মাজত প্ৰচাৰ-প্ৰসাৰ হ'লে সমাজৰ মংগল হ'ব বুলি মতপোষণ কৰে। সভাৰ অন্তত প্ৰতিযোগিতাৰ বঁটা বিতৰণী অনুষ্ঠান অনুষ্ঠিত হয়। চিত্ৰাংকন প্ৰতিযোগিতাৰ নিম্ন আৰু উচ্চ শাখাৰ ফলাফল অনুসৰি 'ক' শাখাত হৰ্ষিতা ফুকনে প্ৰথম স্থান, কৰিণা হাজৰিকাই দ্বিতীয় স্থান ঈপ্সিতা বৰুৱাই তৃতীয় স্থান, 'খ' শাখাত কাব্যশ্ৰী সোণোৱালে প্ৰথম স্থান, ক্ৰিদয় কৌশিক গগৈয়ে দ্বিতীয়, মৃগাংক গগৈয়ে তৃতীয় স্থান লাভ কৰে। জ্যোতি সংগীতত নিম্ন শাখাত বৰ্ণভা প্ৰথম, মঞ্জুৰী প্ৰিয়ম বনিয়াই দ্বিতীয় স্থান, নিৰঞ্জন ব্ৰহ্ম আৰু তেজস প্ৰভা দাসে যুটীয়াভাৱে তৃতীয় স্থান, উচ্চ শাখাত সুদৰ্শনা তামুলীয়ে প্ৰথম স্থান দখল লাভ কৰে।




## এদিনীয়া মেচৰ প্ৰথম ১০ অভাৰতে চাৰি উইকেট বুমৰাহৰ

**নিউজ ব্যুৰ'**

**লণ্ডন, ১২ জুলাই ঃ** আজি ইংলণ্ডৰ বিপক্ষে বিধ্বংসী বলিঙেৰে এদিনীয়া আন্তৰ্জাতিক মেচত বিশেষ কৃতিত্ব অৰ্জন কৰিলে যশপ্ৰীত বুমৰাহে। ২০০২ৰ পাছত ভাৰতৰ তৃতীয়জন বলাৰৰূপে এদিনীয়া আন্তৰ্জাতিক মেচত প্ৰথম ১০ অভাৰৰ ভিতৰতে বুমৰাহে চাৰিটা উইকেট দখল কৰিলে। ইয়াৰ পূৰ্বে ২০০৩ত জোহান্সবাৰ্গত শ্ৰীলংকাৰ বিপক্ষে জভাগল শ্ৰীনাথে আৰু ২০১৩ত প'ৰ্ট অৱ স্পেইনত শ্ৰীলংকাৰ বিপক্ষে ভুৱনেশ্বৰ কুমাৰে এই কৃতিত্ব অৰ্জন কৰিছিল। উল্লেখ্য যে আজি বুমৰাহে ইংলণ্ডৰ ইনিংছৰ অষ্টম অভাৰতে নিজৰ চতুৰ্থ উইকেট দখল কৰে। আজিৰ খেলখনত বুমৰাহে মুঠ ছটা উইকেট দখল কৰে। আজিৰ খেলখনত বুমৰাহৰ ধুমুহাসদৃশ বলিঙৰ চিকাৰ হয় ক্ৰমে জেছন ৰয় (০), জনী বেয়াৰষ্ট' (৭), জো ৰুট (০), লিয়াম লিভিংষ্টোন (০), ডেভিদ উইলী (২১) আৰু ব্ৰাইডন কাৰ্জ (১৫)। তেওঁ ৭.২ অভাৰত মাত্ৰ ১৯ ৰাণ খৰচ কৰি ছটা উইকেট দখল কৰিবলৈ সক্ষম হয়।

# বুমৰাহ-ৰোহিতৰ ধুমুহাত উৰি গ'ল ইংলণ্ড

## ১১০ ৰাণতে ইংৰাজে সামৰিলে ইনিংছ ঃ ১০ উইকেটৰ জয় ভাৰতৰ



**নিউজ ব্যুৰ'**

**লণ্ডন, ১২ জুলাই ঃ** পেচবলাৰ যশপ্ৰীত বুমৰাহ আৰু অধিনায়ক ৰোহিত শৰ্মাৰ ধুমুহাত প্ৰথম এদিনীয়া মেচত উৰি গ'ল ইংলণ্ডৰ শিবিৰ। ১০ উইকেটত বিজয় সাব্যস্ত কৰি ভাৰতে তিনিখনীয়া মেচৰ শৃংখলাত ১-০ৰ অগ্ৰগতি অৰ্জন কৰিলে। ইংৰাজৰ বেটিঙত কঁপনি তুলি বুমৰাহে মাত্ৰ ১৯ ৰাণৰ বিনিময়ত ছটা উইকেট দখল কৰাৰ পাছত জয়ৰ বাবে প্ৰয়োজনীয় বাকী কামখিনি সমাধা কৰে ৰোহিতে।

আজি পোনতে বেটিং কৰিয়েই ইংলণ্ডে বুমৰাহ আৰু মহম্মদ ছামিৰ দুৰ্ধৰ্ষ বলিঙৰ সন্মুখীন হয়। ফলত মাত্ৰ ২৫.২ অভাৰত মাত্ৰ ১১০ ৰাণতে ঘৰুৱা দলটোৰ ইনিংছ সমাপ্ত হয়। এটা সময়ত ৬৮ ৰাণতে দলটোৱে আঠ উইকেট হেৰুৱাই গভীৰ সংকটত পৰিছিল। সেই সময়ত ইংলণ্ডৰ এদিনীয়া মেচত সৰ্বনিম্ন স্ক'ৰ হোৱাৰ আশংকাও সৃষ্টি হৈছিল। অৱশ্যে ডেভিড উইলী (২১) আৰু ব্ৰাইডন কাৰ্জ (১৫)ৰ সামান্য প্ৰতিৰোধৰ বাবে দলটোৱে সৰ্বনিম্ন স্ক'ৰৰ লজ্জাৰ হাত সাৰে। ইয়াৰ পূৰ্বে অধিনায়ক জ'ছ বাটলাৰে আক্ৰমণাত্মক বেটিঙেৰে ৩২টা বলত ৩০ ৰাণ কৰি পৰিস্থিতি সলনি কৰাৰ চেষ্টা কৰিছিল যদিও বিফল হয়। বুমৰাহক যোগ্য সংগত দি ছামিয়ে তিনিটা আৰু প্ৰসিদ্ধ কৃষ্ণই এটা উইকেট পায়।

ইপিনে, জয়ৰ বাবে সহজ লক্ষ্য অনুসৰণ কৰাত ভাৰতীয় অপেনাৰদ্বয়ৰ কোনো অসুবিধা নহ'ল। শিখৰ ধৱন (৩১ অপঃ) কিছু সংযমী আছিল যদিও অধিনায়ক ৰোহিতে আৰম্ভণিৰে পৰাই আক্ৰমণাত্মক ৰূপ লয়। তেওঁ মাত্ৰ ৫৮টা বলত ছটা বাউণ্ডেৰী আৰু পাঁচটা ছিক্সাৰৰ সহায়ত ৭৬ ৰাণত অপৰাজিত হৈ ৰয়। উল্লেখ্য যে মাত্ৰ ১৮.৪ অভাৰতে ভাৰতে বিজয় লক্ষ্যত উপনীত হয়।



ধুমুহা সৃষ্টিকাৰী বুমৰাহৰ বিষাক্ত বলিঙৰ প্ৰথন চিকাৰ জেছন ৰয়।

## গোহাঁই টেকেলা জয়ী

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ১২ জুলাই ঃ** যোৰহাট জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত যোৰহাট ষ্টেডিয়ামত অনুষ্ঠিত হোৱা 'এ' ডিভিজন ফুটবল লীগ প্ৰতিযোগিতাত আজিৰ খেলত গোহাঁই টেকেলা ফুটবল ক্লাবে ৰেডিয়েন্ট ক্লাবক ২-০ গ'লত পৰাভূত কৰি লীগৰ সম্পূৰ্ণ পইন্ট লাভ কৰিবলৈ সক্ষম হয়। খেলৰ অতিৰিক্ত সময়ৰ ৯১ আৰু ৯৪ মিনিটত গ'ল দি দিগন্ত চাওৰাই গোহাঁই টেকেলাক বিজয়ী কৰায়।

# টেষ্ট চেম্পিয়নশ্বিপৰ শীৰ্ষস্থান হেৰুৱালে অষ্ট্ৰেলিয়াই ঃ শ্ৰীলংকা তিনিলৈ অগ্ৰসৰ

**নিউজ ব্যুৰ'**

**ডুবাই, ১২ জুলাই ঃ** শ্ৰীলংকাৰ বিপক্ষে কালি ইনিংছ ব্যৱধানত পৰাজিত হৈ আইচিচি ৱৰ্ল্ড টেষ্ট চেম্পিয়নশ্বিপৰ পইন্ট তালিকাৰ শীৰ্ষস্থান হেৰুৱালে অষ্ট্ৰেলিয়াই। ইয়াৰ বিপৰীতে বৃহৎ অগ্ৰগতিৰে তালিকাৰ তৃতীয় স্থানলৈ উঠিল শ্ৰীলংকা। চলিত বিশ্ব টেষ্ট প্ৰতিযোগিতাত অষ্ট্ৰেলিয়া প্ৰথমবাৰলৈ পৰাজিত হৈছে। শ্ৰীলংকাৰ বিপক্ষে দ্বিতীয় টেষ্টৰ পূৰ্বে পেট কামিন্সৰ দলৰ পইন্ট আছিল ৭৭.৭৮ শতাংশ। টেষ্টখনত পৰাজিত হোৱাত দলটোৰ পইন্ট ৭০ শতাংশলৈ নামি আহিল। ফলত ৭১.৪৩ পইন্ট লাভ কৰি থকা দক্ষিণ আফ্ৰিকা প্ৰথম স্থানলৈ অগ্ৰসৰ হ'ল। অষ্ট্ৰেলিয়া নামিল দ্বিতীয় স্থানলৈ।

ইপিনে, কালিৰ বিজয়ৰ সুবাদত শ্ৰীলংকাই পইন্ট তালিকাত তিনিটা স্থান আগুৱালে। ষষ্ঠৰ পৰা দলটো উঠি আহিল তিনি নম্বৰলৈ। ফলত এটাকৈ স্থান হেৰুৱালে ক্ৰমে পাকিস্তান আৰু ভাৰতে। তৃতীয় স্থানত থকা শ্ৰীলংকাৰ পইন্ট হৈছে ৫৪.১৭ শতাংশ। পাকিস্তানে ৫২.৩৮ আৰু ভাৰতে ৫২.০৮ শতাংশ পইন্ট লাভ কৰি আছে। চলিত মাহতে শ্ৰীলংকাই ঘৰুৱা খেলপথাৰত পাকিস্তানৰ বিপক্ষে দুখন টেষ্ট খেলিব। দুয়োখনতে জয়ী হ'ব পাৰিলে দলটোৱে তালিকাত দ্বিতীয় স্থানলৈ অগ্ৰগতি অৰ্জনৰ সম্ভাৱনা বাঢ়িব।

# বিশ্ৰাম লোৱা খেলুৱৈৰ পাৰিশ্ৰমিক কৰ্তনৰ পোষকতা ক্ষুণ্ণ গাভাস্কাৰৰ

## ব্যৰ্থ কোহলিৰ পক্ষত থিয় দিলে কিংবদন্তি অপেনাৰে



**নিউজ ব্যুৰ'**

**মুম্বাই, ১২ জুলাই ঃ** ভাৰতীয় দলৰ জ্যেষ্ঠ খেলুৱৈসকলৰ ওপৰত বাৰুকৈয়ে ক্ষুণ্ণ হৈছে কিংবদন্তি অপেনাৰ সুনীল গাভাস্কাৰ। বিৰাট কোহলি, ৰোহিত শৰ্মা, যশপ্ৰীত বুমৰাহ আদিয়ে আইপিএলত খেলিলেও ভাৰতীয় দলৰ হৈ খেলাৰ সময়ত ঘনাই বিশ্ৰাম লৈছে। এই কথাতে ক্ষুণ্ণ হৈছে প্ৰাক্তন অধিনায়কজন। এই প্ৰসংগত গাভাস্কাৰে কয়, 'ক্ৰিকেটাৰসকলক বিশ্ৰাম দিয়াত মই বিশ্বাসী নহয়। আইপিএলৰ সময়ততো কোনেও বিশ্ৰাম নিবিচাৰে। তেনেহ'লে ভাৰতৰ হৈ খেলাৰ সময়ত কিয় বিশ্ৰাম লাগে? ভাৰতৰ হৈ খেলিবই লাগিব। বিশ্ৰামৰ কথা কোৱাই অনুচিত। টি-২০ত মাত্ৰ ২০ অভাৰৰ এটা ইনিংছ খেলিব লাগে। তাৰ ফলত শৰীৰত কোনো প্ৰভাৱ নপৰে। টেষ্ট মেচত শৰীৰ আৰু মন, উভয়তে চাপ পৰে। সেয়া বুজিব পাৰো, কিন্তু টি-২০ত বিশ্ৰাম লোৱাৰ অৰ্থ কি?' ভাৰতৰ হৈ ইখনৰ পাছত সিখন মেচ নেখেলিলে ক্ৰিকেটাৰসকলৰ চুক্তিক কেন্দ্ৰ কৰিও ব'ৰ্ডে চিন্তা-চৰ্চা কৰা উচিত বুলি গাভাস্কাৰে মন্তব্য কৰে। তেওঁ কয়, 'এই বিশ্ৰাম লোৱাৰ ক্ষেত্ৰত ব'ৰ্ডে চিন্তা কৰা উচিত। গ্ৰেড 'এ'ৰ ক্ৰিকেটাৰসকলে প্ৰচুৰ টকা পায়। কোনো কোম্পানীৰ চিইঅ' বা মেনেজিং ডিৰেক্টৰে জানো ইমান ছুটি লয়? ভাৰতীয় খেলুৱৈসকল অতি বেছি পেছাদাৰী হ'ব লাগিব। বিশ্ৰাম ল'লে প্ৰাপ্য ধনো কমাই ল'ব লাগিব।'


বিশ্ৰাম লোৱাৰ বাবে কোহলিক সমালোচনা কৰিলেও অৱশ্যে ৰাণ নোপোৱাৰ বিষয়ত তেওঁৰ কাষত থিয় দিলে টেষ্টত প্ৰথম ১০ হেজাৰ ৰাণৰ গৰাকীজনে। গাভাস্কাৰে কয়, 'ৰোহিতে যেতিয়া ৰাণ নাপায়, তেতিয়াতো কোনেও একো নকয়। আন বেটাৰসকলে ৰাণ নাপালেও ইমান কথা নহয়। ছন্দ আজি আছে কাইলৈ নাই, কিন্তু প্ৰতিভা চিৰস্থায়ী।'

# আগন্তুক বৰ্ষৰ বিশ্বকাপেই লক্ষ্য ধৱনৰ

**নিউজ ব্যুৰ'**

**বাৰ্মিংহাম, ১২ জুলাই ঃ** পাঁচমাহৰ বিৰতিৰ পাছত জাতীয় দললৈ প্ৰত্যাৱৰ্তন ঘটাইছে শিখৰ ধৱনে। আনকি আগন্তুক ৱেষ্টইণ্ডিজ ভ্ৰমণত তেওঁ দলক নেতৃত্বও দিয়াৰ কথা। অৱশ্যে সেই বিষয়ত এতিয়াই একো চিন্তা কৰিব খোজা নাই বাঁওহতীয়া বেটাৰজনে। আজিৰে পৰা আৰম্ভ হোৱা শৃংখলাত সম্প্ৰতি গুৰুত্ব আৰোপ কৰিছে যদিও নিজৰ লক্ষ্যৰ কথা ইতিমধ্যেই তেওঁ স্পষ্ট কৰিছে। আগন্তুক বৰ্ষৰ ৫০ অভাৰৰ বিশ্বকাপত খেলাৰ লক্ষ্য স্থিৰ কৰিছে ধৱনে।

বিগত কিছু মাহত ভাৰতে কে'বাখনো এদিনীয়া মেচ খেলিলেও ধৱনে সুযোগ পোৱা নাছিল। বহুতেই ৩৬ বছৰীয়া বেটাৰজনৰ আন্তৰ্জাতিক কেৰিয়াৰৰ ওৰ পৰা বুলিয়ে ধাৰণা কৰিছিল। সেই ধাৰণাক ভুল প্ৰমাণ কৰাৰ বাবেই আজিৰে পৰা আৰম্ভ হোৱা শৃংখলাটোকে ধৱনে বাছি লৈছে। কালি সংবাদ মাধ্যমৰ আগত ধৱনে কয়, 'কোনো ভ্ৰমণৰ পূৰ্বে প্ৰস্তুতিৰ প্ৰয়োজনীয়তা কিমান জানো। সেয়ে সকলো সময়তে প্ৰাথমিক বিষয়বোৰক গুৰুত্ব দিয়েই অনুশীলন কৰো। এই শৃংখলাৰ বাবেও প্ৰস্তুতিত অনেক সময় ব্যয় কৰিছো। আশা কৰিছো ভালেই খেলিম।' উল্লেখ্য যে বৃহৎ প্ৰতিযোগিতাত ধৱনে সততে সফল হয়। ২০১৩ৰ চেম্পিয়নছ ট্ৰফীৰ উপৰি ২০১৫ আৰু ২০১৯ৰ বিশ্বকাপতো তেওঁ ৰাণ কৰিছিল। এসময়ত বিশ্ব ক্ৰিকেটৰ অন্যতম আক্ৰমণাত্মক অপেনাৰৰূপে চিহ্নিত ধৱনে অৱশ্যে আগন্তুক টি-২০ বিশ্বকাপৰ দলত স্থান লাভৰ কথা চিন্তা কৰা নাই। নিজৰ লক্ষ্য পৃথক বুলি সদৰী কৰি তেওঁ কয়, 'মোৰ লক্ষ্য হৈছে আগন্তুক বছৰৰ ৫০ অভাৰৰ বিশ্বকাপ। সেয়ে ভাৰতৰ হৈ যিমান বেছি সম্ভৱ মেচ খেলিব বিচাৰিছো। ভাল ৰাণ কৰিব বিচাৰো।'



## শীৰ্ষত মৰাণ টাউন ক্লাব

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ১২ জুলাই ঃ** মৰাণ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত মৰাণ মহাবিদ্যালয় খেলপথাৰত অনুষ্ঠিত মণ্টু শৰ্মা 'এ' ডিভিজন মৰাণ আন্তঃক্লাব ফুটবল লীগৰ শীৰ্ষত অৱস্থান কৰিছে মৰাণ টাউন ক্লাবে। সেইদৰে ক্ৰীড়া প্ৰকল্প ধমনে তৃতীয় স্থান লাভ কৰি আছে। আজি অনুষ্ঠিত খেলত ক্ৰীড়া প্ৰকল্প ধমনে চেপন ক্ৰীড়া সন্থাক একমাত্ৰ গ'লত পৰাজিত কৰে। গ'ল শূন্যভাৱে প্ৰথমাৰ্ধৰ সামৰণি পৰে যদিও ৭৭ মিনিটত দলৰ হৈ জয়সূচক গ'লটো দিয়ে ৰমণী সোণোৱালে।

## কমনৱেল্থলৈ ভাৰতৰ মহিলা ক্ৰিকেট দল ঘোষণা

**নিউজ ব্যুৰ'**

**নতুন দিল্লী, ১২ জুলাই ঃ** আগন্তুক বাৰ্মিংহাম কমনৱেল্থ গেমছৰ বাবে ভাৰতৰ মহিলা ক্ৰিকেট দল ঘোষণা কৰা হৈছে। হৰমনপ্ৰীত কৌৰ নেতৃত্বাধীন ১৫জনীয়া দলটোৰ স'তে আন তিনিগৰাকী ক্ৰিকেটাৰ ষ্টেণ্ডবাইৰূপে ইংলণ্ডলৈ যাব। দলটো— হৰমনপ্ৰীত কৌৰ (অধিনায়ক), স্মৃতি মন্ধানা (সহ-অধিনায়ক) শেফালী বাৰ্মা, এছ মেঘনা, তানিয়া ভাটিয়া, যস্তিকা ভাটিয়া, দীপ্তি শৰ্মা, ৰাজেশ্বৰী গায়কোৱাড, পূজা বস্ত্ৰকাৰ, মেঘনা সিং, ৰেণুকা ঠাকুৰ, জেমাইমা ৰড্ৰিগেজ, ৰাধা যাদৱ, হৰলিন দেউল আৰু স্নেহ ৰাণা। (ষ্টেণ্ডবাই) ছিমৰণ দিল বাহাদুৰ, ৰিচা ঘোষ আৰু পুনম যাদৱ।

## আগন্তুক ৪০সংখ্যক ৰাজ্যিক পাঞ্জা প্ৰতিযোগিতালৈ শিৱসাগৰ দল ঘোষণা

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ১২ জুলাই ঃ** শিৱসাগৰ চৰকাৰী বহুমুখী বিদ্যালয়ৰ প্ৰেক্ষাগৃহত শিৱসাগৰ জিলা আন্তঃক্লাব পাঞ্জা প্ৰতিযোগিতাখনি অনুষ্ঠিত হৈ যায়। উল্লেখ্য যে জিলাভিত্তিক প্ৰতিযোগিতাৰ পৰাই অহা ২৩-২৪ জুলাইত গুৱাহাটীৰ বাণিজ্য মহাবিদ্যালয়ত সদৌ অসম ভিত্তিত অনুষ্ঠিত হ'বলগীয়া ৰাজ্যিক পাঞ্জা প্ৰতিযোগিতাৰ বাবে ল'ৰা-ছোৱালী উভয় শাখাত ২২ জনীয়া এটি দল প্ৰেৰণ কৰা হৈছে। অনন্ত খনিকৰ আৰু মিতুল খনিকৰে নেতৃত্ব বহন কৰিবলগীয়া দলটিত আছে টুটুমণি গগৈ, মধুমিতা গগৈ, কবিতা খনিকৰ, নিৰ্মালী বৰা, চুম্পী বৰা, নেত্ৰকমল সন্দিকৈ, বিতুল গগৈ, মৌচম গগৈ, জিতু শতনামি, পাৰ্থপ্ৰতীম চেতিয়া, অপূৰ্ব মেচ, ওম প্ৰকাশ কলিতা, দীপজ্যোতি বৰা, যদুমণি চেতিয়া, গৌৰৱ শৰ্মা, কৰিন্দ্ৰ গগৈ, ৰূপৰাজ দত্ত, জীৱন দত্ত, অনুজ বুঢ়াগোহাঁই, সিদ্ধাৰ্থ লাহন, লাচিত ফুকন আৰু মনোৰঞ্জন চেতিয়া।




গুৱাহাটীত অনুষ্ঠিত আছাম প্ৰিমিয়াৰ হেণ্ডবলত বিজয়ী হিমাচল প্ৰদেশৰ মহিলা দলটো।

# শ্ৰীলংকাবাসীৰ কৰুণ অৱস্থা দেখি ব্যথিত অষ্ট্ৰেলিয়াৰ ক্ৰিকেটাৰৰ

**নিউজ ব্যুৰ'**

**মেলবৰ্ণ, ১২ জুলাই ঃ** আৰ্থিক সংকটত জৰ্জৰিত শ্ৰীলংকাত সম্প্ৰতি ৰাজনৈতিক অস্থিৰতাতো বিৰাজ কৰিছে। গণ অভ্যুত্থানত ভীতিগ্ৰস্ত হৈ অজ্ঞাত স্থানত আত্মগোপন কৰিছে শ্ৰীলংকাৰ ৰাষ্ট্ৰপতিয়ে। ৰাজপথলৈ ওলাই আহি বিক্ষোভ প্ৰদৰ্শনৰ সমান্তৰালকৈ ৰাষ্ট্ৰপতি ভৱন দখল কৰিছে সাধাৰণ জনতাই। এনে অগ্নিগৰ্ভ পৰিস্থিতিতো শ্ৰীলংকাৰ বিপক্ষে সুকলমে টেষ্ট শৃংখলা সমাপ্ত কৰিলে অষ্ট্ৰেলিয়াই। উক্ত শৃংখলাক কেন্দ্ৰ কৰি বিতৰ্ক হ'লেও খেলুৱৈসকল কোনো ধৰণৰ অবাঞ্ছিত পৰিস্থিতিৰ সন্মুখীন হ'বলগীয়া নহ'ল। কালি শৃংখলাটো সমাপ্ত কৰি স্বদেশলৈ উভতি যোৱাৰ পাছত শ্ৰীলংকাৰ পৰিস্থিতি সন্দৰ্ভত মুখ খুলিছে কেংগাৰু ক্ৰিকেটাৰসকলে। দলৰ অধিনায়ক পেট কামিন্সে নিজ দেশৰ সংবাদ মাধ্যমৰ আগত কয় যে শ্ৰীলংকাৰ সাধাৰণ মানুহে সম্প্ৰতি এদিন বাদ আহাৰ খাইছে যাতে নিজৰ সন্তানক প্ৰতিদিনে খুৱাব পাৰে।

কামিন্সে কয়, 'ঘৰৰ পৰা পৰিয়ালৰ সকলোৱে ঘনাই ফোন কৰিছিল। শ্ৰীলংকাৰ বিক্ষোভৰ ছবি দেখি সকলোৱেই চিন্তাত পৰিছিল। কিন্তু আমাৰ কোনো অসুবিধা হোৱা নাছিল।' শ্ৰীলংকাৰ সাধাৰণ মানুহৰ লগত কথা পতা বুলি সদৰী কৰি কামিন্সে পুনৰ কয়, 'মই হোটেলৰ কৰ্মচাৰী আৰু চালকসকলৰে কথা পাতিছো। অত্যন্ত কষ্টৰে তেওঁলোকে দিন অতিবাহিত কৰিছে। তেওঁলোকে এদিন খাইছে, পাছদিনা লঘোনত আছে। এইদৰে সাঁচি ৰাখি সাধাৰণ মানুহবোৰে নিজৰ সন্তানৰ বাবে খাদ্যৰ ব্যৱস্থা কৰিছে। অত্যন্ত কঠিন সংগ্ৰাম কৰি আছে তেওঁলোকে।'



## মহিলা হকী বিশ্বকাপত প্ৰথম জয় ভাৰতৰ

**নিউজ ব্যুৰ'**

**আমষ্টেলভীন, ১২ জুলাই ঃ** খিতাপৰ দৌৰৰ পৰা বাহিৰ হোৱাৰ পাছত মহিলা হকী বিশ্বকাপত প্ৰথম বিজয় সাব্যস্ত কৰিলে ভাৰতীয় দলে। প্ৰতিযোগিতাৰ নৱমৰ পৰা ষষ্ঠদশ স্থান লাভৰ বাবে অনুষ্ঠিত এখন খেলত ভাৰতে কালি দলনেত্ৰী তথা গ'লকীপাৰ সবিতা পুনিয়াৰ দুৰ্দান্ত প্ৰদৰ্শনৰ সূত্ৰে টাইব্ৰেকাৰত কানাডাক ৩-২ গ'লত পৰাজিত কৰে। খেলখন নিৰ্ধাৰিত সময়ত ১-১ গ'লত ড্ৰ হৈছিল। খেলৰ ১১ মিনিটত কানাডাৰ মেডেলিন ছেক্ক'ৰে গ'ল দি নিজ দলক আগুৱাই নিয়ে। অৱশ্যে খেল সমাপ্তিলৈ দুই মিনিট বাকী থকা অৱস্থাত ভাৰতৰ ছেলিমা টেটেই সমতা স্থাপন কৰে। ইয়াৰ পাছতে পেনাল্টী শ্বুটআউটত সবিতাই দুৰ্দান্ত প্ৰদৰ্শন আগবঢ়াই প্ৰতিপক্ষৰ খেলুৱৈৰ ছটা শ্বটত গ'ল ৰক্ষা কৰে। ইয়াৰ বিপৰীতে টাইব্ৰেকাৰত ভাৰতৰ হৈ গ'ল দিয়ে নৱনীত কৌৰ, ছোনিকা আৰু নেহাই। উল্লেখ্য যে গ্ৰুপ মেচত এখনো খেলত জয়ী হ'ব নোৱাৰিলেও ভাৰতে গ'ল হাৰত তৃতীয় স্থান অধিকাৰ কৰি সম্ভাৱনা সজীৱ কৰি ৰাখিছিল। যদিও দ্বিতীয় ৰাউণ্ডত অন্যতম আয়োজক স্পেইনৰ বিপক্ষে পৰাজিত হোৱাত ভাৰত খিতাপৰ দৌৰৰ পৰা বাহিৰ হয়।

## ডিমৌত জননেতা ভীমবৰ দেউৰী মুকলি দবা

**অগ্ৰদূত বাৰ্তা**

**ডিমৌ, ১২ জুলাই ঃ** ডিমৌৰ বামৰজাবাৰীত ভীমবৰ দেউৰী সোঁৱৰণী প্ৰাইজমানি মুকলি দবা প্ৰতিযোগিতা আয়োজন কৰা হৈছে। সম্প্ৰতি চৰকাৰৰ ক্ৰীড়া বিভাগে দবা খেলত যথেষ্ট গুৰুত্ব প্ৰদান কৰিছে। শিৱসাগৰ জিলাৰ থাওৰা সমষ্টিৰ বাম ৰজাবাৰী প্ৰশিক্ষণ কেন্দ্ৰ আৰু ক্ৰীড়া সন্থাৰ উদ্যোগত তথা সদৌ অসম দবা সন্থা, অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ সঞ্চালকালয়ৰ সহযোগত অসমৰ গ্ৰামাঞ্চলত দবা খেলৰ প্ৰচাৰৰ বাবে শিৱসাগৰ জিলাৰ পানীদিহিং মৌজাৰ বামৰজাবাৰীত জননেতা ভীমবৰ দেউৰী ভৱনত অহা ২৩-২৪ জুলাইত প্ৰথম জননেতা ভীমবৰ দেউৰী সোঁৱৰণী মুকলি দবা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাখনিৰ প্ৰাইজমানি ধাৰ্য কৰিছে এক লাখ টকা। ইচ্ছুক খেলুৱৈসকলক শীঘ্ৰে যোগাযোগ কৰিবলৈ পৰিচালনা সমিতিয়ে আহ্বান জনাইছে।

# মহিলা ইউৰ' কাপৰ কোৱাৰ্টাৰত ইংলণ্ড

## অভিলেখসংখ্যক আঠ গ'লত হৰুৱালে নৰ'ৱেক

**নিউজ ব্যুৰ'**

**লণ্ডন, ১২ জুলাই ঃ** ঘৰুৱা দল ইংলণ্ডে মহিলা ইউৰ' কাপ ফুটবলৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ইংলণ্ডে যোৱা নিশা অনুষ্ঠিত 'এ' গ্ৰুপৰ মেচত অভিলেখ গঢ়ি নৰ'ৱেক ৮-০ গ'লত বিধ্বস্ত কৰে। গ্ৰুপৰ দুখন খেলত জয়ী হোৱাৰ সূত্ৰে ঘৰুৱা দলটোৱে মুঠ ছয় পইণ্টেৰে চলিত প্ৰতিযোগিতাৰ প্ৰথম দলৰূপে অন্তিম আঠত প্ৰৱেশ কৰে। ইয়াৰ লগতে পুৰুষ-মহিলা মিলাই প্ৰথম দলৰূপে ইংলণ্ডে ইউৰ' কাপৰ খেলত কোনো প্ৰতিপক্ষক ৮-০ গ'লৰ ব্যৱধানত পৰাজিত কৰিলে। খেলখনত ইংলণ্ডৰ বেথ মিডে হেট্ৰিক অৰ্জন কৰে। খেলৰ ১২ মিনিটত পেনাল্টীৰ জৰিয়তে জৰ্জিয়া ষ্টেনৱে'ই ইংলণ্ডৰ হৈ প্ৰথমটো গ'ল দিয়ে। ইয়াৰ তিনি মিনিটৰ পাছতে ব্যৱধান বৃদ্ধি কৰে লৰেন হেম্পে। নৰ'ৱে দলে কোনো সময়তে দৃঢ়তা প্ৰদৰ্শন কৰিব নোৱাৰিলে আৰু ২৯ মিনিটৰ পাছতে দলটো চৰম দুৰ্যোগৰ সন্মুখীন হয়। মাত্ৰ ১৩ মিনিটৰ ব্যৱধানত দলটোৱে আন চাৰিটা গ'ল হজম কৰে। দুটাকৈ গ'ল দিয়ে এলেন হোৱাইট আৰু বেথে। ইয়াৰ দ্বাৰা ইংলণ্ডে খেলৰ প্ৰথমাৰ্ধতে প্ৰতিপক্ষক ছটা গ'ল দি প্ৰতিযোগিতাখনৰ ইতিহাসত নতুন অভিলেখ গঢ়ে।



